# বাঙুয়া কলেজ পত্রিকা




সম্পাদক : প্রতুল কুমার শর্মা।

# ৰঙিয়া কলেজ আলোচনী

ঃ বছৰেকীয়া প্ৰকাশ ঃ

৭ম সংখ্যা

ঃ ১৯৭৫-৭৬ চন ঃ

শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মা
সম্পাদক

## সম্পাদনা সমিতি

অধ্যক্ষ শ্ৰীবীৰেন্দ্ৰ নাথ বৰদলৈ (সভাপতি)
অধ্যাপক শ্ৰীঅমৰেন্দ্ৰ শৰ্ম্মা (তত্বাবধায়ক)
অধ্যাপক শ্ৰীগোলোক চন্দ্ৰ ভূঞা (সদস্য)
শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মা (সম্পাদক)
শ্ৰীভবেন চন্দ্ৰ কলিতা (সদস্য)
শ্ৰীআক্কেল আলী (সদস্য)

বেটুপাতৰ শিল্পী— শ্ৰীঅৰূপ কুমাৰ মজুমদাৰ
ব্যাখ্যা চিত্ৰ শিল্পী— শ্ৰীগিৰীশ কলিতা

## কৃতজ্ঞতা যাচিছোঁ

সৰ্ব্বশ্ৰী শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈ (অধ্যক্ষ) অমৰেন্দ্ৰ শৰ্ম্মা (তত্বাবধায়ক) নৰেন্দ্ৰ কলিতা (অধ্যাপক) গোলোক চন্দ্ৰ ভূঞা (অধ্যাপক) গুৰুকৃষ্ণ গোস্বামী (ৰঙিয়া) প্ৰবীণ কুমাৰ আৰু নৰেন্দ্ৰ শৰ্ম্মা।

## শলাগ লৈছোঁ

বন্ধুবৰ সৰ্ব্বশ্ৰী— আক্কেল আলী, ভূপেন কাকতি, দিলীপ চৌধুৰী, তৰুণ শইকীয়া, অপূৰ্ব, সমীন, নাৰায়ণ, কামাখ্যা, কৰুণা, মুনিন্দ্ৰ দাস, গোলোক, গিৰেন্দ্ৰ, বঙ্কিম, প্ৰসন্ন আৰু বান্ধৱী প্ৰীতি কলিতা, মহুৱা, অপৰ্ণা দত্ত, বাসন্তী কলিতা, ৰীতা শৰ্ম্মা, আৰু ৰঙিয়া গোবিন্দ প্ৰেছৰ কৰ্ম্মীবৃন্দ।

## পাণ্ডুলিপি কৰি দিয়া বাবে

শিশিৰ কুমাৰ ভট্টাচাৰ্য্য, ভবেন কলিতা, ফুনু দাস।

## -ঃ এই সংখ্যা আলোচনীৰ পাতে পাতে ঃ-


● সম্পাদকীয় ॥ক॥

● কবিতা কুঞ্জ

কল্লোল ধ্বনিৰে ॥১॥ ফুনু দাস ॥ মোৰ সত্বা ॥২॥ মনোৰঞ্জন কলিতা ॥ এটি সন্ধিক্ষণ ॥২॥ ভবতোষ ডেকা ॥ মানৱ জীৱ শ্ৰেষ্ঠ ॥৩॥ চফিদা বেগম ॥ নেতৃত্ব ॥৪॥ বিবেকানন্দ ॥৫॥ ইৰা শৰ্ম্মা ॥ নিশাৰ সমাজ অধিকাৰী ॥ মোৰ অনুভূতিৰ তিনিটা স্তবক ॥৫॥ ইৰা শৰ্ম্মা ॥ বসন্তৰ নতুন প্ৰভাত ॥৭॥ কিৰণ শইকীয়া ॥ মোৰ ॥৬॥ বীৰেন্দ্ৰ নাথ ডেকা ॥ বসন্তৰ নতুন প্ৰভাত ॥৭॥ মীৰা শৰ্ম্মা ॥ পুৰুষ আৰু কবিতা ॥৮॥ সত্যৱতী কলিতা ॥ অনুভৱৰে ॥৮॥ অতুল কলিতা ॥ মোৰ প্ৰকৃতি ॥৯॥ মন্দিৰা তালুকদাৰ ॥ অনুভূতি ॥১০॥ চুলেমান আলী ॥ কবিতা ॥১০॥ এ, হাফিজ ॥ কাৰ তেজ মোৰ দৰে ॥১১॥ মাখনী পাঠক ॥ স্থিতি ॥১১॥ বিজুলী চক্ৰৱৰ্ত্তী ॥ মৌন অভিসাৰ ॥১২॥

● প্ৰবন্ধ শৰাই

জনগণৰ মঞ্চৰ পৰা ॥১॥ অনন্ত কুমাৰ ডেকা ॥ সাময়িক চিন্তা ॥৮॥ অমৰেন্দ্ৰ শৰ্ম্মা ॥ অৰুণাৰ পটভূমিত গোস্বামীৰ গল্প ॥১০॥ নৰেন্দ্ৰ কলিতা ॥ পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ আৰু শিক্ষা বিধায়ণা ॥১৪॥ হৰেন দাস ॥ কৰ্ম্মযোগ ॥১৯॥ নিৰঞ্জন তালুকদাৰ ॥

● অনুদিত কবিতা

॥ ইটালি, স্পেইন, চুইদেন ॥২৭॥ ভবেন্দ্ৰ নাথ ডেকা ॥

● গল্প শিতান

॥ ধূপ নুমাই যোৱাৰ পিচত ॥৩৩॥ বিনন্দি ডেকা । শ্ৰীকৃষ্ণৰ শেষ অস্ত্ৰ (মূল উৰিয়া গল্প
অনুবাদ ) ॥৪২॥ হৰেন্দ্ৰ কুমাৰ শৰ্ম্মা ॥ অব্যক্ত ॥৫০॥ আক্কেল আলী ॥ ৰেলত
এদিন ॥৫৪॥ মুকুল কলিতা ॥ মেঘনাদ একুৰা জুই ॥৫৯॥ প্ৰতুল কুমাৰ শৰ্ম্মা ॥
আশা ॥৬৩॥ খগেন্দ্ৰ কলিতা ॥

● প্ৰশ্নোত্তৰ শিতান ॥৭১॥ সম্পাদক ॥

● মুখামুখি ॥৭৫॥

● বিভাগীয় সম্পাদকৰ প্ৰতিবেদন ॥৭৭॥

●●●

# সম্পাদকীয়

●

মহাবিদ্যালয়ৰ আলোচনী এখনৰ সম্পাদকীয় লেখাৰ সময়ত মোৰ
মানসপটত প্ৰথম ভূমুকি মাৰে- মাত্ৰ এটা শব্দই – শিক্ষা । সমাজ সংস্কাৰ
ৰাজনীতি বা চৰকাৰৰ প্ৰতি চেতনা, কৃষি বাণিজ্য-অৰ্থনীতি ইত্যাদিৰ
উন্নতি, প্ৰগতিৰ মূলমন্ত্ৰ হ'ল শিক্ষা । আধুনিক শিক্ষা । জনসাধাৰণ
বা প্ৰত্যেক নাগৰিকৰ নৈতিকতা সুস্থবোধ নহলে সমাজ সংস্কাৰ নহয় ।
সমাজ সংস্কাৰ কৰিবলৈ, ৰাষ্ট্ৰক মহান কৰিবলৈ কল্পনাৰ সৰগখন মাটিৰ
পৃথিবীত ৰচনা কৰিবলৈ জনসাধাৰণ আত্মচেতন হব লাগিব । আৰু তাৰ
কাৰণে মানুহক লাগিব প্ৰকৃত জ্ঞান – উচিত শিক্ষা ।

## ॥ জ্ঞানৰ উৎস শিক্ষা ॥

কিন্তু বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটা লাভ কৰিলেই প্ৰকৃত জ্ঞানীলোক
বুলি কব নোৱাৰি । দেখিছো বহুত ডিগ্ৰীধাৰী যি নিৰক্ষৰ হোজা বহুত
মানুহতকৈ অজ্ঞ স্বাৰ্থান্ধ পশু । গতিকে প্ৰকৃত জ্ঞানৰ প্ৰয়োজন ।
এলান্ধুকলীয়া পদ্ধতিকে সাৰোগত কৰি লোৱা অশিক্ষিত কৃষকজনৰ
দ্বাৰা কৃষি উৎপাদনৰ উন্নতি লাভৰ আশা কৰিব নোৱাৰি । তেনেকৈ
অন্যান্য বিষয়তো নিৰক্ষৰ শ্ৰমিক আদিৰ কথা একেই ।

গতিকে অৰ্থনীতি সবল কৰাৰ কাৰণে নিতান্ত প্ৰয়োজন কৃষক, শ্ৰমিক সমস্ত নাগৰিকৰে আধুনিক শিক্ষা পদ্ধতি । কিন্তু আমাৰ দেশৰ শিক্ষিতৰ হাৰ দুখঃজনক ভাবে পিচ পৰা । সেয়ে হয়টো ভাৰত এখন দৰিদ্ৰ দেশ বুলি বিশ্ব ইতিহাসত পৰিচিত । আমেৰিকা আদি বৃহৎ ৰাষ্ট্ৰৰ ওচৰত কোটি কোটি টকাৰ ঋণী ।

## ॥ আমাৰ দেশৰ শিক্ষা ॥

তুলনামুলক ভাবে আমাৰ ভাৰতীয় শিক্ষাৰ মানদণ্ড নিম্নস্তৰত পৰিব । সকলোৱে স্বীকাৰ কৰিব লাগিব এই দুখঃজনক সত্যতা । ইয়াৰ কাৰণ কি ? ইয়াৰ কাৰণ প্ৰধানতঃ প্ৰচলিত শিক্ষা পদ্ধতি ।

অৱশ্যে ইয়াৰ মাজতে এটা কথা আহি পৰে । তিনি শ বছৰ এই সুদীৰ্ঘকাল বৃটিছ সাম্ৰজ্যবাদীইঁতৰ হাতত শৃঙ্খলিত এটা জাতি সকলো ফালৰ পৰা পঙ্গু হৈ পৰাটো খুবেই স্বাভাৱিক । তথাপিও স্বাধীনোত্তৰ কালছোৱাত আমি উচিত শিক্ষা পাইছো বুলি কব নোৱাৰো । প্ৰগতিবাদী সবল শিক্ষা পদ্ধতি হাতত লোৱা হলে হয়তো আমাৰ শিক্ষাৰ মানদণ্ড এনে নিম্নস্তৰত পৰি নাথাকিলহেঁতেন । ইয়াৰ প্ৰধান দোষ শিক্ষাবিদৰ, চৰকাৰৰ নে কাৰ ?

বৰ্ত্তমান আমাৰ শিক্ষাদান আৰু পৰীক্ষা পদ্ধতি যেনে ধৰণে চলি আহিছে বা চলি আছে এনে ব্যৱস্থাই ছাত্ৰ-ছাত্ৰী সকলৰ হৃদয় বৃত্তি, কৰ্ম্মমুখিতা, বাস্তৱ সচেতনতা আদি ব্যক্তিত্ব গঠনৰ গুণাৱলীৰ মূল্যায়ণ কৰাত কোনো ভূমিকা লব পৰা নাই ।

বৰ্ত্তমান আমাৰ ছাত্ৰ-ছাত্ৰীৰ একমাত্ৰ লক্ষ্য পৰীক্ষাত পাছ কৰিব লাগিব, বিশ্ববিদ্যালয়ৰ ডিগ্ৰী এটাৰে চাকৰি কৰিব লাগিব ।

আমাৰ বৰ্ত্তমান প্ৰচলিত শিক্ষাদান পদ্ধতিয়ে ছাত্ৰ-ছাত্ৰীৰ অভিজ্ঞতা-পূৰ্ব্বক বিবেকৰ পৰিপক্কতা লাভ কৰাব নোৱাৰে আৰু সেই কাৰণেই পৰীক্ষাত ছাত্ৰ-ছাত্ৰীয়ে অসৎ উপায় অৱলম্বন কৰিবলৈ বাধ্য হয় ।

এতিয়া থোৰতে আমি এটা কথা কব পাৰো যে বৰ্ত্তমান আমাৰ শিক্ষাদান বা পৰীক্ষা পদ্ধতিয়ে ছাত্ৰক এটা চাকৰি কৰা যন্ত্ৰহে তৈয়াৰ কৰে ।



গতিকে সমাজ বিবৰ্ত্তনৰ আহিলা অৰ্থাৎ পুৰণি সমাজ ব্যৱস্থাৰ পৰিবৰ্ত্তন ইত্যাদিৰ কাৰণে শিক্ষাৰ মানদণ্ড উন্নয়ন কৰিবলৈ প্ৰয়োজন শিক্ষাদান পদ্ধতিৰ নতুনত্ব ।

## ॥ প্ৰাচীৰ পত্ৰিকাৰ কথা ॥

ৰঙিয়া কলেজৰ বিভিন্ন ছাত্ৰ-ছাত্ৰীৰ কলেজ দেৱালত অঙ্কন কৰা সৰু সৰু গল্প, কবিতাৰ পংঙশক্তিৰ কথা বিবেচনা কৰি, বিভিন্ন দেৱালত ৰঙিয়া কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কথা উপলব্ধি কৰি কলেজ স্থাপন হোৱাৰ ১৩ বছৰ পিচত মুষ্টিমেয় কেইজনমান ছাত্ৰই ভঙা গঢ়াৰ পৰিকল্পনা কৰি সুন্দৰ হাতৰ আখৰেৰে লিখি উলিয়ালে প্ৰাচীৰ পত্ৰিকাৰ বুকুত বিভিন্ন জনৰ গল্প, কবিতা । প্ৰাচীৰ পত্ৰিকাই জন্ম দিলে এচাম নতুন লিখকৰ । কিছু সংখ্যক ছাত্ৰই মন দি পঢ়ে । প্ৰাচীৰ পত্ৰিকাত দাঙি ধৰা সেই কথাবোৰ ।

যি সময়ত এচাম সচেতন ছাত্ৰই সপোন দেখিছে প্ৰাচীৰ পত্ৰিকাৰ কথা, থিক সেই এনে সময়তে আন এচাম ছাত্ৰই ৰিডিং ৰুমৰ বেৰত, প্ৰস্ৰাৱগাৰত, ছাত্ৰী জিৰণি কোঠাৰ বেৰত লিখিছে ( ইয়াত তুলি দিম জানো সেই কথাবোৰ ) সেয়াও জানো আমাৰ কলেজৰ ছাত্ৰ-ছাত্ৰীৰ কথা.... ... ! ... .... !!

## ॥ আলোচনী সম্পৰ্কে দুআষাৰ ॥

আলোচনীৰ সম্পাদক হোৱাৰ পিচৰে পৰা আলোচনীখনক এক নতুন ৰূপত গঢ় দিয়াৰ প্ৰয়াস কৰিছিলো । কিন্তু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা লিখনি সমূহে মোক প্ৰায়ে হতাশ কৰিছিল । একোজন ছাত্ৰ-ছাত্ৰীক ব্যক্তিগত ভাবে কেবাবাৰো গল্প, কবিতা, প্ৰবন্ধ আদি খোজাৰ পিচতো ছাত্ৰ-ছাত্ৰীসকলৰ পৰা উৎসাজনক সঁহাৰি পোৱা নাছিলো ।

বিভিন্ন সম্পাদকৰ সম্পাদকীয় প্ৰতিবেদন জমা দিয়াৰ ক্ষেত্ৰত অহেতুক পলম কৰা বাবে আলোচনীখন আৰু কেইদিনমান আগতে উলিয়াই দিয়াৰ পৰা বিৰত থাকিব লগা হৈছিল।

তথাপিও ঠিক সময়তে আলোচনীখন আপোনালোকৰ হাতত তুলি দিব পাই আনন্দ পাইছো। আলোচনী সম্পাদনাৰ কামত মই যি অভিজ্ঞতা লাভ কৰিলো সি মোৰ শিক্ষা জীৱনৰ ডাঙৰ অভিজ্ঞতা। সৰ্ববশেষত সমূহ ছাত্ৰ ছাত্ৰীকে ধন্যবাদ আৰু কৃতজ্ঞতা জনালো।

জয়তু ৰঙিয়া কলেজ—

শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মা

সম্পাদক

●●

RANGIA COLLEGE LIBRARY
A.C.C. NO
Dt.
KAMRUP (ASSAM)





## ছাত্ৰ একতা সভা



বহি বাওঁফালৰ পৰা :— অধ্যাপক হৰেণ দাস ( তত্বাৱধায়ক সঙ্গীত ) অধ্যাপক চফিউদ্দিন আহমেদ ( কোষাধ্যক্ষ ) অধ্যাপক নীলকান্ত মহন্ত ( উপাধ্যক্ষ ) অধ্যক্ষ বীৰেন্দ্ৰ নাথ বৰদলৈ ( সভাপতি ) অধ্যাপক গোলোক চন্দ্ৰ ভূঞা ( তত্বাৱধায়ক ইউনিয়ন ) অধ্যাপক ভবেন্দ্ৰ নাথ ডেকা ( তত্বাৱধায়ক তৰ্ক ) অধ্যাপক অমৰেন্দ্ৰ শৰ্মা ( তত্বাৱধায়ক আলোচনী ) অধ্যাপিকা নিলীমা ডেকা ( তত্বাৱধায়ক ছাত্ৰী জিৰণী কোঠা )

থিয় হৈ বাওঁফালৰ পৰা :— জনেক বৈশ্য ( গাননিক ) ৰমানন্দ ভট্টাচাৰ্য্য ( সদস্য ) সুকুমাৰ কলিতা ( সম্পাদক সঙ্গীত ) মনোৰঞ্জন কলিতা ( সদস্য ) অতুল কলিতা ( সম্পাদক, ছাত্ৰ জিৰণী কোঠা ) প্ৰতুল কুমাৰ শৰ্মা ( সম্পাদক, আলোচনী ) আক্কেল আলী ( সাধাৰণ সম্পাদক ) লাৱণ্য ডেকা ( সদস্যা ) ৰীণা কলিতা ( সদস্যা ) প্ৰীতি কলিতা ( সদস্যা ) মন্দিৰা তালুকদাৰ ( সম্পাদিকা ছাত্ৰী জিৰণী কোঠা ) ( সদস্য ) বিবেকানন্দ অধিকাৰী, মানিক দাসক

( বিঃ দ্ৰঃ — অধ্যাপক ৰজত ডেকা অধ্যাপক হীৰেণ শৰ্মা অধ্যাপক ফাৰাইজুল হক ( সদস্য ) ফটোত দেখা পোৱা নগল ।)

# কল্লোল ধ্বনিরে

কবিতা কুঞ্জ 00



শ্রীসুখেন্দু দাশ
১ম বার্ষিক প্রাকবিশ্ববিদ্যালয় ।

[illegible]

# কল্লোল ধ্বনিৰে



শ্ৰীফুনু দাস
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয় ।

নিয়ৰৰ টোপালবোৰে
ডুবৰিডৰাত শেৱালিৰ সতে
এক নিৰ্জ্জন পুৱাত
মনৰ কথাবোৰ কৈছিল— ।
তুমি আহিছিলা সেই
একেই পথত ঃ
মোৰ নিমগ্ন ভাষাৰ
পথাৰ নেওচি ।
এখন বহল সাগৰ
নীলাভ চকুযুৰি তোমাৰ,
ফাগুনৰ ৰং
ডুপৰৰ নিথৰ যেন ভাষা,
বহু কথা কলা—
বহু থাকিল বাকী—
তোমাৰ জীৱনৰ স্তৱত;
আৰব্ধ এক আচহুৱা আলহী ।
ফাগুনৰ কৃষ্ণচূড়া জোপাৰ তলত
পৰি আছে, আমাৰ খোজৰ ছন্দ,
শ্বাস-প্ৰশ্বাসৰ মৃদু লহৰ ।
আমাৰ যাত্ৰাপথ সমুজ্জ্বল ।
তোমাৰ স্বপ্ন—
মোৰ সাধনা—
তোমাৰ বুকুৰ বিপ্লৱৰ ধ্বনিত—
মই ৰচনা কৰিব পাৰোঁ
নিশা ভৰা আন্দোলন
আৰু তেজীৰঙা পলাশৰ ৰং ।

●●●

# ॥*॥ মোৰ সত্বা ॥*॥

শ্ৰীমনোৰঞ্জন কলিতা
১ম বাৰ্ষিক প্ৰাক্ বিশ্ববিদ্যালয়।

মোৰ জীৱন পথৰ
সেন্দুৰীয়া আলিত
তুমি আৰু মই
এই পথত ॥
তোমাৰ সুৰভিৰে
জন্ম হ'ল মোৰ মনৰ গহনত
এক নতুন স্বপ্ন
দুদোল্যমান ।
বুকুৰ ভিতৰৰে বোৱতী
এখন উত্তাল নদী
বৈ থাকিল অহৰহ
একেই গতিভ ॥

# এটি সন্ধিক্ষণ

কুমাৰ ভবতোষ ডেকা
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ব বিদ্যালয়।

সৌ সিদিনা
তেজপি গেৰেলা হোৱা
তেজপিয়াবোৰ আঁতৰিল
সিহঁতৰ ভৰিত নখত
কিঞ্চিত কেহৰেজিৰ বোল লোৱা
চেকুৰা চেকুৰী তেজবোৰ।
যাৰ প্ৰতিটো কণা
একোটা প্ৰেতাত্মা
কনক দেৱানৰ
গান্ধী আৰু ফৰিঙৰ আক্ৰমণত
তেজপিয়াৰ দল পলায়ুৰ্দ্ধঃ হ'ল ॥
কিন্তু
ৱাদ প্ৰেচাৰত নতুন ফৰিঙবোৰ
গঙাটোপটো হ'ল
সি যি কি নহওক
অন্ধকাৰৰ হ'ল অৱসান
তেজমাংস খালেও যে
(আজি) মুক্ত মন প্ৰাণ
সেইহেতু স্মৰো আমি
সিটি সন্ধিক্ষণ
ঊনৈশ সাতচল্লিশ চন
আৰু তেজপিয়া নাশী
মহাত্মা মহান ॥



# "মানৱ" জীৱশ্ৰেষ্ঠ (?)

চৈয়দা ছফিদা বেগম
২য় বাৰ্ষিক প্ৰাক্‌বিশ্ব বিদ্যালয়।

জীৱ-শ্ৰেণী মানৱ সিহঁত
আছে বৰ্ত্তমান, ভৱিষ্যত
আছিল তেনেকৈ অতীত—।
এয়াই সিহঁত জগতত প্ৰতিপত্তি লগ
ৰূপে গুণে, জ্ঞান-কৰ্ম্মত শ্ৰেষ্ঠ বুলি,
হাড়ে-ছালে লগলগা, নৰকংকালৰূপ
আছে সিহঁতৰ চকুৰ আগত
মাথো শত-সহস্ৰধূলি।
গতি আছে বহুদূৰ----
আগলৈ নচলে ভৰি,
দিনটো খোজাৰ পৰিণামতো—
পেটত পৰা নাই একো—
সিহঁতলৈ চাবলৈ আহৰি নাই কাৰো।
সিহঁতৰ ঘৰৰ মজিয়াত—
চোতালতকৈ বেছি বৰষুণ পৰে—
আন এচামে কিন্তু,—
শীত-তাপ নিয়ন্ত্ৰিত চ'ৰাঘৰত
ক'লা টকাৰ ব্যৱসায়ৰ সুৰুঙা বিচাৰে।
মাথো এটি পইচাৰ অভাৱত
এচামে মৃত্যুৰক্ষণ গণে—
আনহাতে—
আনচামে,— দিনান্তত ক্লাবৰ আড্ডাত বহে।
শীতৰ ঠেৰেঙা লগা নিশা
মাজবাটত সৰ্বহাৰা শিশুৰ ক্ৰন্দন,
নাই কাৰো ভ্ৰূক্ষেপ সেই অনাথলৈ
অদূৰৰ দালানত সেয়া সকলোৰে সমুজ্জ্বল বদন।
এচামে মহানন্দে টকাৰ দলিছাত বহে,
আৰু আনচামে
দিনমণিৰ আগমণৰ লগে লগে
ওলাই আহি 'এটি পইচা' ভিক্ষা মাগে:
স্থান নাই সিহঁতৰ,— আভিজাত্য সমাজত
খেদি থৈ আহে জপনাৰ বাহিৰত
—আজি এই অৱহেলিত সমাজ আছে সুখৰ
অপেক্ষাত।

# নেতৃত্ব



শ্ৰীবিবেকানন্দ অধিকাৰী
২য় বাৰ্ষিক স্নাতক ।

মোৰ বুকুত জুই জ্বলিছে
শতাব্দীৰ পৰা উমি উমি জ্বলিথকা
একুৰা জুই,
মই উজ্বল হৈছো সেই জুইত পুৰি
পোৰা সোণৰ দৰে
আলোকিত হৈছে সৌ
চিন্তাক্লিষ্ট
(চিন্তাৰ দৈন্যতা নে দৈন্যতাৰ চিন্তা)
বিকৰ্ণ দেহাবয়বৰ মাজত
গতিশীল চেতনাৰে
এক বিৰাট সমদল,
মোৰ উজ্বলতাত
ক্ৰমে ক্ৰমে আৰু অনুক্ৰমে
পুঞ্জীভূত সিহঁতৰ বাসনাৰ
মই, নায়ক;
অসহিষ্ণু সিহঁতৰ
দ্বিধা জৰ্জৰিত অপ্ৰাপ্তিৰ
হতশ্বাস, আৰু
মোৰ বুকুৰ জুইত যেন ঘৃতাহুতি
তুহিন বতাহৰ বা লাগি
মোহভঙ্গত অভ্যস্ত সিহঁতৰ অভীপ্সা
মোৰ উজ্বলতাত মহীয়ান ।
সিহঁতৰ অন্তঃস্থলত
ময়ো শুনিছো
সেই অতৃপ্তিৰ করুণ সঙ্গীত
মই যে সিহঁতৰ নেতা ।



# মোৰ অনুভূতিৰ তিনিটা স্তৱক

ইৰা শৰ্মা
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয় ।

এক:
এইমাত্ৰ কলহৰ কাণেৰে নামি অহা
বৰষুণ জাকে আত্মহত্যা কৰিলে চাহাৰাত ।
বালিৰ কবৰত সিহঁতৰ 'মামি' ।
ৰদৰ জিলমিল এপিটাফত আকাশে পঢ়ক
"কেৱল কান্দিবৰ বাবেই মেঘে বাৰিষালৈ জন্মে" ।

দুই:
দুখেওঁ মোক কৰে বিমুখ
দুখ বুলিলেই পাওঁ আয়মন্মন্ধ মুখ ।
"দুখেই যাদেৰ জীৱন গড়া তাদেৰ আবাৰ
দুঃখ কিসেৰ ।"

তিনি:
এটা টপ কৰি খাই দিয়া
চুমাৰ দাম দিবলৈ গৈ কেতিয়াবা
পৃথিৱীয়ে যদি সময়ৰ সতে ভাৰসাম্য হেৰুৱায়
তাৰ বাবে দায়ী হব কোন ?
মই নে মোৰ গান—
আহঃ কি দেওঁলগা মোৰ গানৰ অতনু তান !

# নিশাৰ সমাজ

শ্ৰীবীৰেন্দ্ৰ নাথ ডেকা
২য় বাৰ্ষিক প্ৰাক্ বিশ্ববিদ্যালয়।

বিগত শীতৰ
    মাজ নিশা এটিত
মই চক্‌মকাই
    সাৰ পালো—
সৌ জংঘনৰ পৰা
    ভাহি অহা
    ৰেলৰ উকিত।
অনুভৱ কৰিলো
    অতিপাত ঠাণ্ডা
ভাহি আহিল সিটো
    কোঠালীৰ পৰা
    দুৱৰি, চাক্কা পাঞ্জা ;
বিৰক্তিৰে মন ঘূৰাই
    আনিলো—
কিছু নীৰৱতাৰ পাচত
    আকৌ—
এক ভোকাতুৰৰ
    ক্ৰন্দন শুনিলো।
লাহে লাহে ওলালো
    বাহিৰলৈ বুলি,
থিয় হোৱাৰ লগে লগে
    আকৌ শুনিলো
উন্মাদ গনিকাজনীৰ
    উশৃঙ্খল চট্‌ফটনি।
এটি নীৰৱ মুহূৰ্ত্ত
    ক্ষুধাতুৰৰ বিকট চিএৰ।
উপক্ৰম হ'ল মোৰ
    স্থিৰতা হেৰোৱাৰ
সিদ্ধান্ত কৰিলো—
    কোঠালীলৈ সোমোৱাৰ।
কিন্তু ইবোৰ যে—
    নসহে মোৰ প্ৰাণে
মন যায় সকলো—
    শেষ কৰি দিবৰ।
কিন্তু (?) নিশাৰ এই সমাজে
    দিব জানো শেষ হবলৈ'—
এই ক্ৰন্দসী নিশাৰ অভিসীৰ ?





গছবোৰৰ সুৰুঙাৰে অহা—
    এচমকা উজ্জ্বল পোহৰ
    এই মাত্ৰ মোৰ চকুত পৰিছে।
তেতিয়া—,
    হয়তো গোট মাৰি থকা বৰফবোৰ
    গলিবলৈ আৰম্ভ কৰিছে।
গছৰ পাতবোৰ দেখোন—
    সেউজীয়া হৈ উঠিছে,
    মনৰ ৰংবোৰো দেখোন—
    মনোমোহা হৈ পৰিছে:



# "বসন্তৰ নতুন প্ৰভাত"

কিৰণ শইকীয়া
১ম বাৰ্ষিক স্নাতক।

তেতিয়া—,
    সোণোৱালী কিৰণত
    পদূলিৰ বাগিচাৰ ফুলবোৰেও
    কিবা এক অজান ৰূপৰ
    খেলা কৰিছে— ;
    হয়তো, নতুনক আদৰিছে।
কিন্ কিন্ বৰষুণ হৈ যেন
    বসন্তৰ ঢল নামিছে,
তেতিয়া—,
    নতুনৰ আহ্বানত—
    গোলাপী প্ৰভাতে যেন
    শীতৰ সেমেকা প্ৰভাতৰ
    শেতাঁ পৰা পুৰণিৰ ছবিখনি
    বিদায় দিছে !
এয়া বসন্তৰ আগমন।
    প্ৰকৃতিৰ উন্মুক্ত কোলাত—
    হাঁহি নাচি খেলা কৰা
    গোলাপী প্ৰভাত।
এয়া এটি উজ্জ্বল প্ৰভাত
    সেউজীয়া ঘাঁহনি ডৰাত—
    পৰি আছে—
    বসন্তৰ বিন্দু বিন্দু নিয়ৰৰ টোপাল।
এয়া এটি—
    বসন্তৰ গোলাপী ৰঙৰ
    নতুন প্ৰভাত ॥

# মোৰ কবিতা

সত্যৱতী কলিতা
১ম বাৰ্ষিক প্ৰাক্‌বিশ্ববিদ্যালয় ।

সেইটো কি ?
পিশাচ—
এটি মানৱৰূপী পিশাচ ।
ৰঙা ৰটলৰ নিচা তাৰগাত
মলিয়ন আভৰণ আৰু তাৰ অসংযত কেশ
কণ্টকৰূপে ৰৈ আছে
মোৰ জীৱন পথত ॥



# অনুভৱেৰে

শ্ৰীমীৰা শৰ্ম্মা
প্ৰাক্তন ছাত্ৰী ।

(এক)

কাগুন যেতিয়া আহিছিল
গুৰুৱে কৈছিল—
আগবাঢ়ি যোৱা—
পোহৰ আছে নিচেই কাষত—
এতিয়া শীতৰ শেষত
শুকান পাতৰ মৰ্ম্মৰ ধ্বনি
সমুখত গুৰুৰ দুটি খোজ
আৰু মোৰ জৰ্জ্জৰিত অতীত ।

(দুই)

এজন পুত্ৰৰ মৃত্যুত ক্ৰোধান্বিত ঘৃণীত—
দৃষ্টিৰে মোলৈ চাই আয়ে কৈছিল
প্ৰতিশোধ লব নোৱাৰ কাপুৰুষ ?
বুকুৰ তপত তেজ এটোপালেৰে
আইৰ চৰণ ধুৱাই দি কৈছিলো
"ৰক্তেৰে ৰঞ্জিত কৰিম তোমাৰ চৰণ"



# ॥ পুৰুষ আৰু প্ৰকৃতি ॥

শ্ৰীঅনিমা তালুকদাৰ
১ম বাৰ্ষিক স্নাতক ।

তুমি প্ৰকৃতি; মই পুৰুষ ।
বিশ্বৰ বুকুত আমি পাতিম সাম্ৰাজ্য
বাহুত আমাৰ বল ।
কিহলৈ ভয় ?
ধনেৰে অশ্বমেধ পাতি ধৰাৰ বুকুত,
চক্ৰৱৰ্ত্তী ৰজা হৈ নিখিল বিশ্বত,
দুৰ্ব্বলীক কৰিম শোষণ ।
আমি কাক সুধিম ??
মই আদাম; তুমি ঈভ !
জ্ঞান—বৃক্ষৰ ফল খাই
পালোহি মৰত ।
চলে-বলে-কৌশলে বৰ কাম কৰি
স্থান লম জোনালী নভত
মৃত্যুৰ পাছত ॥
শুনা বিশ্ব সুন্দৰ !
বাহুৰ বলেৰে আমি নাপাতো সাম্ৰাজ্য
অথিৰ-অবিৰ আমাৰ বাহুৰ বল;
পাপলৈ কৰিবা ভয় ।
অহিংসাৰ পাতি অশ্বমেধ
মৰম চেনেহেৰে সবাকে ডুবাম,
শান্তক পালন আৰু দুষ্টক দমন কৰা
আমাৰ কৰ্ত্তব্য ;
আমি ধৰ্ম্মক সুধিম ।
আমিয়ে বিশ্বৰ প্ৰথম মানৱ-মানৱী ।
মানৱ সেৱাই আমাৰ লক্ষ্য ।
মানৱ সেৱাৰে আমি এই মৰতত
সিঁচি সিঁচি থৈ যাম মৰমৰ বীজ
তাৰেই অঙ্কুৰ মেলি হব এক বৃক্ষ
ডাল ভৰি ফল ধৰি হব জাতিষ্কাৰ
বিশ্বপ্ৰেম হব সেই ফল ।

# অনুভূতি

শ্রীঅতুল কলিতা
১ম বাৰ্ষিক প্রাক্‌বিশ্ববিদ্যালয়।

স্বপ্ন বিভোৰতাত ভুলি গলো
হেৰাই গল মোৰ জীৱনৰ ছন্দ
কল্পনাৰ ৰঙীন দোলনাত
অসম্ভৱ জন্ম কবিতাৰ।
অনুপযুক্ততা বাৰ্থতাৰ দানেৰে
পলায়নবাদী মনটোত
হতাশাৰ বোজা লই
সময়ৰ সুৰুঙাই দি
যাত্রা মোৰ অন্ধকাৰ গহবৰলৈ
আশাহীনতাৰ আৰেঁ আৰেঁ॥
স্মৃতিবোৰ মোৰ
বেদনাৰে তিক্ত গৰলযুক্ত
পান কৰি তাকে নিমগ্ন
বিভোল মই নীলকণ্ঠ
হেৰাই গ'ল মোৰ অলকানন্দ।

# মোৰ কবিতা

এ. হাফিজ (নেজৰুল)
২য় বাৰ্ষিক প্রাকবিশ্ববিদ্যালয়।

মই ক্রুদ্ধ
চৰম পৰাজয়ত
কালৰ জাঁজীত
উটি আছো
ক্লান্তিৰ মহাচক্রত।
মই জানো
....নিশ্চয় মোৰ আয়ে
কৰিছিল কত আশা
মোৰ এই মুখনিলৈ চায়
এই জাঁজীত মোৰ
ক্লান্তিৰ অৱসানৰ
কতনা হিয়াভঙা আশা
সেয়ে মই ভাবো
মহম্মদ, মহাত্মা, যীশু, টলষ্টয় আজি
ইয়াত আৰু নাই
ওৱালৰ গাত লাগি
আমালৈ চাই
মহাবাণী আৰু কৰা নাই।



# ॥ কাৰ তেজ মোৰ দৰে ॥

এম, চুলেমান আলী
প্রাক্তন ছাত্র।

মোৰ এজন বন্ধুৰ আৱশ্যক
যাৰ তেজ মোৰ দৰে,
যাক মই অলঙ্কাৰ হিচাবে
আকোৱালী লব পাৰো।
কোৱানা বন্ধু! কাৰ তেজ মোৰ দৰে ?
আহমেদে যি দৰে প্রবঞ্চনা কৰিলে
তুমিও কৰিবানে বন্ধু ?
গভীৰ চিন্তাই মানুহক পাগল
নাইবা মহান কৰে
কিন্তু তোমাৰ চিন্তাই মোক কি কৰিব
মই যে অজ্ঞাত।
দুমুৰা জুই ফুৰাই কি লাভ ?
(কেৱল আঙুঠাৰ উত্তাপত মুখাবয়ব ৰঙা হব)
এইটো তোমাৰ জ্ঞাতাৰ্থে জনালো:
মই পূৰ্বতে মৰিছো
কেৱল জীয়াই আছো
জীৱনৰ বাবে— হয়নে ?
নহয় বন্ধু, এজন বন্ধুৰ বাবে—
যাৰ তেজ মোৰ দৰে।

# স্থিতি

শ্রীবিজুলী চক্রৱৰ্ত্তী
২য় বাৰ্ষিক প্রাক্ বিশ্ববিদ্যালয়।

প্রভাতী সূৰ্য্যৰ দৰে তেওঁ আহিছিল
আৰু নিজে এক ইতিহাস হৈ
গুচি গ'ল কাক কন্দুৱাই
'তোমালোকে কি বুজিবা'......
তেওঁ দিয়া চিকচিকিয়া ধাৰাল কাচিখন
এতিয়াও আছে মোৰ সুদৃঢ় হাতৰ মুঠিত।



# মৌন অভিসাৰ

শ্ৰীমাখনী পাঠক
২য় বাৰ্ষিক প্ৰাঃ বিঃ ।

তোমাৰ হাঁহি এটি যেন মিঠা কবিতা—
জোন আৰু জোনাল্লীৰ মৌন নীৰৱতা
তোমাৰ চাৱনিত ফুলে মধুৰ ব্যাকুলতা ।
শেৱালিৰ স্বপ্নময় এযুৰি নয়নত
কঁপি উঠে আবেগ আকুলতা ;
আৰু দীপালীৰ কমনীয় মধুৰতা ॥
ভাৰৰ কপৌফুলৰ সুবাস নিগৰিছে
মায়াৰ দুপাহি ফুল ফুলি যে উঠিছে—
যেন দুখনি সুতি মিলিছেহি এখনি নদীত ;
তুমি মেঘৰ মায়াৰ মিঠা শেৱালি
হাঁহি হাঁহি সকলোকে ধৰিছা আৱৰি ;
কোমল কোমল সুবাস পৰিছে নিগৰি ॥
লাহি এটি দেহ, স্বপ্নময় সাথঁৰ
প্ৰকৃতিৰ শুৱদি সুৰৰ শুনো সুন্দৰ ঝঙ্কাৰ
মধুৰ মহিমা ভৰা এয়া যে নিশাৰ অভিসাৰ ।





প্ৰবন্ধ শৰাই 00

# "জনগণৰ মঞ্চৰ পৰা"

শ্ৰীঅনন্ত কুমাৰ ডেকা
২য় বাৰ্ষিক স্নাতক ।

মাৰ্ক্সে' "ক্ৰিটিক্ অৱ পলিটিকেল ইকনমি" গ্ৰন্থত লিখিছে "জীৱন নিৰ্ব্বাহৰ আহিলা সমূহ সামাজিক ভাৱে উৎপাদন কৰিবলৈ যাওঁতে মানুহে নিজৰ ইচ্ছাৰ দ্বাৰা অনিয়ন্ত্ৰিত নিৰ্দ্দিষ্ট আৰু আৱশ্যকীয় কিছুমান সম্পৰ্ক গঢ়ি তোলে। এই উৎপাদনৰ সম্পৰ্কবোৰৰ লগত উৎপাদনৰ অৰ্থে মানুহে ব্যৱহাৰ কৰা ভৌতিক শক্তি সমূহে (হাতিয়াৰ আদি) সম্বন্ধ ৰক্ষা কৰি চলে। এই সম্পৰ্কবোৰৰ সমষ্টিয়েই সমাজৰ অৰ্থনৈতিক ব্যৱস্থা গঢ়ে। এয়ে হ'ল প্ৰকৃত আধাৰ; ইয়াৰ ওপৰতে আইন গত আৰু ৰাজনৈতিক উৰ্দ্ধ গাঁথনি (Super structure) থিয় হয় আৰু এই উৰ্দ্ধ গাঁথনিৰ সেতে তাল ৰাখি সামাজিক চেতনাৰ নিৰ্দ্দিষ্ট ৰূপে দেখা দিয়ে। জীৱন নিৰ্ব্বাহৰ ভৌতিক আহিলা উৎপাদনৰ প্ৰণালীয়েই মানুহৰ সামাজিক, ৰাজনৈতিক আৰু বৌদ্ধিক জীৱনৰ প্ৰবন্ধ নিয়ন্ত্ৰিত কৰে। মানৱ চেতনাই মানুহৰ অৱস্থিতি নিৰ্ণয় নকৰে; বৰং ওলোটাহে সচাঁ, অৰ্থাৎ মানুহৰ সামাজিক অৱস্থিতিয়ে মানৱ চেতনা নিৰ্ণয় কৰে।"

শ্ৰমজীৱি জনগনৰ মুক্তিয়েই সমাজত চলমান শোষণৰ ভিত্তি ভাঙিব পাৰে। মেহনতী জনগণৰ জীৱনৰ সমস্যাৰ লগত সামাজিক বিপ্লৱৰ বীজ নিহিত থাকে। স্থান্ধৰ্ম্মী চিন্তাক আওকাণ কৰি আমি ছাত্ৰ সকলেও নিজকে শ্ৰম জীৱি জনতাৰ জীৱনৰ সমস্যাৰ লগত চামিল কৰি দিয়া প্ৰয়োজন। প্ৰথমে ভঙাৰ কথা আছে আৰু তাৰ পিছত সৃষ্টিৰ – এইয়ে Negation of Negation ৰ মূল তত্ব কথা। জোৰা তাপলি মাৰি আৰু এই ব্যৱস্থাক টিকাই ৰখা সম্ভৱ নহয়। পঁচি উৱলি যাব ধৰা ভেটিটোতে ই নতুনৰ জন্ম হব। এইটো ঠিক যে প্ৰগতিশীল শ্ৰেণী চৰিত্ৰ যাৰ আছে সিহে এই ক্ষেত্ৰত আশাবাদী হব পাৰিব আৰু গভীৰ আত্ম প্ৰত্যয়েৰে, দৃঢ়তাৰে এই ভঙা গঢ়া কামত আগ বাঢ়িব পাৰিব। ভাৰতীয় জনমানসত তীব্ৰভাৱে ঠেকা খাই থকা চেতনা হ'ল এই যে ভাৰতবৰ্ষত মূল গাঁথনিত সঙ্কটে দেখা দিছে। অৰ্থাৎ অৰ্থনৈতিক সঙ্কটত শ্ৰম জীৱি জনগণ আকণ্ঠ নিমজ্জিত হৈছে। ক্ষয়িষ্ণু মধ্যবিত্ত শ্ৰেণীৰ

অৱস্থা ক্ৰমাগত ভাৱে বেয়াৰ ফালে ঢাল খাইছে। একচেটিয়া পুঁজিবাদী, শোষণৰ তীব্ৰতা বৃদ্ধি পাইছে। অন্যহাতে এয়া সাম্ৰজ্যবাদী গোষ্ঠীৰ শোষণত ভাৰত ক্লিষ্ট। অৰ্দ্ধ সামন্তবাদী শোষণো আছে। শ্ৰমজীৱি জনগণৰ ৰক্ত-মাংস এই শোষণ প্ৰক্ৰিয়াই চুহি নিছে!

৪৭'ৰ স্বাধীনতা যে ক্ষমতা হস্তান্তৰৰ এক বিৰাট প্ৰহসন আছিল তাক আজি বহলাই কোৱাৰ প্ৰয়োজন নাই। মানৱীয় মৰ্য্যাদা ক্ষুণ্ণ হৈছে পুঁজিৰ দ্বাৰা, শ্ৰমৰ নিৰাপত্তা নাই। মনুষ্যত্বৰ বিকাশৰ সুযোগ নাই। উৎপাদন সম্পৰ্কত দেখা দিয়া বিৰোধে উৎপাদন শক্তিৰ বিকাশত বাধা দিছে যাৰ ফলত দেশৰ অৰ্থনৈতিক জীৱনত স্থবিৰতাই দেখা দিছে। পুঁজিবাদী উৎপাদন ব্যৱস্থাৰ চৰমতম দুৰ্ব্বলতা মন্দাস্ফীতিয়ে (Stagflation) উৎকট ৰূপ ধাৰণ কৰিছে। মন্দাস্ফীতিৰ অৰ্থ হ'ল একেধাৰে একালে উৎপাদন হ্ৰাস আৰু অন্যফালে পণ্য দ্ৰব্যৰ মূল্য বৃদ্ধি। উৎপাদন হ্ৰাস হোৱাৰ প্ৰধানতম কাৰণ হ'ল সক্ৰিয় চাহিদাৰ অভাৱ (Luck of effection demond.) এতিয়া মৌলিক প্ৰশ্ন হ'ল সক্ৰিয় চাহিদাৰ অভাৱ হয় কিয়? ইয়াৰ পোনপটীয়া উত্তৰ হ'ল— নিৰৱচিন্ন ভাৱে চলা শোষণৰ প্ৰক্ৰিয়াই মেহনতী জনগণৰ মুঠিৰ পৰা ক্ৰয়শক্তি কাঢ়ি নি মুষ্টি-মেয় ধনীক শ্ৰেণীৰ হাতত সমস্ত সম্পদ কেন্দ্ৰী-ভূত কৰায়। ইয়াৰ ফল স্বৰূপে ক্ৰয়শক্তিহীন খাটি খোৱা শ্ৰেণীটোৱে জীৱন ধাৰণৰ বাবে



অতীব প্ৰয়োজনীয় বস্তুখনিৰ নিম্নতম চাহিদাও মিটাব নোৱাৰে। এইহেতু পতন ঘটে সক্ৰিয় চাহিদাৰ। সক্ৰিয় চাহিদাৰ পতনে কৰ্ম্মসংস্থানৰ বাট বন্ধ কৰে; কাৰণ উৎপাদন হ্ৰাস কৰিবলগীয়া হয়। অন্য হাতে কিন্তু পুঁজিপতি শ্ৰেণীয়ে মুনাফা সৰ্বাধিক কৰাৰ বাবে দ্ৰব্য মূল্য বৃদ্ধি কৰে। গতিকে অৰ্থ-নৈতিক ব্যৱস্থা গভীৰ সঙ্কটত প্ৰবেশ কৰে। এনে ভাৱেই উৎপাদন সম্পৰ্কত দেখা দিয়া বিৰোধে উৎপাদন শক্তিৰ বিকাশত বাধা প্ৰদান কৰে। এই লক্ষণ ভাৰতবৰ্যত আজি পূৰ্ণৰূপে বিদ্যমান।

এটা কথা মন দিবলগীয়া। শোষণৰ ভিত্তি আৰু শোষণৰ প্ৰক্ৰিয়া বন্ধ নকৰি কেৱল কিছুমান 'ৰেহাই' বা সাময়িক সাহায্য দানৰ দ্বাৰা মেহনতী জনগণক উত্তোলন কৰিব পৰা নাযাব, আমাৰ বহুতৰে এনে ধাৰণা আছে যে শোষণ শাসনৰ ধাৰক বাহক সকলেই এই শোষণৰ ভিত্তি শেষ কৰিব আৰু আজি মূল কাঠামোত বিৰাজ কৰা পৰ্ব্বত প্ৰমাণ অৰ্থনৈতিক বৈষমাৰ বিলোপ সাধন কৰি সামাজিক আৰু অৰ্থনৈতিক বাধাৰ নিৰাময় সাধিব, এই ধাৰণা সম্পূৰ্ণ ৰূপে শোধনবাদী আৰু অবৈজ্ঞানিক ধাৰণা। মেহ-নতী জনগণই শোষণৰ পৰা মুক্তি লাভ ন্যস্ত স্বাৰ্থ আৰু প্ৰতিক্ৰিয়াশীল গোষ্ঠীৰ লগত যুঁজ দিবই লাগিব।

আমি আগলৈ আৰু আগলৈহে খোজ দিব লাগিব। সংখ্যাগত বিপুল পৰিৱৰ্ত্তনে সমাজলৈ গুণগত পৰিৱৰ্ত্তন আনে। উৎপাদনৰ সম্পৰ্কৰ মাজত দেখা দিয়া বিৰোধে উৎপাদন শক্তিৰ বিকাশত বাধা দান কৰিছে। গতিকে সময় চমু চাপি আহিছে। কিন্তু অৰ্থনীতি বাদ (Economism) সৰ্ব্বস্ব চিন্তা ধাৰাৰ পৰা আমি মুক্ত হব লাগিব। এই কাৰণে 'মাৰ্ক্স' কৈছিল যে মজুৰি বৃদ্ধিৰ দাবীত কৰা আন্দোলন— প্ৰকৃতপক্ষে এক প্ৰতিক্ৰিয়াশীল আন্দোলন আমাৰ দাবী হোৱা উচিত মজুৰি দাসত্বৰ অৱসানৰ বাবে; ইয়াৰ কাৰণ হ'ল-মজুৰি বৃদ্ধিৰ দাবীয়ে মজদুৰ শ্ৰেণীৰ স্বাৰ্থ বিৰোধী অৰ্থনৈতিক কাঠামো চলাই ৰখাত সহায় কৰে-আনহাতে মজুৰি দাসত্বৰ অৱ-সানৰ বাবে পুঁজিবাদী অৰ্থনৈতিক গাঁথনিৰ অৱসানৰ প্ৰয়োজন। গতিকে সমাজৰ মূল গাঁথনিৰ পৰিৱৰ্ত্তনৰ কাৰণে আৰু খাটি খোৱা সকলক চূড়ান্ত বিজয়ৰ বাবে সঠিক বিপ্লৱী ৰাজনৈতিক লাইনত কাম কৰিব লাগিব।



মূল গাঁথনিত উদ্ভৱ হোৱা সঙ্কটৰ প্ৰতি-ফলন উৰ্দ্ধ গাঁথনিত পৰিছে, শিক্ষা সঙ্কট অৰ্থনৈতিক সঙ্কটৰ পৰাই অহা চালবেৰ উৰ্দ্ধ গাঁথনিবোৰে ঘৰৰ ভেটি-(basicslreec-ture) টো পঁচি উৱলি যোৱাৰ পৰা ৰক্ষা কৰাৰ কাম কৰে। কিন্তু এইটো ঠিক যে ভেটি যদি পঁচি উৱলি যায় চালবেৰবোৰো ধচা-ধচ খহি পৰিব।

মাৰ্ক্সৰ "এ ক্ৰিটিক, অৱ পলিটিকেল ইকনমি"ত এই ধাৰণাই পৰিস্ফূত হৈছে। আজি ভাৰতবৰ্যত মূল গাঁথনিত দেখা দিয়া সঙ্কট উৰ্দ্ধ গাঁথনি পৰ্য্যন্ত পৰ্য্যবসিত হৈছে। এই কাৰণে উৰ্দ্ধ গাঁথনিত নানা জোৰা তাপলি দি মূল গাঁথনি ধৰি ৰখাৰ বাবে ন্যস্ত স্বাৰ্থৰ মানুহে চেষ্টা কৰিছে, অৰ্থ-নৈতিক কাঠামোক ভিত্তি কৰি অন্যান্য উৰ্দ্ধ গাঁথনি যথা ৰাজনৈতিক, আইনগত, শিক্ষা-গত উৰ্দ্ধ গাঁথনি থিয় দিছে, এই উৰ্দ্ধ গাঁথনি সমূহে মূলাধাৰ অৰ্থনৈতিক ব্যৱস্থাক জীয়াই ৰখাৰ চেষ্টা কৰে। "বিনাৰ্থৰ পুনৰ বিনাৰ্থৰ" নিয়ম অনুযায়ী— গুটিটো পঁচি উৱলি যায় আৰু তাৰ পৰা নতুন গজালি ওলায়। ই এক বৈজ্ঞানিক সিদ্ধান্ত। পঁচি উৱলি যোৱা এখনি সমাজ ব্যৱস্থাৰ পৰা এক উন্নততৰ সমাজ ব্যৱস্থাৰ উৎপত্তি হয় ই এক অভিজ্ঞতা লব্ধ— ঐতিহাসিক সত্য, উদাহৰণ— আদিম সাম্যবাদী সমাজ ব্যৱস্থাৰ পৰা উন্নততৰ সমাজ ব্যৱস্থা দাস সমাজ ব্যৱস্থাৰ উন্মেষ দাস সমাজ ব্যৱস্থাৰ পৰা সামন্তবাদী সমাজ ব্যৱস্থাৰ উন্মেষ ইত্যাদি।

সঠিক বিপ্লৱী লাইনত কাম কৰাৰ লগে লগে আমি সংগ্ৰাম চলাই যাব লাগিব নৈৰাশ্যবাদী (Nihilism) ধ্যান ধাৰণাৰ বিপৰীতে। সামাজিক জীৱনত দেখা দিয়া অৰ্থনৈতিক সঙ্কটে চামে চামে মানুহক হতাশা-গ্ৰস্থ আৰু দুৰ্দ্দশা গ্ৰস্থ কৰি তোলে স্বাভা-ৱিকতে। প্ৰকৃত বিপ্লৱীতত্বৰ অভাৱত আৰু সমস্যা সমাধানৰ প্ৰকৃত বৈজ্ঞানিক পথ নেপাই বহুজন হতাশাগ্ৰস্ত হোৱা আচৰিত নহয়। বেকাৰ সমস্যাত জৰ্জ্জৰিত হতাশাগ্ৰস্ত যুৱকসকল নৈৰাশ্যত ডুব যোৱা আচৰিত কথা নহয়, তাতে "জন্মান্তৰবাদ"ৰ নিচিনা কিছুমান অলীক অধিবিদ্যা সুলভ ধাৰাই এই সকলৰ চিন্তা চৰ্চ্চাক পঙ্গু আৰু অবৈজ্ঞানিক কৰি ৰখাৰ বাবে সদায় সচেষ্টহৈ থাকে।

জীৱন বিমুখী বাস্তৱ বিমুখী চিন্তা চৰ্চ্চাই এই অৱস্থাত প্ৰবল হয়। এই নৈৰাজ্যবাদী ধ্যান ধাৰণাৰ লগত যুজ দিয়াৰ বাবে বিপ্লৱী তত্ত্ব আহৰণ কৰা দৰকাৰ আৰু এই হতাশাগ্ৰস্ত লোকসকলক গণতান্ত্ৰিক জীৱন বোধত উন্মনা কৰি গণতান্ত্ৰিক আন্দোলনত আস্থাশীল কৰি তোলা আৰু শ্ৰেণী সংগ্ৰামৰ বাবে লাইনত থিয় কৰোৱা অৱশ্যে কৰ্ত্তব্য।

পাঠ্যক্ৰমৰ ওপৰত নিতৌ নতুন নতুন অভীক্ষা (test) চলোৱা হৈছে যাতে যুৱ ছাত্ৰৰ সমস্যা সমাধান কৰিব পৰা যায়। এইটো যে প্ৰহসন তাক নকৈ কবৰ সকাম নাই। যুৱ ছাত্ৰৰ সমস্যাৰ শ্ৰমজীৱি জনগণৰ সমস্যাৰ লগত অঙ্গাঙ্গী সম্পৰ্ক আছে। পেটত ভাত, থকাৰ উপযুক্ত পৰিৱেশ, পিন্ধা কাপোৰ এই নিম্নতম্ প্ৰয়োজনখিনি মিটাব নোৱাৰাকৈ বৌদ্ধিক বিকাশ কেতিয়াও সম্ভৱপৰ হব নোৱাৰে। গণতান্ত্ৰিক শিক্ষাৰ প্ৰৱৰ্ত্তন প্ৰকৃত পক্ষে গণতান্ত্ৰিক সমাজত হে সম্ভৱ। আজি শিক্ষাৰ ক্ষেত্ৰত থকা বৈষম্য কাৰো অবিদিত নহয়। (ঠেলাৱালা, মুটীয়া, কাৰখানাৰ শ্ৰমিক, ৰিক্সাৱালা, এইবোৰৰ সতি সন্ততিবোৰেও ক, খ শিক্ষাৰ অধিকাৰৰ পৰাই বঞ্চিত। শ্ৰমিকৰ সন্তান জীৱনৰ শিক্ষাৰ অধিকাৰৰ পৰা বঞ্চিত।) আজিৰ শিক্ষা ব্যৱস্থাই পুঁজিবাদী অৰ্থ ব্যৱস্থা ধৰি ৰখাৰ বাবে যিখিনিৰ প্ৰয়োজন সেইখিনিক হে শিক্ষিত কৰাৰ বাবে প্ৰস্তুত। তাকো শিক্ষা সাং কৰাৰ পিছত প্ৰত্যেকেই সংস্থানৰ চিন্তাত ভাগি পৰিব লাগে।



এই সমাজত খাটি খোৱা মানুহৰ প্ৰতি এটা কথা চাফ চাফ কব পাৰি— বেচিকৈ শ্ৰম কৰি যিয়ে জীৱন ধাৰণৰ বাবে নীচক সংগ্ৰামত ব্ৰতী হবলগীয়া হৈছে যিয়ে জীৱন ধাৰণৰ বাবে প্ৰয়োজনীয় নুন্যতম সামগ্ৰী খিনিৰ পৰাও বঞ্চিত হৈছে আৰু যিয়ে উৎপাদনৰ আহিলা কৰায়ত্ত কৰি পুঁজি কেন্দ্ৰীভূত কৰিব পাৰিছে সেইয়ে পৰ জীৱি হৈ (Parasite) জীয়াই থাকিব পাৰিছে। দেশৰ ভৌতিক গতি যিখিনি হৈছে সেই খিনি খাটি খোৱা মানুহ খিনিৰ বাবে সম্ভৱপৰ হৈছে। অথচ তেওঁলোক জীৱনৰ অৰ্থনৈতিক অধিকাৰৰ পৰা বঞ্চিত। এই বঞ্চনা ধনীক শ্ৰেণীৰ ৰাষ্ট্ৰ যন্ত্ৰৰ দ্বাৰা স্বীকৃত ধনীক শ্ৰেণীৰ ৰাষ্ট্ৰযন্ত্ৰৰ স্বৰূপেই হ'ল শাসন আৰু শোষণৰ ভিত্তি বচাই ৰখা। গতিকে খাটি খোৱা মানুহখিনি শ্ৰেণী চেতনাৰ দ্বাৰা উদ্বুদ্ধ হৈ ধনীক শ্ৰেণীৰ ৰাষ্ট্ৰযন্ত্ৰ ভঙাৰ বাবে কাম কৰিব লাগিব। মাৰ্ক্সবাদ লেনিনবাদৰ তত্ত্বত এই কথা স্পষ্ট ভাৱে কোৱা হৈছে যে খাটি খোৱা মানুহখিনিয়ে নিজৰ বাবে এটা প্ৰস্তুত ৰাষ্ট্ৰযন্ত্ৰ পাব নোৱাৰে। তেওঁলোকে এই ৰাষ্ট্ৰযন্ত্ৰ তৈয়াৰ কৰি লব লাগিব। এইটো মনত ৰাখিব লাগিব যে ধনীক শ্ৰেণীৰ ৰাষ্ট্ৰ যন্ত্ৰই কেতিয়াও শ্ৰমিকৰ স্বাৰ্থত কাম নকৰে বৰং ওলোটাহে হয়। ইয়াৰ প্ৰমাণ ৪৭ ৰ পিচত আজি পৰ্য্যন্ত ভাৰতবৰ্ষত শ্ৰমিক কৃষকৰ বাবে একো এটা নোহোৱাটো।

মাৰ্ক্সে কৈছিল— দৰ্শনৰ মূল উদ্দেশ্য জগতৰ বাখ্যা দিয়া নহয়, জগতৰ সলনি



কৰাহে ইতিহাস ভঙা গঢ়াত উৎপাদনকাৰী জনসাধাৰণৰ এৰাব নোৱাৰা ভূমিকা আছে: দ্বান্দিক ভিত্তিত সমাজক জুকিয়াই চালে এই কথা ফট্‌ফটীয়া হৈ পৰে যে সমাজ বিকাশশীল আৰু গতিশীল্। মানুহৰ জীৱনৰ বিকাশৰ কিছুমান স্তৰ থাকে: তদ্ৰুপে সমাজৰ বিকাশৰো স্তৰ আছে। যি কোনো বস্তুৰে বিকাশ হয় দ্বন্দৰ মাজেদি। শ্ৰেণী বিভক্ত সমাজত শ্ৰেণী দ্বন্দ (Class antugonism) থাকিবই। শ্ৰেণী দ্বন্দৰ মাজেদি আহে সমাজৰ বিকাশ। ক্ৰম ওৱেলৰ নেতৃত্বত বুৰ্জ্জোৱা গণতান্ত্ৰিক বিপ্লৱ সাধিত হয় ইংল্যাণ্ডত আৰু তাৰ জৰিয়তে ইংল্যাণ্ডত প্ৰতিষ্ঠিত হয় বুৰ্জ্জোৱা একনায়কত্ব। ফৰাছী বিপ্লৱ অনুৰূপ বুৰ্জ্জোৱা গণতান্ত্ৰিক বিপ্লৱ। এই বুৰ্জ্জোৱা গণতান্ত্ৰিক বিপ্লৱৰ স্বৰূপ এই যে ইয়াৰ জৰিয়তে সামন্ততান্ত্ৰিক সমাজ ব্যৱস্থাৰ বিলোপ সাধন হয় আৰু ৰাষ্ট্ৰযন্ত্ৰ সামন্ত প্ৰভূসকলৰ হাতৰ পৰা ধনতান্ত্ৰিক গোষ্ঠীৰ হাতত পৰে। ধনতান্ত্ৰিক গণতন্ত্ৰত ধনীক সকলৰ একনায়কত্ব চলে।

ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত শোষণৰ ধাৰক বাহক হ'ল্ ৰাষ্ট্ৰযন্ত্ৰ। এই ৰাষ্ট্ৰযন্ত্ৰই ধনীক শ্ৰেণীৰ স্বাৰ্থত কাম কৰে। অথনৈতিক সঙ্কট আৰু তীব্ৰ প্ৰতিযোগিতাত মধ্যবিত্ত পৰিয়ালবোৰৰ স্বাস্থ্য ক্ৰমগত ভাৱে ভাগি পৰিব ধৰে আৰু এক শ্ৰেণী বৃহৎ পুঁজিপতিৰ সৃষ্টি হয়। একছেতীয়া পুঁজিবাদৰ বিকাশৰ লগে লগে শোষণৰ তীব্ৰতা বৃদ্ধি পায়। মুষ্টিমেয় কেইটামান পুঁজিপতিয়ে দেশৰ সমস্ত অৰ্থনীতি নিমন্ত্ৰণ কৰে। পুঁজি যিমানেই বেছি কেন্দ্ৰীভূত হয় সিমানেই সৰু সৰু কাৰবাৰীবোৰ, সৰু সৰু উদ্যোগবোৰ টিকি থকা অসম্ভৱ হৈ পৰে। দেশৰ সমগ্ৰ বজাৰ নিয়ন্ত্ৰণ কৰাৰ পিছত এই একচেতীয়া পুঁজিপতিবোৰে শোষণৰ বাঘ নখ বিদেশী দুৰ্ব্বল ৰাষ্ট্ৰ সমূহত বহুৱাই। একচেতীয়া পুঁজিপতি সমূহে নিজৰ দেশত শোষণৰ দ্বাৰা আহৰণ কৰা ফচললৈ আৰু সন্তুষ্ট থাকিব নোৱাৰা হয়। আনহাতে শোষণ ক্লিষ্ট সমাজ এখনত সক্ৰিয় চাহিদাৰ পতন ঘটে যাৰ ফলত অৰ্থনীতি স্থবিৰ অৱস্থা পায়। এনে এক পৰিস্থিতিত একচেতীয়া পুঁজিপতিবোৰে বজাৰ বিচাৰি ওলায়। লেনিনে কৈছিল – সাম্ৰাজ্যবাদ হ'ল ধনতন্ত্ৰৰ বিকাশৰ চূড়ান্ত স্তৰ।



ধনতান্ত্ৰিক সমাজ ব্যৱস্থাত সম্পত্তিৰ ব্যক্তিগত মালিকানা স্বত্ব পূৰ্ণ মাত্ৰাই থাকে। সম্পত্তি সংৰক্ষণৰ এই অধিকাৰেই শোষণৰ অধিকাৰ সাব্যস্ত কৰে। এই ব্যৱস্থাত জন্মলগ্নৰ পৰাই কিছুমানৰ হাত-ভৰি বন্ধা অৱস্থাত থাকে। কাৰণ বিত্তহীন পৰিয়ালত জন্মা সন্তান এটাই স্বাভাৱিকতে শৈশৱৰে পৰা জীয়াই থকাৰ নীচক সংগ্ৰামত নামি পৰিবলগীয়া হয় আৰু তেওঁ জীৱনৰ মানৱীয় মূল্যবোধৰ প্ৰতি আওকাণ কৰিবলগীয়া হয়। ভাত-কাপোৰৰ সমস্যাৰ মাজত বুৰগৈ থাকোতেই তেওঁ বহুত মানৱীয় প্ৰমূল্যৰ লগত (human values) চিনাকি হোৱাৰ পৰা আঁতৰত থাকিবলগীয়া হয়। একে সময়তে অন্য এক সন্তান যি বিত্তবান পৰিয়ালত জন্ম

গ্ৰহণ কৰে তেওঁ উত্তৰাধিকাৰ সূত্ৰে বহু সা-সুবিধা পাব আৰু এই সা-সুবিধাৰ জোৰতে তেওঁ নিজৰ দৈহিক আৰু বৌদ্ধিক জীৱনক বহু পৰিমাণে ওপৰলৈ তুলি নিব পাৰে। গতিকে ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ দ্বাৰা মানুহৰ যুক্তিক বাস্তৱ ৰূপ দিয়া দৰকাৰ।

ব্যক্তিগত সম্পত্তিৰ বিলোপ সাধনৰ অৰ্থ হ'ল উৎপাদনৰ আহিলা আৰু উপায় সমূহৰ ওপৰত সামাজিক অধিকাৰ সাব্যস্ত কৰা। এই সমাজ ব্যৱস্থাই হ'ল সমাজ-তান্ত্ৰিক সমাজ ব্যৱস্থা। ইয়াৰ উন্নত চাপ হ'ল সাম্যবাদ, এতিয়া কথা হ'ল সমাজ-তন্ত্ৰই এনে এক সমাজ ব্যৱস্থা য'ত শোষণৰ ভিত্তি উচ্ছেদিত হব, শ্ৰমৰ মুক্তি হব— শ্ৰমজীৱি জনসাধাৰণৰ গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত হব। দেখা গ'ল ভাৰতবৰ্ষত এতিয়া যি গণতন্ত্ৰ চলি আছে সি কেৱল ধনীক শ্ৰেণীৰ গণতন্ত্ৰ। ইয়াত কোনোবাই সোণৰ চামুচ মুখতলৈ জন্মিছে আৰু জীৱনৰ বিকাশৰ কাৰণে অপৰ্য্যাপ্ত সা-সুবিধা পাইছে (এনে লোকৰ সংখ্যা মুষ্টিমেয়) আনহাতে কৌটি কৌটি শ্ৰমজীৱি জনগণৰ সন্তানে জনম লগ্নৰ পৰাই পেটৰ ভাত আৰু গাৰ কাপোৰৰ বাবে কঠোৰ বাস্তৱৰ মুখা-মুখী হবলগীয়া হৈছে। ইয়াৰ গুৰি কথা হ'ল পুঁজিবাদী, অৰ্দ্ধ সামন্তবাদী আৰু সাম্ৰজ্যবাদী অৰ্থনৈতিক শোষণত ক্লিষ্ট এক সমাজ ব্যৱস্থা।

ইতিহাস অধ্যয়নৰ পৰা এই কথা স্পষ্ট ৰূপে বুজা যায় যে কোনো সুবিধা ভোগী শ্ৰেণীয়ে নিজে নিজৰ সুবিধা এৰি নিদিয়ে। সেই বাবে শ্ৰমজীৱি জনগণ শ্ৰেণী সংগ্ৰামত আস্থাশীল হব লাগিব, কেৱল শ্ৰেণী সংগ্ৰামত আস্থাশীল হলেই নহব ৰাষ্ট্ৰযন্ত্ৰ দখল কৰাৰ পিছত সৰ্ব্বহাৰাৰ একনায়কত্ব প্ৰতিষ্ঠা কৰিব লাগিব, নহলে প্ৰতিক্ৰিয়াশীল গোষ্ঠীৰ পাকচক্ৰত সংগ্ৰাম বিপথে পৰিচালিত হোৱাৰ সম্ভৱনা থাকে। "মাক্স'ৰ পৰা মাওচেটুং'লৈ বোলা কিতাপখনত জৰ্জ্জ টমচনে এই ধাৰণাৰ বহল ব্যাখ্য কৰিছে। এজন প্ৰকৃত বিপ্লৱী "শ্ৰেণী সংগ্ৰাম আৰু সৰ্ব্বহাৰাৰ একনায়কত্ববাদ" এই দুয়োটা কথাতেই সমানেই আস্থাশীল হব লাগিব; নহলে এখন সাধাৰণ পেটি বুৰ্জ্জোৱা বা বুৰ্জ্জোৱাৰ বিপ্লৱী ভাবা লুতাৰ লগত তেওঁৰ ধ্যান ধাৰণাৰ কোনো পাৰ্থক্য নাথাকিব। আজিৰ অৰ্থনৈতিক বিপৰ্য্যয় আৰু সঙ্কটৰ পৰা শোষিত বঞ্চিত জনগণক উদ্ধাৰ কৰিবলৈ হলে বৈজ্ঞানিক সমাজতন্ত্ৰ প্ৰতিষ্ঠা কৰা অৱশ্যে কৰ্ত্তব্য। ইতিহাসৰ অভিজ্ঞতাৰ পৰাই আমি এই কথা বুজো যে বিপ্লৱ অপৰি-হাৰ্য্য পৰিবৰ্ত্তনে গুণতত পৰিবৰ্ত্তন আনিবই। আজিৰ স্তৰৰ পৰা সমাজক এটা স্তৰ আগুৱাই নিবই লাগিব। এই পৰিবৰ্ত্তনৰ লগত শ্ৰমজীৱি জনগণৰ স্বাৰ্থ গভীৰভাৱে সাঙোৰ খাই আছে। গতিকে শ্ৰমজীৱি জনগণ বিপ্লৱী দৰ্শনৰ লগত পৰিচিত হোৱা দৰকাৰ।

মাক্স'বাদ লেলিনবাদ— সৰ্ব্বহাৰাৰ মতবাদ। এই আদৰ্শত আজি পৃথিৱীৰ এক তৃতীয়াংশ মানুহ চলিছে। সমাজতান্ত্ৰিক





...নিবিৰত ভোক পিয়াহৰ বিপৰীতে সঙ্ঘবদ্ধ ...ৱে সংগ্ৰাম চলে। সমাজতন্ত্ৰত কাম অনুযায়ী দাম পায় আনহাতে সাম্যবাদত সামৰ্থ অনুযায়ী কাম আৰু প্ৰয়োজন অনুযায়ী দাম এই নীতি চলে।

অৰ্থনীতি পুঁজিবাদী অৰ্থব্যৱস্থাত গভীৰ সঙ্কটত প্ৰৱেশ কৰে আৰু স্থবিৰতাৰ পৰা অৰ্থনীতিক মুক্ত কৰিবলৈ হলেও সমাজতান্ত্ৰিক সমাজ ব্যৱস্থা প্ৰতিষ্ঠা কৰাৰ প্ৰয়োজন।

এই সমস্ত বিপ্লৱী কাম-কাজ চলাই নিয়াত আমাক প্ৰয়োজন হব এটা 'নিউক্লিয়াচ'ৰ আৰু নিঃসন্দেহে এই 'নিউক্লিয়াচ' হব বিপ্লৱী পাটি। জগতক সলনি কৰাৰ কাৰণে শ্ৰম-জীৱি জনগণক বঞ্চনা-লাঞ্চনাৰ পৰা মুক্ত কৰাৰ কাৰণে খাটি খোৱা মানুহখিনিৰ লগত শ্ৰমজীৱি জনগণৰ সন্তান ছাত্ৰসকল সহযোগী শক্তিৰূপে থাকিবই লাগিব। ব্ৰেখ্টে শ্ৰম-জীৱি জনগণৰ উদ্দেশ্যে লিখিছে :

'এই পথটোৱে ঠিক, সকলোৱে বুজে। সহজ. ডা-ডাঙৰীয়া নোহোৱা যদি ঠিকেই বুজিবা, এয়েই তোমাৰ ভাল ঘটনাটো জানাই, দুষ্টই ইয়াক দুষ্টামি কয়, মুৰ্খই কয় মুৰ্খামী এনেকৈয়ে নষ্ট হব দুষ্টামি, মুৰ্খামী ডা-ডাঙৰীয়াই ইয়াকে কয় দুস্কৃতি আমি জানো— '.

এনেকৈয়ে দুস্কৃতিৰ হব অৱসান।
বলীয়ালি নহয়,
এনেকৈয়ে বলীয়ালিৰ হব অৱসান।
সমস্যা নহয়,
এয়েই হ'ল শৃঙ্খলা।
সহজ, তেনেই সহজ—
কঠিন মাথোঁ ঘটনাটো ৰূপ দিয়াৰ দায়িত্ব।

ইন্‌কিলাব
জিন্দাবাদ।



# সাময়িক চিন্তাঃ

শ্ৰীঅমৰেন্দ্ৰ শৰ্ম্মা
অধ্যাপক

ভাৰতত থকা প্ৰযুক্তিবিদ্যাৰ সৰ্ব্বোৎকৃষ্ট শিক্ষানুষ্ঠান (I I T) সমূহৰ পৰা বছৰি বহু সংখ্যক ইঞ্জিনীয়াৰ আৰু প্ৰযুক্তিবিদ বিদেশলৈ যায় আৰু তেওঁলোকৰ প্ৰায় সৰহ সংখ্যকেই বিদেশতে থাকি যায়। বিশেষ মন কৰিবলগীয়া কথা এইখিনিতে যে বিদেশলৈ গমন কৰি বিদেশী নাগৰিকত্ব গ্ৰহণ কৰা প্ৰযুক্তিবিদ সকল আমাৰ দেশীয় শিক্ষানুষ্ঠানত শিক্ষাপ্ৰাপ্ত অতি উচ্চমান বিশিষ্ট টেক্‌নিচিয়ান। নতুন দিল্লীত থকা Institute of Applied Man Power Research ৰ এটা সমীক্ষাত কোৱা হৈছে ভাৰতৰ I I T সমূহৰ পৰা যোগ্যতাৰে স্নাতক ডিগ্ৰী লাভ কৰা শতকৰা ১৫.৬ জন ছাত্ৰই বছৰি বিদেশলৈ যায়। এনে ধৰণে হোৱা 'ব্ৰেইন ড্ৰেইন' অনবধাৰিত ভাৱে চলি আছে আৰু সম্প্ৰতি ই এটা জাতীয় সমস্যাৰ লেখীয়া হৈছে।

আপাত দৃষ্টিত সৰহভাগ ক্ষেত্ৰতে বিদেশলৈ যোৱাৰ অন্তৰ্নিহিত উদ্দেশ্য এটা উচ্চ শিক্ষা আহৰণ। কিন্তু দেখা গৈছে যে উচ্চ শিক্ষাৰ অন্তত বেচিভাগ প্ৰযুক্তিবিদে বিদেশী নাগৰিকত্ব গ্ৰহণ কৰি চাকৰিৰ সন্ধানত বিদেশী ৰাষ্ট্ৰতে থাকি যায়। এই ব্ৰেইন ড্ৰেইনৰ আন এটা গুৰুত্বপূৰ্ণ দিশ হৈছে এয়ে যে প্ৰথম বিভাগত উত্তীৰ্ণ হোৱা শতকৰা ৮৪.৬ জন স্নাতক ভাৰতত নাথাকে।

এতিয়া প্ৰশ্ন হৈছে এই ব্ৰেইন ড্ৰেইনৰ উৎস কত? প্ৰযুক্তিবিদসকল কিয় ভাৰতত থাকিবলৈ অনিচ্ছুক? ভাৰতত কাৰিকৰী জ্ঞানৰ চাহিদা পূৰণ হৈ গৈছে নেকি?



আমাৰ চৰকাৰে এই লোকসকলক যথোপযুক্ত সা-সুবিধা দিব পৰা নাই নেকি? নে এই সকল লোক বিদেশী ৰাষ্ট্ৰৰ প্ৰতি মোহান্ধ? ব্ৰেইন ড্ৰেইনৰ প্ৰকৃত কাৰণ যিয়েই নহওঁক কিয় এটা কথা ঠিক- এই বিষয়ত আমাৰ সতৰ্কতা অৱলম্বনৰ সময় আহি পৰিছে। ভাৰতৰ ইঞ্জিনীয়াৰিং আৰু টেক্‌নিকেল শিক্ষানুষ্ঠান সমূহৰ নামত বুজন পৰিমাণৰ চৰকাৰী ধন ব্যয় কৰা হয়। বৃত্তি-জলপানি আদিৰ ক্ষেত্ৰতো মুক্তহস্তে খৰচ কৰা হয়। অন্[illegible]



ৰাজহুৱা ধনৰ ব্যয় সাপেক্ষে প্ৰতিষ্ঠিত এই অনুষ্ঠান সমূহৰ অন্তৰালত আছে কাৰিকৰী দিশত স্বাৱলম্বিতা অৰ্জ্জনৰ আদৰ্শ; বিদেশী ৰাষ্ট্ৰক কাৰিকৰী জ্ঞান সমৃদ্ধ কৰা এই শিক্ষানুষ্ঠান সমূহৰ উদ্দেশ্য নহয়।

বৰ্ত্তমান অৱস্থাত এই প্ৰশ্নলৈ হোৱা জাতীয় চিন্তা-চৰ্চ্চাই এটা কথা স্পষ্ট কৰিছে— যে বহুসংখ্যক বিদেশী প্ৰশিক্ষণ প্ৰাপ্ত ইঞ্জিনীয়াৰ আৰু কাৰিকৰী বিশেষজ্ঞ ভাৰতলৈ উভতি আহিবলৈ ইচ্ছুক। কিন্তু কথা হ'ল— ভাৰতলৈ অহাৰ পিচত নিয়োগ ইত্যাদিৰ ক্ষেত্ৰত হবলগীয়া সম্ভাব্য অনিশ্চয়তা আদি বিষয়ত নিৰপত্তা তেওঁলোকে পাব বিচাৰে। তেওঁলোকৰ দৃষ্টিত যি যি দেশত তেওঁলোক আছে সেই সেই দেশ সমূহত আপেক্ষিক ভাৱে ভাৰতলৈ নিয়োগ নিৰাপত্তা বেচি। আনহাতে, ভাৰতৰ I I T বিলাকৰ শিক্ষাকেই যদিও কাৰিকৰী আৰু প্ৰযুক্তিবিদ্যাৰ দিশত সৰ্ব্বোৎকৃষ্ট বুলি গণ্য কৰা হয়, তথাপি এই অনুষ্ঠান সমূহত শিক্ষাপ্ৰাপ্ত শতকৰা ২.৬ জন স্নাতক বছৰি নিবনুৱা হিচাবে থাকি যায়।

ভাৰতৰ I I T সমূহত শিক্ষাপ্ৰাপ্ত শতকৰা ৪৯ জন স্নাতক বেচৰকাৰী খণ্ডৰ প্ৰতি আকৃষ্ট হয়। ইয়াৰ একমাত্ৰ সম্ভাব্য কাৰণ বুলি কবলৈ গ'লে— উচ্চ হাৰৰ দৰমহা আৰু নিয়োগ চৰ্ত্তাৱলীৰ সা-সুবিধাৰ কথাই কব লাগিব। ইয়াৰ বিপৰীতে শতকৰা ২৭ জন চৰকাৰী বিভাগ সমূহত নিয়োজিত হয়। স্থানীয় আৰু স্বায়ত্ব শাসিত সংস্থা সমূহে ৮.৪ জনক নিযুক্তি দিয়ে আৰু প্ৰায় শতকৰা ১৫ জনে ৰাজহুৱা খণ্ডত নিযুক্তি পায়।

বিদেশলৈ যোৱা I I T স্নাতক সকলৰ শতকৰা ৬০ জন আমেৰিকা যুক্তৰাষ্ট্ৰত, শতকৰা ১৮ জন বৃটেইনত, শতকৰা ১০ জন কানাডাত আৰু শতকৰা ৭ জন পশ্চিম জাৰ্ম্মানীত আছে।

যি সকল উচ্চ শিক্ষিত কাৰিকৰী বিশেষজ্ঞ ইতিমধ্যে বিদেশলৈ গৈছে সেই সকলৰ কথা এৰিলেও, অনবধাৰিত ভাৱে হৈ থকা ব্ৰেইন ড্ৰেইনৰ প্ৰতি আমাৰ চৰকাৰে চোকা দৃষ্টি ৰাখিব লাগে। এনে ধৰণৰ এটা এজেন্সী স্থাপনত গুৰুত্ব দিব লাগে যি এজেন্সীয়ে নিয়োগ চাহিদা আদিলৈ লক্ষ্য ৰাখি চৰকাৰক উপদেশ দিব আক ভাৰত আৰু বিদেশী ৰাষ্ট্ৰৰ ভাৰতীয় কুটনৈতিক মিছনবোৰত এনে ধৰণৰ শিক্ষিত প্ৰযুক্তিবিদৰ গতিবিধিৰ ওপৰত লক্ষ্য ৰাখিব। Council of Scientific and Industrial Research ৰ অধীনস্থ Scientists' pool এ যদিও এই দিশত কাম কৰি আছে, তথাপি এটা স্বতন্ত্ৰীয়া সংস্থা বেচি কাৰ্য্যকৰী হব। ●●●●



# —"অৰুণা"ৰ পটভূমিত গোস্বামীৰ গল্প—

শ্ৰীনৰেন্দ্ৰ কলিতা
অধ্যাপক।

অসমীয়া সাহিত্যৰ নৱন্যাসৰ কালছোঁৱা অতি গুৰুত্বপূৰ্ণ। এই সময়খিনিতে বিভিন্ন লেখকৰ হাতত অসমীয়া সাহিত্যৰ অপৰূপ বিস্তৃতি ঘটিল। ঊনবিংশ শতাব্দীৰ শেষৰ ফালে পাশ্চাত্য সাহিত্যৰ আৰ্হিলৈ যি অসমীয়া গল্প-সাহিত্যই ঠন ধৰি উঠিল তাৰ ভিতৰত সমাজ-সচেতন মনোভাৱ লৈ সাহিত্য চৰ্চ্চা কৰা গল্পকাৰ সকলৰ ভিতৰত শ্ৰীত্ৰৈলোক্য নাথ গোস্বামী অন্যতম। তেওঁৰ "অৰুণা" নামৰ গল্প সংকলনখনত সন্নিৱিষ্ট হোৱা প্ৰায় কেইটা গল্পতে সেই সময়ৰ অসমীয়া সমাজখনৰ বিভিন্ন প্ৰতিবিম্ব পৰিছে।

অসমীয়া গল্প-সাহিত্যত আৱাহন যুগৰে পৰা শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ যথেষ্ট বৰঙণি আছে। তেওঁৰ প্ৰকাশিত গল্প পুথিৰ ভিতৰত 'অৰুণা', 'মৰীচিকা' আৰু 'শিল্পীৰ জন্ম' — এই তিনিখন এতিয়ালৈকে পোৱা যায়। এই কেইখনত সন্নিবিষ্ট গল্পৰ উপৰিও বিভিন্ন আলোচনীৰ পাতত এওঁৰ গল্প সিচঁৰিত হৈ আছে। গল্প আৰু উপন্যাস অসমীয়া সাহিত্যত বহলভাৱে কথা-সাহিত্য বুলি ধৰা হয়। "বাঁহী", "আৱাহন", 'ৰাম-ধেনু" যুগৰ তথা আধুনিক অসমীয়া চুটি গল্প সমূহ বিশেষকৈ পাশ্চাত্য ভাৱধাৰাৰ দ্বাৰা অনুপ্ৰাণিত হৈ লিখা হৈছে বুলি ক'লে বোধ কৰো অত্যুক্তি কৰা নহয়। গল্প বা চুটি গল্পৰ ক্ষেত্ৰত অসমীয়া সাহিত্যত ৰসৰাজ ৺লক্ষ্মী নাথ বেজবৰুৱাই আগৰণুৱা আছিল যদিও পিছলৈ তেওঁৰ গল্প সমূহৰ ৰচনাশৈলী অসমীয়া সাহিত্যত প্ৰায় অচল হ'ল বুলিয়ে কব পাৰি। বেজবৰুৱাৰ পিছত আৰু তেওঁৰ সমসাময়িক ভাৱেও বহুতো গল্প লেখক অসমীয়া সাহিত্যত ওলাল যিসকলে ইংৰাজী, ফৰাচী আৰু ৰুচ গল্পৰ প্ৰভাৱেৰে অসমীয়া সাহিত্যলৈ' যুগান্তৰ আনিলে। নৰ-নাৰীৰ জীৱন সম্পৰ্কীয়, মনস্তত্ত্ব সম্পৰ্কীয় বিভিন্ন দিশৰ আলোচনা, সামাজিক আৰু অৰ্থনৈতিক সমস্যাৰ জলন্ত প্ৰতিচ্ছবি দিবলৈ অসমীয়া গল্প লেখক সকলে ইচামৰ পিছত সিচাম আগবাঢ়ি আহিল।

সামাজিক আৰু অৰ্থনৈতিক পটভূমিত গল্প লিখিবলৈ বিশেষভাৱে হাতত ল'লে শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীয়ে। প্ৰতিটো যুগৰ বিশিষ্ট প্ৰভাৱবোৰ সমাজে উলাই কৰিব নোৱাৰে নাইবা সাৰ্থক সাহিত্যৰ বুকুত ইয়াৰ প্ৰতিচ্ছবি নপৰাকৈ থাকিব নোৱাৰে ইংৰাজে দেশ শাসন কৰাৰ ফলত স্বাধীনতা হেৰুৱাই বিকলাঙ্গ হোৱা জনসাধাৰণৰ কোনোবা এটি শুভ মূহুৰ্ত্তত নতুন জীৱনবোধ আৰম্ভ হ'ল— স্বাধীনতাৰ সংগ্ৰামেৰে গান্ধীজীৰ নেতৃত্বত এক অভিনৱ প্ৰেৰণা লৈ সমগ্ৰ দেশবাসী জাগি উঠিল। পুৰণি পদ্ধতি আৰু পুৰণি ব্যৱস্থাৰ নতুন মূল্যাঙ্কণ আৰু ফুটাই তুলিলে। মানুহৰ ধ্যান-ধাৰণা সলনি হ'ল। জীৱনক মানুহে নতুন দৃষ্টিৰে চাব শিকিলে। সমুখত আহি পৰা যি কোনো সমস্যাকে সমধানেৰে আঁতৰা-বলৈ জন সমাজত প্ৰয়াস কৰিলে।

পৰাধীন জাতিয়ে স্বাধীনতা বিচৰাৰ লগে লগে পদদলিত আৰু উৎপীড়িত মানুহৰ মাজত আত্ম সন্মানৰ বীজ অঙ্কুৰিত হ'ল। তথা কথিত অস্পৃশ্যলোকক "হৰিজন" নাম দি মানৱতাৰ প্ৰাপ্য সন্মান দিবলৈ গান্ধী-জীৰ নেতৃত্বত এদল মানুহ আগবাঢ়ি আহিল। দৰিদ্ৰ, কৃষক, বনুৱা, নিম্নবিত্ত আৰু মধ্যবিত্ত শ্ৰেণীৰ মাজত আত্ম প্ৰতিষ্ঠা আৰু আৰ্থিক উন্নতিৰ আকাঙ্খা আৰু আন্দোলনে গঢ় ল'লে। এই বিৰাট জাগৰণে প্ৰত্যেক ভাৰতীয়ৰ মন কঁপাই তুলিলে আৰু প্ৰাদেশিক ভাৰতীয় সাহিত্যবোৰত এই কঁপনিৰ ঝঙ্কাৰ বাজি উঠিল। শ্ৰীত্ৰৈলোক্য নাথ গোস্বামীৰ "অৰুণা"ত এই ভাৱধাৰাৰ সবিশেষ প্ৰমাণ আছে। গোস্বামী গল্প লেখক হিচাপে বাস্তৱ জগত আৰু সমাজৰ প্ৰতি সততে সজাগ। সামাজিক অবিচাৰ আৰু অৰ্থনৈতিক দুখ-দৈন্যৰ প্ৰতি তেওঁৰ দৃষ্টি প্ৰসাৰিত হৈছে। মানুহক মানুহ হিচাপে প্ৰাপ্ত সন্মান দিয়াৰ যুক্তি তেওঁ তেওঁৰ বহুতো গল্পত সুন্দৰ ভাৱে প্ৰদৰ্শন কৰিছে। ইয়াৰ দ্বাৰা গোস্বামীয়ে এখন নতুন সমাজ গঢ়িবলৈ চেষ্টা কৰিছে।

"দৰিদ্ৰৰ বিননি" নামৰ গল্পটো অসহযোগ আন্দোলনৰ এজন কৰ্ম্মীৰ দুখৰ চকুলোৰে সেমেকা। নায়কৰ শৰীৰ অসুস্থ। হয়তো আন্দোলনৰ নিৰ্জ্জাতনতে তেনে অৱস্থা প্ৰাপ্ত হৈছে। অভাৱ-অনাটন আৰু অসুখে নায়কৰ চাৰিও পিনৰ পৰিৱেশ আন্ধাৰ আৰু ভয়বহ কৰি তুলিছে। ঐশ্বৰ্য্যশালী ৰাজ-খোৱাৰ ঘৰত ভিক্ষা কৰিবলৈ গৈ চুড়ান্তভাৱে অপমানিত হৈ ওলাই আহিবলগীয়া হৈছিল্। সামাজিক শ্ৰেণী বিভাগ আৰু আৰ্থিক দুৰা-ৱস্থাৰে ভৰা আমাৰ দেশত এনে মানুহ অনেক আছে। স্বাধীনতা সংগ্ৰামত যি সকলে তেজেৰে আৰু প্ৰাণেৰে বৰঙণি দিলে তেওঁ-লোকৰ আহুতি আৰু সেৱাৰ মূল্য দিওঁতা আজি-কালি কোনো নাই। দেশৰ গুৰিয়াল স্বৰূপ এইবোৰ লোক নিঃশেষ আৰু নিশ্চিহ্ন হৈ গৈছে।

"প্ৰতিক্ৰিয়া" নামৰ গল্পটোত ৰঞ্জন

নামৰ এজন দুৰাৰোগ্য কুষ্টৰোগীৰ যন্ত্ৰণাৰ বেদনাদায়ক সুৰ শুনা যায়। সেই করুণ সুৰ কেৱেই নুশুনিলে। মৃত্যুৰ ক্ষণ গণি গণি মুক্তিৰ বাবে অপেক্ষা কৰি থকা ৰঞ্জন এটা অশ্ৰুময় চৰিত্ৰ। অকণমানি সহায় বা সহানুভূতি. এষাৰি মৌ-সনা মিঠা মাত বা অকণমানি অকপট মৰম পোৱা হলে ৰঞ্জনৰ হয়তো মৃত্যু নহ'লহেঁতেন বা কিছু পৰিমাণে তেওঁৰ মৃত্যু সহজ আৰু সহনীয় হৈ পৰিলহেঁতেন। সহায়-সহানুভূতি আৰু অন্তৰৰ কেঁচা মৰমৰ পৰা বঞ্চিত জীৱনৰ এটা করুণ আক্ষেপৰো এই বেদনাসিক্ত আলেখ্য এই গল্পৰ জৰিয়তে লেখকে আগবঢ়াইছে।

"জাৰজ" নামৰ গল্পটিৰ অন্তৰ্নিহিত সুৰটি অতি মৰ্ম্মান্তিক আৰু হৃদয়স্পৰ্শী। সামাজিক ভাৱে জন্ম ন'হল বুলিয়ে একোটা নিৰপৰাধী আত্মাক সমাজে যি হেয় চকুৰে চাই নিদারুণ আঘাট দিয়ে তাৰ প্ৰতিচ্ছবি এই উল্লেখিত গল্পটোত বিৰিঙি উঠিছে। সকলো পৰিৱেশ আৰু সকলোৰে মনস্তত্ত্ব আমাৰ সমাজে চাব জনাহেঁতেন এই পৃথিৱী অবৈধ সন্তানবোৰৰ দুখ বহুতো কমি গ'লহেঁতেন। এনেকুৱা ভালেমান বাস্তৱ জীৱনৰ করুণ ছবি গোস্বামীয়ে "অরুণা"ৰ পাতে পাতে আঁকিছে। আমাৰ সমাজত অকাল বৈধব্যৰ বাবে অমানৱীয়ভাৱে বিধৱাৰ ৰিক্ত ভাগ্যৰ ওপৰত দোষ দিয়া হয়। সামাজিক এই নিয়মৰ আঁৰত যি নিষ্ঠুৰতা লুকাই আছে সি কেৱল অমানৱীয়ই নহয়, পাশৱিকো। আমাৰ সমাজ ব্যৱস্থাত এই ব্যক্তি আৰু সমাজ-জীৱন আৰু নীতি-নিয়মৰ সংঘৰ্ষ গোস্বামীৰ "বিধৱা" "পতিত আৰু পতিতা"ত সুন্দৰভাৱে প্ৰতিফলিত হৈছে। প্ৰাণৰ মমতা কাৰ নাই বাৰু? সেই মমতা থকাৰ কাৰণে অনেক লাঞ্চনা-গঞ্জনা পাইয়ো অঘোৰী ৰতনী গছৰ তলত জীয়াই আছিল। "অরুণা"ৰ প্ৰায়বোৰ গল্পতে দলিত আৰু পীড়িত মানুহৰ জীৱনৰ ছবি অঙ্কিত হৈছে। ৰতন, অঘোৰী ৰতনী, বিধৱা মা'ক আৰু প্ৰমীলা, খাউণ্ডৰ ঘৰৰ পতিতা বিধৱা বোৱাৰীয়েক জাহ্নবী. এই সকলোবোৰ উৎপীড়িত আৰু বেদনাহত মানুহ। আনকি সাধু কথাৰ আহিত লিখা "সুখী ৰাজকুমাৰ" নামৰ গল্পটোত অনাহাৰত মুখ শুকাই যোৱা ল'ৰা-ছোৱালীৰ প্ৰতিহে সহানুভূতি প্ৰকাশ পাইছে।

গোস্বামী নিৰাশাবাদী নহয়। বাস্তৱৰ কৰাল মূৰ্ত্তি দেখিলেও পৰাজয় স্বীকাৰ নকৰি মাজে মাজে তেওঁৰ বিদ্ৰোহী মনে মূৰদাঙি উঠে। ঠায়ে ঠায়ে তেওঁ আশাৰ বাণী শুনাইছে। ৰতনৰ পিতাক কেৰাণী আত্ম প্ৰকাশ কৰাত সমাজত অন্যায় স্বীকৃত হৈছে। কুষ্ঠৰোগী ৰঞ্জনৰ প্ৰতি সমাজে কৰা নিষ্ঠুৰতাৰ প্ৰতিবাদ কৰিবলৈ লেখকে এজন ডেকাক আগবঢ়াই দিছে। সেইজন ডেকাই গোটেই গাৱঁৰ বিরুদ্ধাচৰণ কৰি ৰঞ্জনৰ মৃতদেহ শ্মশানত সৎকাৰ কৰি শেষত নিৰ্দ্দোষী বুলি প্ৰমাণিত হৈছে। "বিধৱা" নামৰ গল্পটোত এজন ডেকাই সমাজৰ বিরুদ্ধে বিদ্ৰোহ ঘোষণা কৰিছে। আনকি গাৱঁৰ মূৰব্বী মণ্ডলৰ পুতেক খগেন্দ্ৰই যোগেনৰ লগলাগি সমাজৰ বিরুদ্ধে গৈ প্ৰমীলাৰ মাকৰ মৃতদেহ সৎকাৰ কৰিছে। মিছা অপবাদত ঘৰৰ পৰা বহিষ্কৃত হোৱা জাহ্নবীয়ে সমাজৰ অনুশাসন দলিয়াই পেলাই সহানুভূতিশীল পূজাৰীক স্বামীৰূপে বৰণ কৰিছে; লগতে মিছা কলঙ্কৰ বোজা বোৱা বাপুৱে বিধৱা জাহ্নবীক বিয়া কৰাই ঘূণে ধৰা সমাজখনক এটা যে প্ৰচণ্ড জোকাৰ দিব খুজিছে। এই গল্পৰ বক্তব্য হ'ল এখন নতুন সমাজ গঠনৰ স্বপ্ন আৰু পুৰণি ৰীতি-নীতিৰ প্ৰতি বিদ্ৰোহ। সমাজৰ এনেবোৰ সমস্যা পাঠক-পাঠিকাৰ আগত গোস্বামীয়ে দাঙি ধৰিয়ে হাত সাৱতি বহি থকা নাই। সেই কাহিনীৰ আবেদনৰ মাজেদি তেনে সমস্যাবোৰৰ প্ৰতিকাৰৰ আকাঙ্খাও লেখকে কৰিছে। প্ৰয়োজন হলে তেনে সমস্যাৰ বাবে পাঠক-পাঠিকাক বিদ্ৰোহ কৰিবলৈও কোৱা যেন লাগে। গোস্বামীৰ "অরুণা"ৰ গল্পবোৰত বিভিন্ন দৃষ্টিকোণৰ পৰা সংস্কাৰধৰ্ম্মী লেখকৰ ব্যক্তিত্বৰ পৰিচয় পোৱা যায়। এই ব্যক্তিত্ব হৈছে নিৰ্ভীকতাৰ আৰু সংগঠন কামীতাৰ।

"অরুণা"ত সন্নিৱেশ কৰা আটাইকেইটি গল্পত আমাৰ অসমীয়া সমাজৰ ঘাত-প্ৰতিঘাত, অনাদাৰ-অবিচাৰৰ চিত্ৰ স্পষ্টভাৱে জিলিকি আছে। সচাঁকৈয়ে এইবোৰে সমাজ সচেতন মনোভাৱৰ পৰিচয় দিয়ে। সমাজৰ ঐতিহ্য আৰু যুগজয়ী সৎ-আদৰ্শৰ ওপৰত লেখকে আস্থা হেৰুৱা নাই; কিন্তু চলিত উৎপীড়ন আৰু অন্যায়-অযুক্তিকৰ ব্যৱস্থাৰ বিরুদ্ধে প্ৰতিবাদ জনাইছে।



# পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ আৰু "শিক্ষা বিধায়না"

শ্ৰীহৰেন দাস
অধ্যাপক।

পৰম প্ৰেমময় শ্ৰীশ্ৰীঠাকুৰ অনুকুল চন্দ্ৰই আজি গোটেই বিশ্বতে জ্ঞানকে প্ৰচাৰ কৰিছে। ঠাকুৰৰ দৰ্শন জ্ঞানৰ দৰ্শন। আজিৰ বিজ্ঞান, ৰাজনীতি, অৰ্থনীতি, সমাজনীতিক লৈ গোটেই বিশ্বতে যি সমস্যাৰ সৃষ্টি হৈছে তাৰ বাস্তৱ সমাধান শ্ৰীশ্ৰীঠাকুৰে আগবঢ়াইছে। জীৱনক লৈ যি সমস্যা, জীৱন বৃদ্ধিৰ যি ব্যৱস্থা এই সকলোবোৰ সমস্যা আৰু ব্যৱস্থা প্ৰতিজন ব্যক্তিকেই দিব পাৰিছে। ধৰ্ম্ম আৰু সংস্কাৰৰ নতুন ব্যাখ্যা আৰু তাৎপৰ্য্যই গোটেই বিশ্বতে এটা জাগৰণৰ সৃষ্টি কৰিছে! তেখেতৰ জ্ঞান ৰাজ্যৰ অৱদানবোৰ এটা ক্ষুদ্ৰ প্ৰবন্ধৰ দ্বাৰা প্ৰকাশ কৰাতো সাগৰৰ ঢৌ গননা কৰাৰ দৰে, অসম্ভৱ কাৰ্য্য।

শ্ৰীশ্ৰীঠাকুৰে শিক্ষাৰ দিশত অভিনৱ অৱদান আগবঢ়াইছে। আমাৰ উদ্দেশ্য তেখেতে দিয়া শিক্ষাৰ ব্যাখ্যা আৰু তাৎপৰ্য্য কিঞ্চিৎ পৰিমাণে হলেও অনুধাৱন কৰা।

শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'ল— মানুহ গঢ়া। এই মানুহ গঢ়াৰ কৌশল শ্ৰীশ্ৰীঠাকুৰে তেখেতৰ 'শিক্ষা বিধায়না' নামৰ পুথিখনত বিবৃতি দিছে। শ্ৰীশ্ৰীঠাকুৰৰ পাচত আজি বৰ্ত্তমান সৎসঙ্গৰ প্ৰধান আচাৰ্য্য শ্ৰীশ্ৰীঅমৰেন্দ্ৰ নাথ চক্ৰৱৰ্ত্তী, যাক 'বৰদা' বুলি সকলো সৎসঙ্গী বৃন্দই জানে; তেখেতেই এই 'শিক্ষা বিধায়না'ৰ ভূমিকা লেখক। শ্ৰীশ্ৰীবৰদাই কয় যে যুগে যুগে শিক্ষাৰ সমস্যা হ'ল অধিকাংশ শিক্ষিত মানুহেই মস্তিস্ক আৰু বুদ্ধি বিচাৰৰ মাজেদি যাক ভাল বুলি কয় বা ভাল বুলি বুজি পায় আৰু সত্য বুলি স্বীকাৰ কৰে হৃদয়াবেগ আৰু ইচ্ছাশক্তিৰে বাস্তৱ জীৱন চলনৰ ক্ষেত্ৰত তাক পৰিপালন কৰিবলৈ আগনাবাঢ়ে। ভাবা, কোৱা আৰু কৰাৰ এই অসঙ্গতি আৰু ব্যৱধানেই বিংশ শতাব্দীৰ জ্ঞান, বিজ্ঞান, শিক্ষা-সংস্কৃতি সমৃদ্ধ সভ্য সমাজৰ এক বিকট বিড়ম্বনা বিশেষ। এই বিড়ম্বনাই ব্যক্তি জীৱনৰ পৰা বিশ্ব-জীৱন পৰ্য্যন্ত সমাজবদ্ধ মানৱ জীৱনৰ প্ৰত্যেকটো স্তৰ খণ্ডিত বিছিন্ন আৰু বিক্ষিপ্ত কৰি পেলাইছে আৰু ফলত দ্বন্দ্ব, বিক্ষোভ আৰু অশান্তিৰ জুই একুৰা দপদপকৈ জ্বলি উঠিছে আৰু সেই বাবেই, জীৱন যন্ত্ৰণাকাতৰ আৰ্ত্তমানৱে "কঃ পন্থাঃ? কঃ পন্থাঃ বুলি চিঞৰিব ধৰিছে। এই দুৰূহ সমস্যাৰ নিৰাকৰণৰ বাবে শ্ৰীশ্ৰীঠাকুৰে আচাৰ্য্য অনুৰাগ ৰঞ্জিত, দীক্ষা সমন্বিত, সুকেন্দ্ৰিক, সৰ্ব্বতোমুখী শিক্ষাৰ প্ৰৱৰ্ত্তন কৰিবলৈ চাইছে। আচৰ্য্যহ'ল তেওঁ যিজনে নিজৰ আচাৰ্য্যজনৰ ওচৰত শ্ৰদ্ধা নিবদ্ধ হৈ আচৰণৰ ভিতৰেদি সুসঙ্গত জ্ঞানত অধিস্থিত হৈছে। একেআষাৰতে কবলৈ গলে তেওঁ হ'ল জ্ঞান মূৰ্ত্তি। তেওঁৰ প্ৰতি ভাৱ ভক্তি আৰু প্ৰেমৰ উদয় হলে জীৱনৰ ৰুদ্ধদ্বাৰ অনৰ্গল মুক্ত হৈ যায়, সুপ্তশক্তি আৰু সম্ভাৱনা জাগ্ৰত আৰু স্বতঃস্ৰোতা হৈ তৰঙ্গ গৰ্জনত অনন্ত বিকাশৰ অভিসাৰত ধাৱমান হয়। তেতিয়া নিষ্ঠানিপুনতা আৰু সেৱা তাৎপৰ্য্যৰে জীৱন সাৰ্থক হৈ পৰে। আৰু এই আচাৰ্য্য অনুৰক্তিৰ ফলত তথাকথিত উচ্চাকাঙ্খা বা হীনমন্যগৰ্ব্বৰম্পা নাশ হৈ যায়। তেতিয়া মানুহে বহুমুখী জ্ঞান, গুণ, প্ৰতিভা, শক্তি আৰু অভিজ্ঞতাৰ অধিকাৰী হৈ বিনীত আৰু নিৰভিমানী হৈ পৰে। তেতিয়া মানুহে প্ৰকৃত শিক্ষাৰ বৈশিষ্টও সু-প্ৰতিষ্ঠিত হৈ বিশ্বমুখী বিস্তাৰৰ পথত আগুৱাই যাব পৰে। এক আচাৰ্য্য প্ৰাণতাৰ অনুপ্ৰেৰণাৰ ফলত প্ৰত্যেকৰে ভাবা, কোৱা, জানা, কৰা, শিকা, বোধ আৰু অনুভূতিবোৰ পৰস্পৰে পৰস্পৰৰ অনুপূৰক হৈ জীৱন অস্তিত্বৰ সমৃদ্ধি আনে, আৰু তেতিয়া স্থাপন হয় অখণ্ডনীয় সঙ্গতি আৰু জীৱনলৈ আহে যোগ্যতা আৰু বলিষ্ঠ ব্যক্তিত্ব। যোগ্যতা আৰু বলিষ্ঠ ব্যক্তিত্বৰ দ্বাৰা জাতি আৰু জগতক সমৃদ্ধ কৰি তুলিব পাৰি আৰু সমষ্টিগত সংহতি ও তাতে স্বতঃস্ফুট হৈ পৰে।

এই প্ৰসঙ্গত শ্ৰীশ্ৰীঠাকুৰে শিক্ষকৰ কৰণীয়, অভিভাৱকৰ কৰণীয়, বিদ্যাৰ্থীৰ কৰণীয়, বিদ্যামন্দিৰৰ কৰণীয়, বিশ্ববিদ্যালয়ৰ কৰণীয় ইত্যাদি সম্বন্ধে বিশদভাৱে নিৰ্দ্দেশ দিছে। পুৰুষৰশিক্ষা কেনেকুৱা হব স্ত্ৰী শিক্ষা কেনেকুৱা হব, শাসন তোষণ আৰু পোষণ কেনেকৈ কৰা হব, অনুপযুক্তজনক কেনেভাৱে উপযুক্ত কৰি তুলিব লাগিব, বিভিন্ন বিষয়বোৰ শিকাব লাগিব কি কৌশলেৰে, পৰীক্ষা লব লাগিব কেনেকুৱাভাৱে, পৰীক্ষাৰ কাগজত উত্তৰ লিখিব লাগিব কেনেকুৱাভাৱে, সাহিত্য জ্ঞান বিজ্ঞান গৱেষণাৰ অনুশীলন কৰিব লাগিব কি ভাৱে, জানিবলৈ হলে শুনা, দেখা, কোৱা, কৰা, ভাবা, পঢ়া, লিখা আৰু অধ্যাপনাৰ যোগসাধন কি ভাৱে কৰিব লাগে, পাঠ্য কি হব, যিকোনো বিষয়ে সুস্থভাৱে আয়ত্ব কৰিব লাগিব কোন পদ্ধতিৰে, প্ৰত্যেকজন মানুহৰে জ্ঞাতব্য কি, পৰিবেশক কেনেকৈ সুস্থ আৰু দীপ্ত কৰি তুলিব লাগিব, আত্মনিয়ন্ত্ৰণ কি ভাৱে কৰিব লাগিব, অন্য লোকৰ সৈতে কেনেকৈ চলিব লাগিব, ইত্যাদি শিক্ষা সম্পৰ্কিত বহু প্ৰয়োজনীয় বিষয়ে

বাস্তৱ দিগ্‌দৰ্শন এই শিক্ষা বিধায়না গ্ৰন্থত সন্নিবিষ্ট কৰা হৈছে। নিঃসন্দেহে কব পাৰি যে শ্ৰীশ্ৰীঠাকুৰৰ এই গ্ৰন্থৰ বাণী সমূহে গোটেই বিশ্বৰ শিক্ষাৰ ক্ষেত্ৰত এক নতুন ভাব বিপ্লৱ সৃষ্টি কৰিব। শ্ৰেয়ৰাগদীপ্ত শিক্ষাৰ মাধ্যমেদি মানুহে অসীম দক্ষতা, মহত্তৰ জীৱনবোধ আৰু উন্নততৰ চৰিত্ৰ মহিমাত উপনীত হব পাৰিব। শ্ৰীশ্ৰীবড়দাই আশা কৰে যে এই শিক্ষাৰ মাধ্যমেদি মানুহ এবাৰ দেব মানবলৈ ৰূপান্তৰিত হওঁক, মানুহৰ মৰ্ত্ত্য-জীৱন স্বৰ্গ সুৰভিনন্দনাত নন্দিত হৈ উঠক।

মানুহে পাণ্ডিত্যৰ অধিকাৰী হব পাৰে একমাত্ৰ ইষ্ট বা আচাৰ্য্যক অনুসৰণ কৰিলেহে। শ্ৰীশ্ৰীঠাকুৰে এনেদৰে কৈছে--

"ইষ্ট বা আচাৰ্য্যই শিক্ষার মূৰ্ত্ত বিগ্ৰহ,
আর, সেই তা বোধ করে
তদনুগ নিষ্ঠা নন্দিন অনুচলন
যার থাকে।"
সৰ যা কিছুর উত্তরে
সঙ্গতি সাৰ্থকতায়
যখন তিনিই আসেন,—
তখনই মানুষ পণ্ডিত হয়ে যায়।

শ্ৰেয় শ্ৰদ্ধাহীন শিক্ষাক ব্যভিচাৰিণী শিক্ষা বুলি শ্ৰীশ্ৰীঠাকুৰে কৈছে। শ্ৰেয় শ্ৰদ্ধাহীন শিক্ষাই মানুহক বিপথগামী কৰি তুলিব পৰে। সেয়েহে শ্ৰীশ্ৰীঠাকুৰে কৈছে—

'তুমি যত বিদ্বানই হও,
বুদ্ধিমানই হও, মেধাবীই হও,



আর যা'ই কেন হওনা,—
যদি কেন্দ্ৰায়িত না হও,
ঐগুলি তোমাকে বিচ্ছিন্নতায় বিস্তীৰ্ণকরে
অসঙ্গত তাৎপৰ্য্যে
বিলোপের দিকেই নিয়ে যাবে,—'

আদৰ্শৰ প্ৰতি থকা অনুৰাগ অনুশীলনেই শ্ৰেয় শ্ৰদ্ধা পূৰ্ণ বা সুকেন্দ্ৰিক শিক্ষা। আদৰ্শত দীক্ষা গ্ৰহণ কৰিলে দক্ষতা স্বতঃস্ফুট হৈ পৰে আৰু এই দক্ষতাই মানুহক বিকাশৰ পথলৈ লৈ যায়। কিন্তু আজি এই ব্যৱস্থাৰ কথা মানুহে ধৰিব পৰা নাই। এই সুকেন্দ্ৰিক শিক্ষাৰ অভাৱত বিচ্ছিন্নতা আৰু অশান্তিৰ সৃষ্টি হৈছে। সেয়ে শ্ৰীশ্ৰীঠাকুৰে কৈছে—

'মূৰ্খও হওয়া ভাল,
কিন্তু এমনতর বিদ্যা ভাল নয়,—
যা মানুষকে
বিচ্ছিন্ন ও বিকেন্দ্ৰিক ক'রে তোলে।'

শিক্ষাৰ বাহক শিক্ষকসকল কিমান গুণৰ অধিকাৰী হব লাগিব তাকো শ্ৰীশ্ৰীঠাকুৰে কৈছে। শিক্ষকৰ বৈশিষ্টই শিক্ষাৰ বিকাশ। তেওঁ বিচাৰিছে শিক্ষক সকলৰ ইষ্টৰ প্ৰতি অটুট টান। শিক্ষকৰ সৎচৰিত্ৰৰ প্ৰতি পদক্ষেপতে ফুটি উঠিব লাগিব। শিক্ষকৰ থাকিব লাগিব স্নেহল অনুবেদনা আৰু তাকে দেখি ছাত্ৰৰ অন্তৰ ভৰপুৰ হব লাগিব: ছাত্ৰৰ ধৃতি বা ধাৰণা যিয়েই হওঁক সিহঁতে যাতে মুক্ত কণ্ঠে শিক্ষকৰ আগত খুলি কব পাৰে। কোনো ছাত্ৰৰ বৈকল্য থাকিলেও তাক শিক্ষকে আঘাত কৰিব নেলাগে, নুবুজাকৈ কোনো ছাত্ৰকে মুখস্থ বিদ্যা আয়ত্ত



কৰাব নেলাগে, সিহঁতৰ জীৱন বৃদ্ধিৰ পথ সহৃদয়-তাৰ মাজেৰে বুজাই দিব লাগিব। সত্তা-সম্বৰ্দ্ধনী সংহতিহাৰা শিক্ষাৰ যাতে কোনেও উমান নেপায় তাৰেই ব্যৱস্থা কৰিব লাগিব শিক্ষক সকলে। গতিকে শিক্ষক হোৱাতো কি যে এক তপস্যাৰ বিষয়, বা সাধনাৰ বিষয় তাক নকলেও হব। এইবোৰ গভীৰ দিশ আজিৰ যুগত অনুধাৱন কৰা জানো হৈছে? বিদ্যাৰ পৰিৱৰ্ত্তে অবিদ্যাক আৰাধানা কৰিলে বিচ্ছিন্নতা, বিভেদ আত্মম্ভৰিতাই দেখা দিব। সেই বাবে শ্ৰীশ্ৰীঠাকুৰে কৈছে—

"ফলে, জাতি, কৃষ্টি ও ধৰ্ম্ম
অৱজ্ঞা আহত হ'য়ে
বিচ্ছিন্নতাৰ আত্মঘাতী কলুষ দ্বন্দ্বে
স্বাৰ্থ সন্ধিক্ষু প্ৰতাৰণা বিদ্ধতায়
ব্যষ্টি, রাষ্ট্র ও রাষ্ট্রিকের
সৰ্ব্বনাশে গা ঢেলে দেওৱা ছাড়া
পথই থাকে না;

সেইবাবে শ্ৰীশ্ৰীঠাকুৰে শিক্ষক-ছাত্ৰক সাৱধান কৰি দিছে এই দৰে---

"তাই বলি, শিক্ষক! তুমিও সাবধান!
ছাত্ৰ! তুমিও ভেবে দেখ,
এখনও সাবধান হও,
সত্তা সম্বৰ্দ্ধনী সংহতি হারা
বিদ্যাৰ সাৰ্থকতা—
জীৱনে কতটুকু?
বুজে চলো।"



বিদ্যামন্দিৰ, বিশ্ববিদ্যালয় আৰু গবেষণা মন্দিৰৰ স্বৰূপ কেনেকুৱা হব লাগিব তাকো শ্ৰীশ্ৰীঠাকুৰে নিৰ্দ্দেশ দিছে। সম্প্ৰদায়, সমাজ আৰু ৰাষ্ট্ৰৰ কল্যাণৰ বাবে বিদ্যা মন্দিৰবোৰ বিহিত সুব্যৱস্থাৰে পৰিচালিত হব লাগিব। এই মন্দিৰত জীৱনৰ সমস্যা, ধৰ্ম্ম আৰু কৃষ্টিৰ তত্ত্ব আৰু তথ্য সংগৃহীত হব লাগিব। এই বিদ্যা মন্দিৰেই হব লাগিব মৰ্ত্ত্যৰ সৰগীকুসুমৰ আধাৰ। শ্ৰীশ্ৰীঠাকুৰে কৈছে—

"জীবনের সবদিকের সব সমস্যার
তীৰ্থ হ'য়ে উঠে
যেন ঐ বিদ্যা ও গবেষণা মন্দির গুলি
উদ্বৰ্দ্ধনী অমর পন্থায়
সন্দেশ বিতরণ করে সবাইকে।"

বিশ্ববিদ্যালয়বোৰৰ মূল লক্ষ্য কি হোৱা উচিত তাক শ্ৰীশ্ৰীঠাকুৰে নিৰ্দ্দেশ দিছে। বিশ্ববিদ্যালয়বোৰত এনে ব্যৱস্থা থাকিব লাগে যাতে তাত মানুহৰ জীৱন চলনৰ অভিভূত বিষয়বিলাকৰ অনুশীলন সুযোগ থাকে আৰু সেইবোৰৰ স্বাভাৱিক আয়ত্তীকৰণৰ শিক্ষা পোৱা যায়।

মানুহে জানিবলৈ বা শিকিবলৈ হলে বহু বিষয়ে জানিব লাগে বা শিকিব লাগে। শ্ৰীশ্ৰীঠাকুৰে কয় যে মানুহে জনাৰ ক্ষেত্ৰত জনাখিনি সঙ্গতিশীল হোৱা উচিত। অসঙ্গত-ভাৱে বহুত কথা জানিলেও তাৰ পৰা একো লাভ নাই বৰং সেইবোৰে মানুহক

উশৃঙ্খল, বিশৃঙ্খল বাহিৰত সভ্য অথচ ভিতৰত অমানুহ কৰি তুলিব পাৰে। শিকা বা জনাৰ ক্ষেত্ৰত ঠাকুৰে এইদৰে কৈছে—

"বিহিত ভাবে অল্প জানাও ভাল—
তা যদি সুসঙ্গতিপূৰ্ণ হয়,
এমনতর বহু জানাও ভাল না,—
যা নাকি মানুষের বোধিকে
অনন্বিত করে।
উশৃঙ্খল, বিশৃঙ্খল করে
তাকে সভ্য অমানুষ করে তোলে।"

শ্ৰীশ্ৰীঠাকুৰে স্ত্ৰীশিক্ষাৰ মৌলিক ভিত্তি আগবঢ়াইছে। এই প্ৰসঙ্গত ঠাকুৰৰ কোৱা কথা খিনি প্ৰতি ঘৰে ঘৰে প্ৰযোজ্য হোৱাতো কাম্য। ঠাকুৰে কৈছে—

"শোন, বলি, ভুলে যেওনা—
ছোটবেলা থেকেই তোমার কন্যাকে।
এমন ভাবেই অভ্যস্ত করে তুলো—"
বিবাহ সম্পন্ন হবার পূর্ব্বে
কোন পুরুষ সম্বন্ধে
স্বামী ভাবান্বিত চিন্তায়
চিত্তকে উদ্বেলিত না করে তোলে,
যেন সে
সেবা প্রাণা, শ্রদ্ধাই চলনশীলা
সর্ব্বান্তঃ করণে বৈশিষ্টপালী শ্রেয় পরায়না
সতীত্ব, সম্বুদ্ধা হয়ে ওঠে—
সুনিষ্ঠ, অচ্যুত, অচলা হ'য়ে;
কন্যা দিগের শিক্ষার
মৌলিক ভিত্তিই কিন্তু এইখানে।"

আজিৰ আধুনিক সভ্যতাৰ যুগত বিশেষকৈ নাৰীজাগৰণৰ সময়ত শ্ৰীশ্ৰীঠাকুৰৰ স্ত্ৰী শিক্ষাৰ ভেটি বিশেষকৈ অনুধাবনীয় আৰু অনুকৰণীয়। এখন দেশৰ ভৱিষ্যত কল্যাণ নিৰ্ভৰ কৰে দেশৰ স্ত্ৰী শিক্ষাৰ ওপৰত। শ্ৰীশ্ৰীঠাকুৰে শিক্ষা ব্যৱস্থাৰ ভিতৰেদি এইটো বিচাৰিছে যে যি অধ্যাপনাৰ দ্বাৰা ছাত্ৰ বা শিষ্যৰ অন্তৰত আদৰ্শ, ধৰ্ম, আৰু কৃষ্টি স্ফুৰিত হয়। ইয়াৰ ব্যতিৰেকে কিন্তু শিক্ষা অসাৰ্থক আৰু সত্তাঘাতী হৈ উঠে।

শ্ৰীশ্ৰীঠাকুৰৰ শিক্ষানীতি বা ব্যৱস্থা শিক্ষা বিধায়নাত যেনেভাৱে বৰ্ণিত হৈছে তাক ক্ষুদ্ৰ এটা প্ৰবন্ধত প্ৰকাশ কৰাটো অসম্ভৱ। তথাপি দুই চাৰিটা বাণীৰ সহায়ত অসংলগ্নভাৱে হলেও ঠাকুৰৰ শিক্ষানীতিৰ এটি আভাষ তুলি ধৰিলো। শ্ৰীশ্ৰীঠাকুৰৰ আদৰ্শত "চাণ্ডল্য বিশ্ববিদ্যালয়" স্থাপন হব ধৰিছে। আশা ৰাখিছো এই বিশ্ববিদ্যালয়ৰ মাজেৰে জৰিয়তে মানুহে প্ৰকৃত শিক্ষাৰ জ্ঞানৰ অধিকাৰী হব পাৰিব।

শেষত শ্ৰীশ্ৰীঠাকুৰৰ বিশ্বমানৱৰ প্ৰতি থকা অন্তৰৰ আবেদনখিনিৰে এই লিখনিৰ ইতিৰেখা টানিলো।

"আর সবাই
সব যা কিছু জানুক
অমৃতের পথ অনুসরণ করে,
নীরোগ, নিরাপদ
ও চিরায়ু হওয়ার দিকেই এগোতে থাকুক—
অনুশীলন দক্ষ কৃতিতপা হ'য়ে।"





# কৰ্ম্মযোগ

শ্ৰীনিৰঞ্জন তালুকদাৰ
অধ্যাপক।

শ্ৰীমদ্ভাগবদগীতাত যি ধৰ্ম্ম সমন্বয় ধ্বনিত হৈছে সেয়া ধৰ্ম্ম ইতিহাসত অপূৰ্ব্ব। কৰ্ম্ম-যোগ, ৰাজযোগ, জ্ঞানযোগ আৰু ভক্তিযোগৰ এনেকুৱা অপূৰ্ব্ব সমন্বয় অন্য শাস্ত্ৰত বিৰল। গীতাৰ তৃতীয় অধ্যায়ৰ ঊনবিংশ শ্লোকত নিষ্কাম কৰ্ম্মৰ দ্বাৰা মুক্তি; দ্বাদশ অধ্যায়ৰ তৃতীয় চতুৰ্থ শ্লোকত জ্ঞানৰদ্বাৰা মুক্তি; একাদশ অধ্যায়ৰ চতু:পঞ্চাশৎ শ্লোকত ভক্তিৰদ্বাৰা মুক্তি আৰু পঞ্চম অধ্যায়ৰ সপ্তবিংশ অষ্টবিংশ শ্লোকত যোগৰদ্বাৰা মুক্তি লাভ হয় বুলি প্ৰতিপাদন কৰা হৈছে। তথাপি গীতাত নিষ্কাম কৰ্ম্মযোগৰ সুগমতা আৰু শ্ৰেষ্ঠত্ব প্ৰতিপাদিত হৈছে।

কৰ্ম্মৰ ৰহস্য—

শাস্ত্ৰকাৰ সকলে কৰ্ম্মৰ তিনি প্ৰকাৰ ভেদৰ কথা উল্লেখ কৰিছে। ১। সঞ্চিত কৰ্ম্ম, ২। প্ৰাৰব্ধ কৰ্ম্ম আৰু ক্ৰিয়মান কৰ্ম্ম। সঞ্চিত কৰ্ম্ম— অনেক জন্মৰ পৰা বৰ্ত্তমান জন্মলৈ সংগৃহীত কৰ্ম্মক সঞ্চিত কৰ্ম্ম বোলা হয়। কায়-মন বাক্যে মানুহে যি কৰ্ম্ম কৰে, সেই কৰ্ম্ম যেতিয়ালৈকে ক্ৰিয়াৰূপে থাকে তেতিয়ালৈকে সি ক্ৰিয়মান কৰ্ম্ম; কিন্তু পৰিপূৰ্ণ হোৱাৰ লগে লগে সি সঞ্চিত কৰ্ম্ম হৈ পৰে। অনেক জন্মাৰ্জিত সঞ্চিত কৰ্ম্মৰ সম্পূৰ্ণ নাশ নোহোৱালৈকে জীৱৰ মোক্ষ লাভ নহয়। সাত্বিক, ৰাজসিক, তামসিক এই সমস্ত সঞ্চিত কৰ্ম্ম। কৰ্ম্মপ্ৰেৰণাৰ প্ৰধান কাৰণ সঞ্চিত কৰ্ম্ম। সঞ্চিত কৰ্ম্মই সকলো কৰ্ম্মৰ প্ৰেৰণাদায়ক হলেও ই মানুহক তদনুসাৰে কৰ্ম্ম কৰিবলৈ বাধ্য কৰাব নোৱাৰে। সৎসংগ, সৎবিচাৰ সদুপদেশ আদিৰ দ্বাৰা পৰিচালিত হৈ মানুহে সঞ্চিত অসৎকৰ্ম্মৰ বিপৰীতে কৰ্ম্মত প্ৰবৃত্ত

হ'ব পাৰে নাইবা অসৎসংগ, অসৎবিচাৰ, অসদুপদেশ আদিৰদ্বাৰা পৰিচালিত হৈ সঞ্চিত সৎ কৰ্ম্মৰ বিপৰীতেও কৰ্ম্মত প্ৰবৃত্ত হ'ব পাৰে।

প্ৰাৰব্ধ কৰ্ম্ম-

সুখ দুঃখ ভোগৰ কাৰণ ৰূপ কৰ্ম্মকে প্ৰাৰব্ধ কৰ্ম্ম বোলা হয়। প্ৰাৰব্ধ কৰ্মৰদ্বাৰা মানুহৰ সুখ দুঃখ ভোগ দুই প্ৰকাৰে হ'ব পাৰে। যেনে— মানসিক বাসনাৰদ্বাৰা আৰু স্থূল শৰীৰৰ ক্ৰিয়াৰদ্বাৰা।

ক্ৰিয়মান কৰ্ম্ম-

নিজ ইচ্ছাৰে সৎ বা অসৎ যি কৰ্ম্ম কৰা হয় তাকেই ক্ৰিয়মান কৰ্ম্ম বোলে। ক্ৰিয়মান কৰ্ম্মৰ প্ৰধান হেতু সঞ্চিত কৰ্ম। কেতিয়াবা কেতিয়াবা প্ৰাৰব্ধ কৰ্মত ইয়াৰ হেতু হব পাৰে। ঈশ্বৰৰ নিয়মাধীন হলেও ক্ৰিয়মান কৰ্ম সম্পাদন কৰোতে মানুহ প্ৰায় স্বতন্ত্ৰ। সেয়ে গীতাৰ দ্বিতীয় অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই কৈছে—

ধ্যায়তো বিৰয়ান্ পুংসঃ সংগস্তেষূপজায়তে।
সংগাৎ সংজায়তে কামঃ কামাৎ ক্ৰোধোহ
ভিজায়তে॥
ক্ৰোধাৎ ভবতিসংমোহঃ সংমোহাৎ স্মৃতিবিভ্ৰমঃ।
স্মৃতিভ্ৰংশাৎ বুদ্ধিনাশো বুদ্ধিনাশাৎ প্ৰণশ্যতি॥
(গীতা— ২-৬২-৬৩)

অৰ্থাৎ মনেৰে বিষয় চিন্তা কৰোঁতে কৰোঁতে আসক্তি ওপজে, আসক্তিৰ পৰা কামনা আৰু কামনাৰ পৰা ক্ৰোধৰ উৎপন্ন হয়। ক্ৰোধৰ পৰা বিবেক নাশ হয় আৰু বিবেকনাশৰ পৰা স্মৃতিবিভ্ৰম ঘটে। স্মৃতি-বিভ্ৰমৰ পৰা বিচাৰ বুদ্ধি বিনষ্ট হয় আৰু বিচাৰবুদ্ধি বিনষ্ট হলে মানুহ বিনষ্ট হয় অৰ্থাৎ পুৰুষাৰ্থৰ অযোগ্য হয়।

ওপৰোক্ত তিনি প্ৰকাৰ কৰ্ম্ম কিছু পৰিমানে ফলভোগৰ দ্বাৰা আৰু কিছুপৰিমাণে নিষ্কামভাৱেৰে আচৰণ কৰা সৎকৰ্ম্মৰ দ্বাৰা নাশ হয়। যিদৰে আপ্ত পুৰুষৰ বাক্য ব্যৰ্থ নহয় সেইদৰে প্ৰাৰব্ধ কৰ্ম্মৰ বিনাশ একমাত্ৰ ফলভোগৰ দ্বাৰাহে হয়। অনিচ্ছা, পৰেচ্ছা, স্বেচ্ছা নাইবা প্ৰায়শ্চিত্তৰ দ্বাৰা প্ৰাৰব্ধ কৰ্মৰ ফলভোগ হব পাৰে। যজ্ঞ. দান তপস্যা, সেৱা আদি নিষ্কামভাৱে সম্পন্ন কৰা সৎকৰ্ম নাইবা প্ৰাণায়ম, শ্ৰৱণ, মনন নিদিধ্যাসন (সৎসংগ, ভজন, ধ্যান) আদি পৰমেশ্বৰৰ উপাসনাৰ ফলত সঞ্চিত আৰু ক্ৰিয়মান কৰ্মৰ বিনাশ হব পাৰে।

গীতোক্ত নিষ্কাম কৰ্ম্মযোগৰ স্বৰূপ-

বৈদিক কৰ্ম্ম চতুৰ্বিধ। নিষিদ্ধ কৰ্ম্ম, কাম্য কৰ্ম্ম, নিত্য কৰ্ম্ম আৰু নৈমিত্তিক কৰ্ম্ম। নিত্য আৰু নৈমিত্তিক কৰ্ম্মক কৰ্ত্তব্য কৰ্ম্মও বোলা হয়। চুৰি, ব্যভিচাৰ, হিংসা, মিথ্যা-ভাষণ, কপট, ছলনা, অভক্ষ্য ভক্ষণ আদিয়ে নিষিদ্ধ কৰ্ম্ম। স্ত্ৰী, পুত্ৰ, ধনাদি প্ৰিয় বস্তুৰ বাবে নাইবা দুঃখ, ৰোগ, সংকটাদিৰ পৰা নিবৃত্তি পাবলৈ যি কৰ্ম্মৰ অনুষ্ঠান কৰা হয় সেয়ে কাম্য কৰ্ম্ম। ভগবৎ ভক্তি, দেৱপূজা, যজ্ঞ, দান, তপস্যা পিতৃ-মাতৃ আদি গুৰুজনৰ সেৱা, বৰ্ণ তথা আশ্ৰম ধৰ্ম্ম পালনাদিয়ে কৰ্ত্তব্য কৰ্ম্ম। ওপৰত বৰ্ণিত কৰ্ম্ম সমূহৰ ভিতৰত নিষিদ্ধ কৰ্ম্ম সকলোৰে বাবে পৰিত্যাজ্য। মুক্তিকামী ব্যক্তিৰ বাবে কাম্য কৰ্ম্মৰ অনুষ্ঠানৰো কোনো আৱশ্যকতা নাই। কৰ্ত্তব্য কৰ্ম্মও সকাম আৰু নিষ্কাম-ভাৱে অনুষ্ঠান কৰাৰ ফলত দ্বিধাবিভক্ত।

যেতিয়াই সকাম কৰ্মত প্ৰবৃত্ত হবলৈ ইচ্ছা হয় তেতিয়াৰ পৰাই কৰ্ম সমাপ্তিৰ পিচতো মনত কেৱল ফলপ্ৰাপ্তিৰ চিন্তাই প্ৰবলৰূপে ক্ৰিয়া কৰে। কৰ্মৰ সিদ্ধিত যেতিয়া ফলপ্ৰাপ্তি ঘটে তেতিয়া মনত বৰ আনন্দ জন্মে আৰু অসিদ্ধিত বৰ ক্লেশৰ উৎপত্তি হয়। ফলাকাঙ্ক্ষী হোৱা বাবে মনত শংকা জন্মে আৰু মন বৰ অশান্ত হয়। সকামী ব্যক্তিয়ে শাস্ত্ৰোক্ত নিষিদ্ধ কৰ্মৰ আচৰণ কৰিবলৈ ইচ্ছা নকৰিলেও বিষয়ৰ লোভৰ বাবে স্খলন হোৱাৰো সম্ভাৱনা থাকে।

কিন্তু নিষ্কাম কৰ্মৰ অনুষ্ঠানকাৰী পুৰুষৰ স্থিতি সকামীৰ পৰা অত্যন্ত পৃথক। তেওঁৰ মনত কোনো প্ৰকাৰ সাংসাৰিক কামনা নাথাকে আৰু ফলপ্ৰাপ্তিৰ আকাংখ্যা পৰিত্যাগ কৰি কামনাশূণ্যভাৱে কৰ্মত প্ৰবৃত্ত হয়। আপাতদৃষ্টিত সাধাৰণ মানুহৰ বাবে এইটো অসম্ভৱ যেন লাগিবও পাৰে। কি নিষ্কাম ভাৱেৰে কৰ্মানুষ্ঠানকাৰী ব্যক্তিৰো "পৰমাত্মা প্ৰাপ্তি"ৰূপে কামনা থাকে। কিন্তু নিষ্কাম কৰ্মযোগীৰ পৰমাত্মাপ্ৰাপ্তিৰ কামনা পৰিণামত পৰম কল্যাণৰ হেতু হোৱা বাবে কামনাযুক্ত বুলি বুজিব নালাগিব। তেওঁৰ অন্তৰত সাংসাৰিক ফলকামনা নথকা বাবে কৰ্মৰ সিদ্ধি-অসিদ্ধিত মনত হৰ্ষ বিষাদৰ বিকাৰ নজন্মে।

গীতাৰ দ্বিতীয় অধ্যায়ত শ্ৰীকৃষ্ণই অৰ্জুনক কৈছে—

সুখ-দুঃখে সমে কৃত্বা লাভালাভৌ জয়াজয়ৌ।
ততো যুদ্ধায় যুজ্যস্ব নৈবং পাপমৱাপ্স্যসি॥

অৰ্থাৎ হে অৰ্জ্জুন। সুখ-দুঃখ, লাভ-ক্ষতি, জয়-পৰাজয়ৰ প্ৰতি সমভাৱাপন্ন হৈ যুদ্ধ কৰিবলৈ প্ৰস্তুত হোৱা। এইদৰে যুদ্ধত প্ৰবৃত্ত হলে তুমি পাপৰ ভাগী নোহোৱা। ইয়াৰ পিচৰ শ্লোকত নিষ্কাম কৰ্মযোগৰ প্ৰতিপদ্দন আৰম্ভ হৈছে—

এৱা তে অভিহিতা সাংখ্যে বুদ্ধিৰ্যোগে
ত্বিমাং শৃনু।
বুদ্ধ্যা যুক্তো যয়া পাৰ্থ কৰ্মবন্ধং প্ৰহাস্যসি।

অৰ্থাৎ হে পাৰ্থ! এয়া সাংখ্যযোগৰ তত্বজ্ঞান তোমাক কোৱা হ'ল, এতিয়া নিষ্কাম কৰ্মযোগৰ কথা শুনা। এই নিষ্কাম কৰ্মযোগৰ জ্ঞান লাভ হলে ধৰ্ম্মাধৰ্মৰূপ কৰ্ম বন্ধনৰ পৰা মুক্ত হবা।

পুৰুষৰ কৰ্মতহে অধিকাৰ ফলত নহয়। কৰ্মফলৰ আকাংখ্যা ত্যাগ কৰি গতিকে কৰ্মত প্ৰবৃত্ত হব লাগে। কৰ্মত্যাগৰ প্ৰতিও প্ৰবৃত্তি জন্মিব নালাগে। যোগস্থ হৈ, সিদ্ধি অসিদ্ধিত সমভাৱ ৰাখি, আসক্তিশূণ্যভাৱে ভগবৎ প্ৰীত্যৰ্থে কৰ্মত প্ৰবৃত্ত হোৱাকে "সমত্ব"

বুলি কোৱা হয় আৰু এইদৰে কৰ্মত প্ৰবৃত্ত হলে জন্মৰূপ বন্ধনৰ পৰা মুক্ত হৈ অমৃতময় পৰমপদ লাভ হয়। (গীতা-দ্বিতীয় অধ্যায় ৪৮-৫১ শ্লোক দ্ৰষ্টব্য)

গীতাৰ তৃতীয় অধ্যায়ৰ উনবিংশ শ্লোকত নিষ্কামকৰ্মযোগৰ সাধনাত যে পৰমপদ লাভ হয় সেইটো প্ৰতিপাদিত হৈছে। যথা—

তস্মাদসক্তঃ সততং কাৰ্য্যং কৰ্ম সমাচৰ।
অসক্তো হ্যাচৰণ কৰ্ম পৰমাপ্নোতি পুৰুষঃ॥

অৰ্থাৎ হে অৰ্জ্জুন! তুমি ফলকামনা বিবৰ্জিত হৈ কৰ্ত্তব্য কৰ্মৰ অনুষ্ঠান কৰা; যিহেতু অনাসক্ত ভাৱে কৰ্মানুষ্ঠানকাৰী পুৰুষৰ পৰমপদ (মোক্ষ) লাভ হয়। গীতাত এনেকুৱা নিষ্কাম কৰ্মযোগক 'সমত্বযোগ'; 'বুদ্ধিযোগ'; 'কৰ্মযোগ'; 'তদৰ্থকৰ্ম'; 'মদৰ্থ কৰ্ম'; 'মদৰ্পণ'; 'মৎকৰ্ম'; 'সাত্বিকত্যাগ' আদি অনেক নামেৰে অভিহিত কৰা হৈছে।

গীতাৰ চতুৰ্থ অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই জ্ঞানযোগৰ বৰ্ণনা কৰি কৈছে—"ব্ৰহ্মজ্ঞান অজ্ঞান নাশক আৰু অত্যন্ত শুদ্ধিকৰ। ইয়াৰ দৰে পবিত্ৰ বস্তু ইহলোকত বা পৰলোকত একোৱেই নাই। দীৰ্ঘকাল প্ৰযত্ন আৰু নিষ্কাম কৰ্মযোগৰ দ্বাৰা চিত্ত শুদ্ধ হলে মুমুক্ষু ব্যক্তিয়ে নিজ আত্মাত সেই ব্ৰহ্মজ্ঞান লাভ কৰে।" (গীতা-চতুৰ্থ অধ্যায় ৩৮ শ্লোক দ্ৰষ্টব্য)। গতিকে এইটো দেখা যায় যে অন্তৰত পবিত্ৰ ব্ৰহ্মজ্ঞান উদয় হবলৈও নিষ্কাম কৰ্মযোগৰ দ্বাৰা



অন্তৰ বিশুদ্ধ হব লাগিব।

স্বধৰ্ম (অৰ্থাৎ বৰ্ণ আৰু আশ্ৰম নিৰ্দ্দিষ্ট কৰ্ম) দোষযুক্ত হলেও ত্যাগ কৰা অনুচিত। কাৰণ অগ্নি যি দৰে ধোৱাৰে আবৃত হৈ থাকে সেইদৰে সকলো কৰ্মই কিবা নহয় কিবা দোষেৰে আবৃত্ত। গতিকে গুণ বিবৰ্জিত হলেও পৰধৰ্ম্মৰ অনুষ্ঠান নকৰি স্বধৰ্ম্মৰ অনুষ্ঠানত নিধন হোৱাই শ্ৰেয়। কাৰণ পৰধৰ্ম্ম ভয়াবহ। [শ্ৰেয়ান্ স্বধৰ্মো বিগুণঃ পৰধৰ্ম্মাৎ স্বনুষ্ঠিতাৎ। স্বধৰ্ম্মে নিধনং শ্ৰেয়ঃ পৰধৰ্মো ভয়াবহঃ।
(গীতা— ৩-৩৫)

স্বভাৱনিয়ত বা প্ৰকৃতিৰ অনুকুলে বিহিত কৰ্মক গীতাত 'স্বধৰ্ম্ম'; 'সহজ কৰ্ম'; 'স্বকৰ্ম'; 'নিয়ত কৰ্ম্ম'; 'স্বভাবজ কৰ্ম্ম'; 'স্বভাবনিয়ত কৰ্ম' আদি নামেৰে অভিহিত কৰা হৈছে। এই কৰ্ম মানুহৰ বন্ধনৰ কাৰণ নহয়। কিন্তু ইয়াৰ ফলাকাংখ্যাহে বন্ধনৰ কাৰণ। আসক্তি আৰু ফলাকাংখ্যা বিবৰ্জিত হৈ কৰ্ম্মত প্ৰবৃত্ত হোৱা পুৰুষৰ আত্মাৰ নৈষ্কৰ্ম্ম দৰ্শন হেতু সকলো কৰ্ম্মই নৈষ্কৰ্মত পৰিণত হয়। যথা—

যস্য সৰ্বে সৰ্বাৰম্ভাঃ কামসংকল্প বৰ্জিতাঃ।
জ্ঞানাগ্নিদগ্ধকৰ্মাণং তমাহুঃ পণ্ডিতং বুধাঃ॥
ত্যক্ত্বা কৰ্মফলাসঙ্গং নিত্যতৃপ্তো নিৰাশ্ৰয়ঃ।
কৰ্মণ্যভিপ্ৰবৃত্তোঽপি নৈব কিঞ্চিত কৰোতি সঃ॥
(গীতা— ৪-১৯-২০)

যিজনৰ সমস্ত কৰ্ম্ম প্ৰচেষ্টা কাম আৰু সংকল্প বৰ্জিত আৰু যিজনৰ শুভাশুভ কৰ্ম



জ্ঞানাগ্নিৰ দ্বাৰা দগ্ধ হৈছে সেই পুৰুষকে জ্ঞানী-লোকে পণ্ডিত বুলি কয়। যিজনে উক্ত জ্ঞানৰ দ্বাৰা কৰ্মফলাসক্তি বিবৰ্জিত, ইন্দ্ৰিয় বিষয়ত সদায় আকাংখ্যাশূণ্য, সদাতৃপ্ত আৰু নিৰালম্ব; তেওঁ সকলো কৰ্মত প্ৰবৃত্ত হলেও আত্মাৰ নৈষ্কৰ্মদৰ্শন হেতু তেওঁৰ কৰ্মফলৰ সৈতে কৰ্মও বিনষ্ট হয়। গতিকে ফল আৰু আসক্তি ত্যাগ কৰি ভগৱানৰ আজ্ঞানুসৰি কেৱল ভগবৎ প্ৰীত্যৰ্থে 'সমত্ববুদ্ধি যোগ' যুক্ত হৈ শাস্ত্ৰবিহিত কৰ্ত্তব্য কৰ্মৰ অনুষ্ঠান কৰাই গীতোক্ত নিষ্কাম কৰ্মযোগৰ স্বৰূপ।

কৰ্ম্মযোগৰ সুগমতা—

জ্ঞানযোগ কৰ্মযোগৰ ভিতৰত গীতাত কৰ্মযোগৰ সুগমতা প্ৰতিপাদিত হৈছে। জ্ঞানযোগৰ প্ৰকৰণ অতি গহন, সূক্ষ্ম আৰু দুৰ্বিজ্ঞেয়। সাধাৰণ মানুহৰ বাবে আচৰণ কৰা দূৰৰে কথা বোধগম্য হোৱাও অতিশয় কঠিন। অন্তৰ শুদ্ধ নোহোৱালৈকে দেহাভিমান থাকে আৰু দেহাভিমান থাকিলে জ্ঞানযোগৰ অতিশয় দুষ্কৰ। আসক্তি আৰু স্বাৰ্থ ত্যাগৰূপ কৰ্ম্মযোগৰ সম্পাদনৰ দ্বাৰা অন্তৰ পবিত্ৰ হলেহে জ্ঞানযোগ সাধন সম্ভৱপৰ। কিন্তু দেহাভিমান থাকিলেও কৰ্মযোগ সাধনৰ দ্বাৰা লাহে লাহে অন্তৰ বিশুদ্ধ হৈ নিষ্কাম কৰ্মযোগৰ সাধন সম্ভৱপৰ হয়। সেয়ে গীতাত জ্ঞানযোগক দুখৰ কাৰণ বুলি কৰ্মযোগৰ প্ৰশংসা কৰা হৈছে। যথা—

সংন্যাসস্তু মহাবাহো দুঃখমাপ্তুমযোগতঃ।
যোগযুক্তো মুনিৰ্ব্ৰহ্ম ন চিৰেণাধিগচ্ছতি॥
(গীতা ৫-৬)

অৰ্থাৎ হে মহাবাহো! কৰ্ম্মযোগ বিনা সন্যাস কেৱল দুঃখৰ কাৰণ। কিন্তু কৰ্ম-যোগীসকলে শীঘ্ৰে ব্ৰহ্ম সাক্ষাৎকাৰ লাভ কৰে। কৰ্মযোগৰ সুগমতা আৰু শ্ৰেষ্ঠতা নিৰূপণ কৰি কৈছে—

সন্যাসঃ কৰ্মযোগশ্চ নিঃশ্ৰেয়সকৰাবুভৌ।
তয়োস্তু কৰ্মসন্যাসাৎ কৰ্মযোগো বিশিষ্যতে॥
(গীতা ৫-২)

সন্যাস আৰু কৰ্মযোগ উভয়েই মোক্ষ-প্ৰদ। কিন্তু উভয়ৰ ভিতৰত কৰ্মত্যাগতকৈ কৰ্মযোগেই শ্ৰেয়।

সাংখ্যযোগ আৰু কৰ্ম্মযোগ—

যৎ সাংখৈঃ প্ৰপ্যতে স্থানং তদ্‌যোগৈৰপি গম্যতে।
একং সা খ্যঞ্চ যোগঞ্চ যঃ পশ্যতি স পশ্যতি॥
(গীতা ৫-৫)

সাংখ্যযোগী অৰ্থাৎ জ্ঞাননিষ্ঠ সন্যাসীয়ে মোক্ষ নামৰ যি ব্ৰহ্মপদ লাভ কৰে কৰ্ম-যোগীয়েও সেই ব্ৰহ্মপদেই লাভ কৰে। গতিকে সাংখ্য আৰু কৰ্মযোগৰ ফল এক মোক্ষ বুলি উভয়কে যি অভিন্ন দেখে তেৱেঁই যথাৰ্থদৰ্শী, সম্যকজ্ঞানী। কৰ্মযোগৰ সিদ্ধান্ত অনুসৰি ফলাসক্তি ত্যাগ কৰি পুৰুষে ঈশ্বৰাৰ্থে কৰ্ম কৰে তথাপি তাত কতৃত্বাভিমান থাকে। কিন্তু সাংখ্যৰ সিদ্ধান্ত অনুসৰি কৰ্মৰ কৰ্ত্তা পুৰুষ নহয়, তেওঁৰ দ্বাৰা কৰ্ম সম্পাদিত হলেও সেই কৰ্মত পুৰুষৰ অভিমান নাথাকে। তেওঁ কেৱল সাক্ষী মাত্ৰ। আপাতদৃষ্টিত দুয়োপথৰ সিদ্ধান্ত ভিন ভিন যেন দেখা গলেও

পৰমাত্মা প্ৰাপ্তিৰূপ ফল দুয়োৰো এক। সেইবাবে উভয়ৰে ফল এক হোৱা বাবে ইয়াক একেই বুলি কোৱা হয়। এটি সম্যকৰূপে অনুষ্ঠিত হলে উভয়ৰ ফল মোক্ষ লাভ হয়।

গীতাৰ সিদ্ধান্ত অনুসৰি সাংখ্য যোগীৰ নিষ্ঠাত বিজ্ঞানানন্দঘন কেৱল এক পৰমাত্ম-তত্বই অনাদি, নিত্য আৰু সত্য। বিশুদ্ধ বুদ্ধি যুক্ত জ্ঞানীয়ে শোক, ভয়, ৰাগ-দ্বেষ, মমতা, অহংকাৰ, পৰিগ্ৰহ আদি বহিত হৈ পবিত্ৰ অন্তৰেৰে 'পূৰ্ণ আনন্দ' লাভ কৰে। সেইদৰে কৰ্ম্মযোগীয়েও ব্যৱহাৰ কালত কৰ্মৰ ফল আৰু আসক্তি পৰিত্যাগ কৰি সমত্ব-বুদ্ধিৰে ভগবদাজ্ঞানুসৰি ভগবদৰ্থ কৰ্মত প্ৰবৃত্ত হয়, ৰাগ-দ্বেষ বিবৰ্জিত এনেকুৱা কৰ্মযোগীৰ কৰ্ম বন্ধনৰ কাৰণ নহয়। 'নিত্যসন্যাসী' বুলি এনেকুৱা কৰ্মযোগীৰ প্ৰশংসা কৰি ভগৱান শ্ৰীকৃষ্ণই কৈছে—

জ্ঞেয়ঃ স নিত্য সন্যাসী যো ন দ্বেষ্টি ন
কাঙ্ক্ষতি।
নিৰ্দ্বন্দ্বো হি মহাবাহো সুখং বন্ধাৎ
প্ৰমুচ্যতে। (গীতা ৫-৩)

অৰ্থাৎ যিয়ে দুঃখ আৰু দুঃখৰ সাধনক দ্বেষ নকৰে আৰু সুখও সুখৰ সাধনক আকাংখ্যা নকৰে সেই ৰাগ-দ্বেষাদিশূণ্য কৰ্ম-যোগীকে নিত্য সন্যাসী বুলি জানিবা। কাৰণ হে মহাবাহো অৰ্জুন! ৰাগদ্বেষাদি দ্বন্দ্বহীন ব্যক্তি সংসাৰ বন্ধনৰ পৰা অনায়াসে মুক্ত হয়।

## লোকসংগ্ৰহৰূপ আদৰ্শ কৰ্ম্মৰতত্ত্ব-



ভগৱান আৰু ভগবৎ প্ৰাপ্ত পুৰুষৰ কৰ্ম অলৌকিক আৰু দিব্য। তেওঁলোকৰ কোনো কৰ্ত্তব্য বা প্ৰাপ্তব্য নাই। তেওঁলোকৰ সমস্ত চেষ্টা সংসাৰৰ কল্যাণৰ বাবে। এই কৰ্ম কতৃত্বাভিমান শূণ্য আৰু কৰ্ম তথা ফলৰ প্ৰতি আসক্তি মমতা আৰু কামনাহীন। যদিও এই মহাপুৰুষ সকলৰ বাবে সংসাৰৰ কোনো কৰ্মই শ্ৰেষ্ঠ বা নিকৃষ্ট নহয় তথাপি তেওঁলোকৰ কৰ্ম শাস্ত্ৰানুকুল। শাস্ত্ৰবিহিত কৰ্ম তেওঁলোকৰ বাবে স্বাভাৱিক, আসক্তি-বশত নহয়। সেই শাস্ত্ৰনিষিদ্ধ কম ত্যাগো দ্বেষবুদ্ধিৰে নহয়। বৰ্ণাশ্ৰম অনুসৰি শাস্ত্ৰ-বিহিত কৰ্মত্যাগ কৰা অনুচিত। ৰজা জনক, অশ্বপতি আদি মহাপুৰুষসকলে লোকহিতাৰ্থে কৰ্মত প্ৰবৃত্ত হৈছিল।

কৰ্মনৈব হি সংসিদ্ধিমাস্থিতা জনকাদয়ঃ।
লোকসংগ্ৰহমেবাপি সম্পশ্যন্ কৰ্ত্তুমৰ্হসি॥
(গীতা- ৩-২০)

অৰ্থাৎ জনকাদি মহাত্মাসকলে কৰ্মানুষ্ঠান কৰিয়েই সিদ্ধি লাভ কৰিছে। এতেকে লোকসংগ্ৰহৰ নিমিত্তেও তুমি নিষ্কাম কৰ্ম কৰা উচিত।

তত্ববেত্তা মহাপুৰুষসকলৰ নিৰ্দ্দিষ্ট পথকেই সাধাৰণ মানুহে অনুসৰণ কৰে। কাৰণ ধৰ্মৰ তত্ব অতি দুৰ্জ্জেয়। মহাভাৰতৰ বনপৰ্বত কৈছে— "ধৰ্ম্মস্য তত্বং নিহিতং গুহায়াং মহাজনো যেন গতঃ স পন্থাঃ।" যদিও এই তিনিও লোকতে ভগবানৰ কোনো কৰ্ত্তব্য আৰু কোনো অপ্ৰাপ্তব্য নাই তথাপি লোকহিতাৰ্থে



তেওঁও কৰ্মত প্ৰবৃত্ত হয়। যদি তেওঁ কৰ্ম্ম ত্যাগ কৰে তেনেহলে সাধাৰণ মানুহেও তেওঁৰ পথকেই অনুসৰণ কৰিব। (গীতা- তৃতীয় অধ্যায়— দ্বাবিংশ এয়োবিংশ শ্লোক দ্ৰষ্টব্য।)

গতিকে লোক কল্যাণাৰ্থে শাস্ত্ৰবিহিত কৰ্ম্ম কৰিলে পৰম লাভ আৰু নকৰিলে মহান হানি হয়। সেই বাবে মহান পুৰুষ আৰু ভগৱানৰ দ্বাৰা সম্পন্ন হোৱা সকলো কৰ্ম্মই পৰম দিব্য, অলৌকিক আৰু পবিত্ৰ। তেওঁলোকৰ কৰ্ম্ম আদৰ্শ কৰ্ম্ম হিচাবে লৈ শ্ৰদ্ধা, বিশ্বাস, প্ৰেমপূৰ্বক, উৎসাহ আৰু তৎপৰতাৰে নিষ্কামভাৱে লোকসংগ্ৰহাৰ্থ কৰ্ম্ম কৰা উচিত।

## ভক্ত আৰু জ্ঞানীৰ বাবে শাস্ত্ৰ-বিহিত কৰ্ম্মৰ আৱশ্যকতা-

যজ্ঞদানতপঃ কৰ্ম্ম ন ত্যাজ্যং কাৰ্য্যমেব চ তৎ।
যজ্ঞোদানং তপশ্চৈব পাবনানি মনীষিনাম্।
(গীতা ১৮-৫)

যজ্ঞ, দান, তপস্যাৰূপ কৰ্ম্ম ত্যাজ্য নহয় বৰং কৰ্ত্তব্য। এইবোৰ কৰ্ম্ম মনীষি সকলৰো চিত্ত শুদ্ধিকাৰক। আনকি নিষ্কাম কৰ্ম্ম অবিহনে জ্ঞানযোগীৰো সিদ্ধি সুগম নহয়। দুঃখৰহে কাৰণ। গীতাৰ দ্বাদশ অধ্যায়ত ভগৱান শ্ৰীকৃষ্ণই কৈছে— যি ভক্তই সমস্ত কৰ্ম্ম মোত সমৰ্পণ কৰি, একাগ্ৰচিত্তে ধ্যানমগ্ন হৈ মোৰ উপাসনা কৰে; হে পাৰ্থ! মোত সমৰ্পিত চিত্ত সেই ভক্ত সকলক মই অতি সোনকালে সংসাৰ সাগৰৰ পৰা উদ্ধাৰ



কৰো। (গীতা দ্বাদশ অধ্যায় ষষ্ঠ সপ্তম শ্লোক দ্ৰষ্টব্য)। গতিকে জ্ঞানযোগীয়েই হওক বা ভক্তিযোগীয়েই হওক শাস্ত্ৰোক্ত কৰ্ম্মৰ অনুষ্ঠান সকলোৰে কৰ্ত্তব্য। কৰ্ম্মযোগীৰ কৰ্ম্মৰ আৱশ্যকতা আছেই; কৰ্মযোগ বিনা কৰ্মে সিদ্ধ নহয়। আনকি কোনো মানুহেই কম ত্যাগ কৰা সম্ভৱপৰ নহয় কিয়নো প্ৰকৃতি-জাত গুণসমূহে মানুহক কৰ্ম্মত প্ৰবৃত্ত কৰায়। যথা—

নহি কশ্চিৎ ক্ষণমপি জাতু তিষ্ঠত্যকৰ্মকৃৎ।
কাৰ্য্যতে হ্যবশঃ কৰ্ম সৰ্ব প্ৰকৃতিজৈৰ্গুণৈঃ॥
(গীতা- ৩-৫)

## ভক্তিমিশ্ৰিত নিষ্কাম কৰ্ম্মযোগৰ দ্বাৰা ভগবৎ প্ৰাপ্তি-

সাধকৰ আত্মোদ্ধাৰৰ দ্বিবিধমাৰ্গ—প্ৰবৃত্তি মাৰ্গ আৰু নিবৃত্তিমাৰ্গ। সন্যাস আশ্ৰম নিবৃত্তিমাৰ্গ হলেও গৃহস্থাশ্ৰমীলোকেও প্ৰবৃত্তি নাইবা নিবৃত্তি যিকোনো পথ অনুসৰণ কৰি পৰম গতি পাব পাৰে। গীতাৰ নবম অধ্যায়ত কৈছে—

মাং হি পাৰ্থ ব্যপাশ্ৰিত্য যেহপি স্যুঃ
পাপযোনয়ঃ।
স্ত্ৰিয়ো বৈশ্যস্তথাশূদ্ৰাস্তেহপি যান্তি পৰাং
গতিম্॥

হে পাৰ্থ! স্ত্ৰী, বৈশ্য, শূদ্ৰ নাইবা যিসকল পাপযোনি সম্ভূত অন্ত্যজ জাতি

তেওঁলোকেও মোৰ আশ্ৰয় ললে নিশ্চয় পৰম গতি প্ৰাপ্ত হয়। কৰ্মত অভিমান, মমতা, আসক্তি আৰু ফল কামনা আদিৰ ত্যাগেই স্বাৰ্থত্যাগ অৰ্থাৎ নিষ্কামভাৱ। এনেকুৱা নিষ্কাম কৰ্মযোগীয়ে পৰম শান্তি লাভ কৰে। সকলো কৰ্ম মাত্ৰেই ভগৱানৰ লীলা আৰু প্ৰাণীমাত্ৰকে ভগৱানৰ স্বৰূপ জ্ঞান কৰি প্ৰত্যেক কৰ্মতে ভগৱানৰ সেৱা অনুভৱ কৰি কৰ্মত প্ৰবৃত্ত হলে চিত্ত অতিশয় প্ৰসন্ন আৰু শান্ত হয় আৰু পৰম শান্তি লাভ হয়। ভগৱান সদা সৰ্বদা সৰ্বত্ৰ বিৰাজমান। এনে কোনো স্থান আৰু সময় নাই য'ত ভগৱান বিদ্যমান নহয়। বিশ্বাসী আৰু শ্ৰদ্ধাশীল জনে সকলোতে ভগৱানৰ স্বৰূপ উপলব্ধি কৰি সংসাৰৰ সেৱাত অৰ্থাৎ ভগৱানৰ সেৱাত ব্ৰতী হয়। গীতাৰ অষ্টম অধ্যায়ত কৈছে—

তস্মাৎ সৰ্বেষু কালেষু কমনুস্মৰ যুধ্য চ।
তমথ্যৰ্পিত মনোবুদ্ধিৰ্ম্মামৈ বৈসংশয়ম্॥
(গীতা — ৮—৭)

হে অৰ্জ্জুন! তুমি সৰ্ব্বদায় মোকেই স্মৰণ (চিন্তা) কৰা আৰু যুদ্ধ কৰা। মোত মন, বুদ্ধি অৰ্পণ কৰিলে নিশ্চয় তুমি মোক পাবা। ভগৱৎ পৰায়ণ কৰ্ম্মযোগীয়ে সৰ্বদায় সমস্ত কৰ্ম্মৰ অনুষ্ঠান কৰিও ভগৱানৰ কৃপাত অবিনাশী পৰম পদ পায়। (গীতা· ১৮।৫৬) গতিকে বৰ্ণ আৰু আশ্ৰম ভক্তি সহকাৰে শাস্ত্ৰোক্ত কৰ্ম্ম নিষ্কামভাৱে অনুষ্ঠানকাৰী প্ৰবৃত্তি-মাৰ্গী পুৰুষৰো সহজতে ভগবৎ প্ৰাপ্তি ঘটে।

●●●



# সাগৰৰ পাৰৰ এমুঠি কবিতা

অনুদিত কবিতা 00

"For his lyric Poetry, which with classical fire expresses the tragic experience of life in our own times."

# সাগৰৰ পাৰৰ এমুঠি কবিতা

অনুবাদক— শ্ৰীভৱেন্দ্ৰ নাথ ডেকা
অধ্যাপক ।

[ আমাৰ ছাত্ৰসকলক তথা পঢ়ুৱৈ সমাজক আধুনিক বিদেশী কবিতাৰ এটি আভাস আৰু আস্বাদ দিয়াৰ উদ্দেশ্যে নবেল বঁটা বিজয়ী তিনিজন বিশ্ববিশ্ৰুত কবিৰ ছয়টি ভিন্নস্বুৰী কবিতা অনুবাদ কৰি প্ৰকাশ কৰা হ'ল । পাঠকসকলৰ সুবিধাৰ বাবে কবি কেইজনৰ এটি অতি চমু পৰিচয় দিয়া হল ] ।

**ছেলভেট'ৰ কোৱাচিম'ড':—**

ইটালীয় কবি ছেলভেট'ৰ কোৱাচিম'ড ১৯০১ চনত চিচিলিত জন্ম গ্ৰহণ কৰিছিল । যদিও তেওঁক আধুনিক কবিতাৰ অন্যতম স্ৰষ্টা হিচাবে ধৰা হয় তেওঁ বাস্তবিকতে প্ৰাচীন ক্লাচিকেল পৰম্পৰাৰহে ন্যায্য উত্তৰাধিকাৰী । কোৱাচিম'ড'ৱে বিশ্বাস কৰে যে কাব্য কাব্যৰ বাবে সৃষ্টি হোৱা নাই; মানুহক নতুন ৰূপত গঢ়ি তোলাৰ কাব্যৰ সৃজনী শক্তিৰ এক বিশিষ্ট ভূমিকা আছে । এইজনা কবিৰ প্ৰতিভাৰ স্বীকৃতি দি চুৱেডীয় একাডেমীয়ে ১৯৫৯ চনত সাহিত্যৰ নবেল বঁটাৰে বিভূষিত কৰে । একাডেমীয়ে কবিজনা সম্বন্ধে এই মন্তব্য কৰিছিল— "For his lyric Poetry, which with classical fire expresses the tragic experience of life in our own times."

**জুৱান ৰেমন জিমেনেজ:—**

স্পেইনৰ এজন খ্যাতনামা কবি জুৱান ৰেমন জিমেনেজ । ১৮৮১ চনত মগাৰ চহৰত জন্মগ্ৰহণ কৰা এইজনা কবিয়ে ১৯ বছৰ বয়সতে এজন আধুনিক কবি হিচাবে যশস্যা লাভ কৰিছিল । তেতিয়া তেওঁ নিজকে এজন আধুনিক কবি হিচাবে ভাবিবলৈকো ভাল পাইছিল; আৰু তেওঁৰ প্ৰেৰণাৰ উৎস আছিল— হিউগো', বোডেলেয়াৰ, গটিয়াৰ, ক্লডেল, মেলাৰ্ম্ আদি কবি সাহিত্যিক সকল । কিন্তু পিছলৈ তেওঁ এজন আধুনিক ৰহস্যবাদী কবি হিচাবেহে সুখ্যাতি অৰ্জ্জন কৰে । জিমেনেজে এজন মালীৰ নিচিনাকৈ অৰ্দ্ধশতিকা কাল এটি গোলাপৰ সৃষ্টি কৰাত আত্মনিয়োগ কৰিলে— এটি ৰহস্যময় বগা গোলাপ, যিয়ে তেওঁৰ সুযশ গোটেই পৃথিবীতে বিয়পাই ৰাখিব । ১৯৫৬ চনত তেখেতক

সাহিত্যৰ নবেল বঁটা প্ৰদান কৰি চুৱেডীয় একাডেমীয়ে এই মন্তব্য কৰিছিল— "For his lyrical poetry, which in the spanish language constitutes an example of high spirit and artistic purity."

**এৰিক এক্সেল কাৰ্লফেল্ট ঃ**

১৮৬৪ চনত ফৰ্কর্ণা চহৰত জন্ম গ্ৰহণ কৰা এৰিক এক্সেল কাৰ্লফেল্ট এজন চুৱেডীয় কবি। কাৰ্লফেল্ট চুইডেনৰ এজন জাতীয় কবি। তেওঁৰ কবিতাই চুৱেডীয় সকলৰ জাতীয় চৰিত্ৰ অতি সুন্দৰ ষ্টাইল আৰু স্পষ্টতাৰে প্ৰকাশ কৰিছে— যিটো চুইডেন বাসীয়ে নিজৰ বুলি ভাবিবলৈ ভাল পায়। সেইবাবেই কাৰ্লফেল্ট তেওঁলোকৰ অতি আদৰৰ কবি। বহুমুখী প্ৰতিভাসম্পন্ন এইজন কবিৰ কাব্যিক প্ৰতিভা সময়ে সময়ে বিশ্লেষণ কৰা অসাধ্য হৈ পৰে, কিয়নো তেওঁৰ কবিতাত ৰহস্যবাদৰ বৈশিষ্ট্য আৰু সূক্ষ্ম অনুভূতি এনেধৰণে অঙ্কিত হৈছে যাক ভাষাৰ মাধ্যমেৰে ব্যক্ত কৰা নাযায়। তেওঁৰ কবিতাত প্ৰাচীন পৰম্পৰা আৰু আধুনিক কবিতাৰ ধাৰাৰ সুন্দৰ সমন্বয় ঘটিছে। ১৯৩১ চনত এইজনা কবিক সাহিত্যৰ নবেল বঁটা দি অলংকৃত কৰা হয়।

## (ক) -ঃঃ দৃশ্যমান অদৃশ্যমান ঃঃ-

লিখক — সেলভেটৰ কোৱাচিম'ড

দৃশ্যমান অদৃশ্যমান
সৌ দূৰ দিগন্তত পথৰ বাহুত
ব্যস্ত গাৰোৱানজনে চিঞৰে—
সিপাৰৰ অজস্ৰ দ্বীপৰ কণ্ঠধ্বনিৰ সহাঁৰি দি।
মইও সমুদ্ৰ গৰ্ভত অস্থিৰ হৈ ওপঙি ফুৰা নাই,
পৃথিবীয়ে অবিৰাম গতিত আবৰ্ত্তন কৰে আৰু মই
মোৰ জীৱনৰ ইতিহাস পঢ়োঁ—
নিশাৰ প্ৰহৰীয়ে বৰষুণৰ ক্ষণ গণাৰ দৰে।
গোপনীয়তাৰ আছে আমেজপূৰ্ণ অৱশেষ, মায়াময় ইন্দ্ৰজাল
আৰু এক জটিল সন্মোহন।
মোৰ জীৱন— মোৰ জীৱন-পথৰ হাস্যৰত
আতঙ্কময় নিৰ্ম্মম বাসিন্দাবোৰ, মোৰ অৱয়বিক দৃশ্যসজ্জা—
হাতনিহীন ইয়াৰ দ্বাৰবোৰ।
নিজকে মই মৃত্যুৰ বাবে প্ৰস্তুত কৰা নাই।
সৃষ্টিৰ উৎস ক'ত মই জানো,
বিনাশস্থল হ'ল এখনি সমতল—
য'ত বিচৰণ কৰি ফুৰে মোৰ ছাঁ আক্ৰমণকাৰীজন।
ছাঁবোৰ মই নিচিনোঁ।



## এক মুক্ত গোলাৰ্দ্ধ

পৃথিবীৰ বুকুত সন্ধিয়াৰ টুকুৰাবোৰ
ধোঁৱাৰ গৰ্জনেৰে সিঁচৰিত হৈ পৰে,
ফেঁচাটোৱে 'টু' কৈ চিঞৰি উঠে
নিস্তব্ধতাৰ ধ্বনি তুলি।
সুউচ্চ অন্ধকাৰাচ্ছন্ন দ্বীপবোৰে
সাগৰক চেপামাৰি ধৰে,
সমুদ্ৰপ্ৰান্তৰ শামুকৰ খোলাবোৰ
নিশাৰ এন্ধাৰে আৱৰি ধৰে।
ভৱিষ্যতৰ মাপ তুমি লোৱা
আৰম্ভণি কেতিয়াবাই অতীত হল;
স্থিৰ অংশত ভগোৱা—
বিগত সময়ৰ সমষ্টিক।
সাগৰৰ ফেনে শিলাবোৰ মেৰাই ধোৱাৰ দৰে,
নিষ্ক্ৰিয়তাহীন ধ্বংস লীলাৰ অবিৰাম গতি;
চেতনা তাৰ তুমি হেৰোৱা।
মৰণৰ যেতিয়া মৃত্যু ঘটে, ই নাজানে—
ফেঁচাটোৰ স্তব্ধিত উৰুলিৰ কথা,
অনুৰক্ত হয় মাথো প্ৰেমৰ অনুধাবনত;
নিৰবিচ্ছিন্ন ৰাখি এক মুক্ত গোলাৰ্দ্ধ,
প্ৰতিভাত কৰি ইয়াৰ নিঃসঙ্গতা। কোনোবা এজন আহিবই।

●●●

## (খ) ॥ সেই অবাধিত কক্ষ পথ ॥

লিখক—জুৱান ৰেমন জিমেনেজ

আকাশৰ চৰাইবোৰ
দোলে মেঘৰ ডালত,
পানীৰ চৰাইবোৰ
দোলে সাগৰৰ মেঘত,
( বতাহত, ধুমুহাত, ঢৌত আৰু সূৰ্য্যৰ তাপত, )
যিদৰে, প্ৰভু, মই দোলো
তোমাৰ মধুৰ চৈতন্য-দোলনৰ
ঢৌ আৰু ডাল, বতাহ আৰু তাপ
ফেন আৰু ধুমুহাৰ আছাৰত ।
(মানৱ-জীৱন দোলোৱা সৃষ্টি কৰ্ত্তাৰ দোলনত
তেওঁৰ অস্তিত্বৰ স্থায়ী উপলব্ধি,
বিশ্বব্যাপী উদ্ধাৰন শক্তি
আৰু ইয়াৰ নিশ্চিত অনন্ত দোলনৰ অনুভূতিতেই
স্বৰ্গৰ চৰম আনন্দ নিহিত থকা নাই নে ? )
ইফাল সিফালকৈ
চিৰন্তন প্ৰত্যাগমনৰ গতি, নিজতেই—
নিজ আত্মাৰ ভিতৰতে;
সেই অবাধিত কক্ষ পথ
অপৰিৱৰ্ত্তনীয় তাৰ গতি, মুক্ত,
অপলায়নবাদী তাৰ ধাৰা, উন্মুক্ত—
কিয়নো
ইয়াৰ অসীমত্বৰ শেষ থাকিব নোৱাৰে—
যদিও এয়াই হ'ল
আশ্ৰয় স্থল, উৎস আৰু উজ্জ্বল দীপ্তি ।

●●



## ঃ প্ৰিয় পৰিপূৰ্ণতা ঃ

শান্তভাৱে আটায়ে আমি কৰ্ম্ম ব্যস্ত
ফায়াৰমেনজন ইঞ্জিনত জুই দিয়াত
প্ৰহৰীজন পহৰাত, গুৱীয়ালজন গুৰি ধৰাত,
চিত্ৰকৰজন ছবি আঁকাত, অপাৰেটৰজন বাৰ্ত্তা শুনাত,
মিস্ত্ৰীজন হাতুৰী কোবোৱাত, কেপ্তেইনজন নিৰ্দ্দেশ দিয়াত,
তিৰোতাজনী পৰিচৰ্য্যাত, হুমুনিয়াহ কাঢ়াত, থৰ থৰকৈ কঁপাত...
আৰু মই ব্যাকুল বিশ্ব-নিয়ন্তাক পোৱাৰ আশাত;
বিশ্ব নিয়ন্তা, মই তোমাক পূৰ্ণ কৰি ৰাখিছোঁ—
প্ৰিয় পৰিপূৰ্ণতাৰে মোৰ শেষ চৈতন্যত
চন্দ্ৰ কিম্বা সূৰ্য্যৰ দৰে
এখনি বিশ্বৰ স'তে
প্ৰত্যেকৰ বাবে সেই একেখনেই বিশ্ব ।

●●

## (গ) ॥ প্ৰেম-সঙ্গীত ॥

লিখক— এৰিক এক্সেল কাৰ্লফেল্ট

তোমাৰ সুৰক্ষিত শিলাময় হিয়াক
ৰণ-শিঙাৰ ধ্বনিয়ে ভীতি গ্ৰস্ত কৰি তোলাৰ দৰে
মোৰ প্ৰেমৰ সুৰ ।
তোমাৰ স্বপ্নাতুৰ নিস্তব্ধ নিশাত শয্যাৰ কাষৰত
বাঁহীৰ সুৰে তোলা কম্পনৰ দৰে
মোৰ প্ৰেমৰ শিহৰণ ।
তোমাৰ প্ৰেমৰ সঁজা সুউচ্চ গিৰিশৃঙ্গত
সবল সৰলে চৰাইৰ সঁজা আকোৱালি ৰখাৰ দৰে
মোৰ প্ৰেমৰ বন্ধন ।
তোমাৰ জীৱন মৃত্যুৰ চেঁচা পৰশত মৰহি গ'লে
শাশ্বত হৈ ৰ'ব ওকেৰে নিৰ্ম্মিত মন্দিৰৰ দৰে
মোৰ প্ৰেমৰ স্মৃতি ।

●●

## এটি কণ্ঠস্বৰ

সময়ে মোক প্ৰত্যাখ্যান কৰিলে, মৰত আঁতৰি পলাল,
কিন্তু এটি মহৎ সত্য নিশ্চিত কৈ ক'ল:
মই এটি অৱৰ্ণনীয় শব্দধ্বনি শুনিছোঁ।
এখন অনিৰ্দিষ্ট দুৱাৰৰ ফাঁকেৰে।
বন্ধ আছিল দুৱাৰখন। মই নিজকে ওভোতাই আনিলোঁ
পুনৰ ধৰণীৰ পথৰ মাজলৈ
কিন্তু [illegible]
সেই কণ্ঠ অপৰিচিত—
যাৰ প্ৰতিধ্বনি আছিল মোৰ পথৰ সঙ্গী।
জীৱনৰ আড়ম্বৰৰ লগতে বিমিশ্ৰিত কৰিব পৰা
এই মৃদু সুৰ ধ্বনি।
মোৰ পৰম সুক্ষ্মতম সম্পদ এই কণ্ঠ খানি
পুনৰবাৰ অঙ্কিত হৈ ৰ'ব মোৰ স্মৃতি-পটত।



00 দাতাশী ল্লাক



# দুখ নুমাই মোৰাৰ পিচত

বিনন্দি ডেকা
স্নাতক. ২য় বৰ্ষ

ভৰ বাৰিষা ফেনে ফোঁটোকাৰে ওফন্দি থকা কোবাল নদী এখনৰ মথাউৰী কোনো-বাখিনিত হঠাৎ চিগি গ'লে নদীৰ পানীয়ে যিদৰে নিমিষতে এক বৃহৎ অঞ্চল বুৰাই পেলায়; ঠিক তেনেকৈ খুব অভাৱনীয় ভাৱে সংঘটিত হোৱা এই ঘটনাটোৱে সৰু চহৰ-খনক কেন্দ্ৰ কৰি গোটেই অঞ্চলটোকে ভবাই তুলিলে। চহৰখনৰ সম্ভ্ৰান্ত-অসম্ভ্ৰান্ত সকলো পৰিয়ালৰে চাহ খোৱা অথবা ভাত খোৱাৰ সময়কণতে এই ঘটনাৰ কথাই প্ৰাধান্য লাভ কৰা দেখা গ'ল। ডেকা-গাভৰু, বয়োবৃদ্ধ নিৰ্বিশেষে সকলোৰে মুখত এই একে কথাকে শুনা গ'ল। চাহৰ হোটেলৰ কেবিনবোৰো এই ঘটনা সম্পৰ্কীয় কথাৰ অস্ফুট ধ্বনিৰে মুখৰিত হৈ পৰিল। —একুৰা বনজুই যেন বিয়পি পৰিছে ফাগুনমহীয়া উলুবনীত।

ক'ৰবাত যাবলৈ ওলাই অহা বিভা বৰুৱানীয়ে হঠাৎ সমুখ ফালৰ পৰা ছোৱালী হাইস্কুলৰ হেড্‌মাষ্টৰণী কবিতা চলিহাক অহা দেখি সাগ্ৰহে কাষ চাপি স্বতঃস্ফুৰ্ত্তভাৱে সুধি পেলাইছে, "হেৰি নহয় চলিহানী; এই কিবাকিবিবোৰ শুনো দেখোন! হয় নে হে ?" ঠিক সমান উৎসাহেৰে বৰুৱানীয়েও মুখ বিকটাই কৈ পেলাইছে, "এহ্‌ সুধিছেহে নে ? গোটেইখন একেবাৰে ৰৌজাল-বৌজাল। নহ'বলৈনো আৰু কিটো আছে ?"

চাওঁতে চাওঁতে তেওঁলোক দুয়োজনীৰ ওচৰত আৰু দুই চাৰিখন ৰচকী মুখৰ সমাগম ঘটিছে। সান্ধ্য-ভ্ৰমণৰ সুখকণ কাতি কৰি

থৈ 'লাইট্ পোষ্টৰ তলতে এইদৰে মাত্ৰ সেই একেটি ঘটনাৰে আলোচনা জগাই তুলিছে।

আচলতে, মানুহবোৰে কথাবোৰ বেছিকৈ ৰটিছে বুলি ভবাৰ বিশেষ অৱকাশ নাই। মানুহৰ এইটো স্বভাৱেই। ঢোটোকে ৰোটো কৰি মানুহে আনন্দ লভে। কিন্তু আনহাতে কথাবোৰ ইমান বিতৰ্কমূলক হোৱাৰো স্থল আছে। প্ৰথম কথা, তপন বৰুৱা এই চহৰৰ এজন আগশাৰীৰ সৎ লোক। দ্বিতীয় কথা; তপন বৰুৱা অসমৰ এজন উচ্চ স্তৰৰ সৃষ্টিশীল সচা শিল্পী। এই চহৰৰ 'পাব্লিক হল'ৰ দৰ্শকে তপন বৰুৱাৰ বিৰাট অভিনয় প্ৰতিভা আৰু উদাত্ত কণ্ঠৰ সুৰ কোনো দিনে পাহৰি নেযায়। সচা, তপনে জীৱন্ত অভিনয় কৰিছিল; ভাল গান গাইছিল। কেইবাবিধ বাদ্যযন্ত্ৰ নিজে বজাবও জানিছিল। তৃতীয় কথা; তপন বৰুৱাৰ অলপতে হোৱা বহু আলোচিত বিয়াখন। আজিৰ পৰা দুমাহ আগতে তপনে ৰুমী দাসক বিয়া কৰাইছে। ৰুমীয়েও ভাল গান গায়। ৰুমীৰ দেউতাক চহৰৰ এজন সম্ভ্ৰান্ত ব্যৱসায়ী, ধনীলোক। এখন চাহ বাগিচাৰ উপৰিও এটি নিজা 'চাবোন ফেক্টৰী' আছে। তিনিজন পুতেকৰ তলত আদৰৰ নুমলীয়া জীয়েক— ৰুমী দাস। ঘৈণীয়েক ঢুকাইছে। তিনি বছৰমান হ'ল। ডাঙৰ পুতেক জীৱনে বিয়া কৰাইছে। চাহ বাগিচা খনৰ তদাৰক কৰে। বাকী দুজন পুতেকৰ এজন মেডিকেল কলেজৰ ছাত্ৰ। আনজন 'আৰ্টচ্ কলেজ'ৰ ছাত্ৰ।



প্ৰকৃততে তপন বৰুৱাক মই ব্যক্তিগত ভাৱে যিমান জানিছিলোঁ, বুজিছিলোঁ; আন কোনেও সিমান জনা নাছিল, বুজা নাছিল। তপন মোৰ সহপাঠী আছিল। কলেজত চাৰিটা বছৰ আমি একেলগে পঢ়িছিলোঁ। বি-এ পাছ কৰি সি গ'ল এম-এ পঢ়িবলৈ— ইংৰাজীত। মই সামৰ্থ্য নাই বাবে বি-এৰ পিচত আৰু মন নেমেলিলোঁ। হাইস্কুল এখনৰ শিক্ষকতাকে বাছি ল'লোঁ। অৱশেষে তপনেও এম, এ পাছ কৰাৰ পিচত চহৰৰ একমাত্ৰ কলেজখনতে অধ্যাপক হিচাপে নিযুক্তি পালে। তপনৰ নম্বৰ ভাল। তপন গাৱঁৰ ল'ৰা। দেউতাক-মাক ঢুকাইছে। ঘৰৰ দুজন ককায়েক। বিয়া কৰাইছে। আৰ্থিক অৱস্থা বেয়া নহয়।

ঘটনাটো ঘটাৰ সময়ত মই ঘৰত নাছিলোঁ। এটি শিক্ষামূলক ভ্ৰমণত মোৰ সতীৰ্থ শিক্ষকসকলৰ লগত অসমৰ বাহিৰলৈ ওলাই গৈছিলোঁ। ঘটনাটো সংঘটিত হোৱাৰ এসপ্তাহ পিচতহে আহি পাইছিলোঁ। আহিয়ে ঘৰত মাৰ মুখৰ পৰা শুনিছিলোঁ সেই ভয়ানক খবৰটো; যিটো মোৰ বাবে অপ্ৰত্যাশিতে নহয়, অবিশ্বাস্যও আছিল। কিন্তু মই বিশ্বাস কৰিব লগাত পৰিছিলোঁ। বিশ্বাস কৰিছিলোঁ।

ৰুমীয়ে 'প্ৰি-ইউনিভাৰ্চিটি' পাছ কৰি উঠাৰ পিচতে তপনৰ লগত বিবাহ পাশত আবদ্ধ হৈছিল। প্ৰেমৰ বিয়া। দুটি সুৰীয়া প্ৰাণৰ বিয়া।

চহৰৰ পূব দিশত পাহাৰৰ নামনিত এটি সৰু ঘৰ ভাড়া লৈ তপন আৰু ৰুমী বিয়াৰ পিচত থাকিবলৈ লৈছিল। শহুৰেকে নিজৰ ঘৰৰ ওচৰতে এটুকুৰা মাটিৰে সৈতে এটি ধুনীয়া ঘৰ জীয়েক-জোৱাঁয়েকক বিয়াত যৌতুক হিচাপে দিছিল। তপনে কিন্তু সিবোৰ নিবিচাৰিলে। খুব নম্ৰভাৱে শহুৰেকৰ সেই যৌতুক প্ৰত্যাখ্যান কৰি পাহাৰৰ নামনিৰ এই ভাড়া ঘৰটোত থাকিবলৈ ল'লে। ৰুমীয়েও এই বিষয়ত একো আপত্তি দৰ্শোৱা নাছিল। ৰুমীয়ে তপনৰ স্বাধীন শিল্পী সত্বাটোক শ্ৰদ্ধা কৰিব জানিছিল।



মাৰ মুখৰ পৰা খবৰটো শুনি মই কান্দিব নোৱাৰিলোঁ। দীৰ্ঘ ভ্ৰমণৰ সমগ্ৰ ভাগৰ অৱসাদ যেন পলকতে শেষ হৈ গ'ল। মাক চিঞৰি সুধিলোঁ, "মা—, ৰুমী তপনৰ ঘৰত আছে নে দেউতাকৰ ঘৰলৈ গৈছে ?" মা ৰান্ধনীশালত ব্যস্ত আছিল। তাৰ পৰাই ক'লে,— "তাই তপনৰ ঘৰতে আছে। দেউতাক ককায়েকহঁত তাইক আনিবলৈ গৈছিল। গাঁৱৰ ঘৰৰ পৰা ভাই শহুৰেকহঁতো আহিছিল নিবলৈ। তাইহে ন'গল।"

মই গৈ ৰুমীৰ ঘৰ পোৱাৰ সময়ত সন্ধ্যা লাগি ভাগিছে। পূব-প্ৰান্তৰ নিৰিবিলি এটি সৰু পঁজা। ওচৰৰ আৰু দুই তিনি ঘৰক লৈ এটি সৰু 'ক'লনী'। নাম "নিউ ক'লনী।" ঠাইখিনি নিজম-নিতাল মাৰিছে। সন্ধিয়া সাত বজাতে দুপৰ নিশাৰ নীৰৱতা বিৰাজ কৰিছে। মৃত্যুৰ চেঁচা হাতে যেন চেপি ধৰিছে ঠাই টুকুৰাৰ অস্তিত্বক।

দুৱাৰত 'নক্' কৰাত মণিয়ে দুৱাৰ খুলি দিলে। মণি ৰুমীৰ ঘৰৰ কাম কৰা ছোৱালী। ৰন্ধা-বঢ়া সকলো তায়েই কৰে।

"বাইদেৱেৰা ক'ত ?" – মই সুধিলোঁ।

'ভিতৰত শুই আছে চাৰ।"

মই ওচৰৰে হাইস্কুলখনৰ শিক্ষক হোৱা বাবে, ক্লাচ ফাইভলৈ পঢ়ি দৰিদ্ৰতাৰ হেতু পঢ়া বাদ দি তপনৰ ঘৰত চাকৰণী কৰা গাঁৱৰ ছোৱালী মণিক তপনেই শিকাইছিল মোক 'চাৰ' বুলি মাতিবলৈ।

মই ভিতৰলৈ সোমাই গ'লোঁ। মোৰ চিনাকি ঘৰ। পালেঙৰ ওপৰত ৰুমী অসংযত ভাৱে শুই আছে। দীঘল চুলিকোছা আউল বাউল হৈ পিঠিখন ঢাকি পৰিছে। এটি জিৰ'পাৱাৰৰ নীলা বাল্বে কোঠাটো এন্ধাৰপোহৰ কৰি ৰাখিছে। তপন-ৰুমীৰ এইটো কোঠা মোৰ অতি চিনাকি ! পালেঙৰ মূৰ শিতানত থকা ওখ টেবুলখনৰ ওপৰত সেইখন তপনৰ 'লাইফ্ চাইজ'ৰ ফটো। ফটোখনৰ ওচৰত কিছু ফুল পৰি আছে। সমুখত জ্বলাই থোৱা ধূপ দুডাল পুৰি পুৰি শেষ হ'বলৈ অলপ বাকী আছে। ধূপৰ গোন্ধটোৱে বিষাদ গধুৰ সন্ধিয়াটোক আৰু বেছি ভাবাক্ৰান্ত কৰি তুলিছে। আলমাৰীৰ ভিতৰত তপন-ৰুমীয়ে বিয়াৰ পিচত তোলা আন এখন যুগ্ম ফটো জিলিকি আছে। দুয়োৰে মুখত হাঁহিৰ ৰেখা। কোঠাটোৰ বাওঁফালৰ কোণত সৰু টেবুল এখনৰ ওপৰত এটি হাৰমনিয়ম্, তবলা এজোৰ আৰু তপনৰ বৰ মৰমৰ গীতাৰ খন সজাই থোৱা আছে।

মই ৰুমীক মাতিম বুলি ভাবিও থমকি

ৰ'লোঁ। নিশ্চল ভাবে বহি ৰ'লোঁ। কি বুলি ৰুমীক সান্ত্বনা দিম ভাবি নেপালোঁ। নিজক অলপ অপৰাধী অপৰাধী যেনো লাগিল। ঘটনাটো হৈ যোৱাৰ আজি এসপ্তাহ হ'ল : অথচ মই আজিহে মোৰ বুকুৰ আপোন তপনৰ ঘৰলৈ আহিছোঁ।

মই ভ্ৰমণলৈ যোৱাৰ আগদিনাখন তপনৰ ঘৰলৈ আহিছিলোঁ। তেতিয়া আবেলি সময়। এইটো কোঠাতে সেইখন পালেঙৰ ওপৰত ৰুমীয়ে হাৰমনিয়মটো লৈ এটি হিন্দী গীতৰ লঘু সুৰ বজাই আছিল। কাষত বহি তপনে একান্ত বাধ্য শিষ্যৰ একাগ্ৰতাৰে তবলা বজাইছিল। কি যে এক স্বৰ্গীয় পৰিবেশত ডুবি আছিল দুয়ো! —মই সোমাই যোৱাৰ লগে লগে চিঞঁৰি উঠিছিল তপনে,— 'আৰে মাষ্টৰ দেখোন! আহ ভাই আহ।" মোক সাৰতি ধৰি তাৰ কাষতে বহুৱাইছিল।

ৰুমীয়ে গান গাইছিল। তপনে লিখা গান; "হেজাৰ কথা মোৰ বুকুতে থাকিল, নেপালোঁ সময় ক'বলৈ তোমাক ।" গীতাৰত 'ভেম্প্' দিছিল তপন তপন। মই মাথো শুনি শুনি বহি ৰৈছিলোঁ। ভাবিছিলোঁ, তপন আৰু ৰুমী কিমান সুখী! দুটি সুৰীয়া প্ৰাণ কেনেকৈ আপোনমনে উৰি ফুৰিছে সুৰ আকাশত !! ...এটা সময়ত ৰুমী উঠি গৈছিল ভিতৰলৈ। তপনে হাঁহি হাঁহি সুধিছিল,— "কচোন মাষ্টৰ, তোৰ খবৰ।" মই ক'লোঁ,— "কাইলৈ ৰাতিপুৱাতে যাম ভ্ৰমণত অসমৰ বাহিৰলৈ। তইঁতক মাত লগা-



বলৈ আহিলোঁ। মই ক'বলৈহে পালোঁ; "আৰে হয় নেকি" বুলি তপনে মোক সাৱতি ধৰিলে। সৰু ল'ৰাৰ দৰেকৈ উৎসাহেৰে ক'লে,— "মোলৈ কি আনিবি বাৰু ভ্ৰমণৰ পৰা? তপনে অলপ বছিকৈ চিগাৰেট্ তোপে। মই জানো। বহুদিন ৰুমীৰ গালি খায়ো সি চিগাৰেট্ এৰিব পৰা নাই। এৰা নাই। এই বিষয়ত হকা-বধা কৰিলে সি ৰুমীক এনেকৈ উত্তৰ দিয়ে,— "সৰু-সুৰা 'শিল্পী' পোৱালী হিচাপে মোক অন্ততঃ ইএবিধতো নিচা ল'বলৈ দিয়া! ই বিলাকে চোন দুদিন ষ্টেজত উঠিয়েই ৰাতিৰ ভিতৰতে বিৰাট আৰ্টিষ্ট্‌টো হৈ পৰে আৰু 'সিবিধ' নহ'লে মুড্ নহা বিধৰ হৈ ৰাস্তাৰ দাঁতিত পৰি থাকে; হেৰা, সিবিলাকক মৰমৰ ঘৈণীয়েকহঁতে কি'বা কয় নেকি সুধিবাচোন।" —ইয়াৰ পিচত ৰুমীৰ মুখ বন্ধা।

গতিকে, চিগাৰেটৰ প্ৰতি থকা তপনৰ দুৰ্ব্বলতাৰ কথা জানিয়ে ক'লো,— "তোলৈ বাৰু এপেকেট দামী বিদেশী চিগাৰেটকে আনিম।" তপনে "ব ঢ়ি য়া" বুলি কওঁতেই ৰুমী সোমাই আহিল হাতত দুকাপ কফি লৈ। তপনে চিঞঁৰি ক'লে, "ৰুমী শুনিছা; আমাৰ মাষ্টৰ কাইলৈ ভ্ৰমণত যাব, আৰু ভ্ৰমণৰ পৰা তোমালৈ কি আনিব জানা? — এটি বেচ নোদোকা ছোৱালী পুতুলা! ভালেই হ'ব দিয়া;— দুদিনমান পিচত তোমাকতো পুতুলা এটাৰ প্ৰয়োজন হ'বই।" কথাখিনি ক'ই তপনে হাঃ হাঃ কৈ হাঁহি-ছিল। "—নিলাজটো" বুলি ৰুমী আকৌ



ভিতৰলৈ সোমাই গৈছিল। ৰুমীৰ অস্বাভাবিকভাৱে ডাঙৰ হৈ যোৱা কঁকালৰ তলখিনিত চকু পৰি মোৰো লাজ লাজ লাগি গৈছিল। তপনটো যে কি আৰু... !

তপনৰ ঘৰৰ পৰা উলটিবৰ সময়ত সন্ধ্যা লাগিছিল। তপনে আগবঢ়াই দিছিল পদূলিলৈ। কৈছিল,— "বিনন, তোক ক'বলগা মোৰ বহু কথা আছিল। আজি থাওক বাৰু; পিচত ক'ম কেতিয়াবা।" অলপ ৰৈ আকৌ কৈছিল,— তই ভ্ৰমণৰ পৰা আহাগৈ বাৰু। আমি এটা পিক্‌নিকৰ 'এৰেঞ্জ' কৰিম। তই মই ৰুমী; বঢ়িয়া হ'ব নহয়?" মই তাক শলাগিছিলোঁ অন্তৰেৰে। হাঁহি হাঁহি 'গুড্ নাইট্' জনাইছিল তপনে। কিন্তু পিক্‌নিক? ক'বলগা কথা ?? দামী বিদেশী চিগাৰেট ??? ......

"চাৰ,— চাহ খাওঁক"

মোৰ সমুখৰ টেবুলখনত চাহ কাপ থৈ মণিয়ে মোক মতাতহে সম্বিত ফিৰাই পালোঁ। কিমান সময় চিন্তাত ডুবি আছিলোঁ— ক'বই নোৱাৰিলোঁ। আগলৈ চাই দেখোঁ তপনৰ বিৰাট 'লাইফ্-চাইজ' ফটোখনৰ আগত জ্বলি থকা ধূপ কেইডাল কেতিয়াবাই পুৰি শেষ হ'ল। পুৰি যোৱা ধূপ কেইডালৰ অন্তিম সুবাসখিনি এতিয়াও কোঠাটোত ঘূৰি ফুৰিছে। ৰুমীৰ সম্ভৱতঃ টোপনি আহিছে। মণিয়ে গাত ধৰি মাতিলে— "বাইদেউ, এয়া চাৰ আহিছে।" থকমককৈ উঠি বহিল ৰুমী। গাৰ কাপোৰখিনি সংযত কৰি লৈ মোলৈ বোবাৰ দৰেকৈ চাই থাকিল। জিৰ'পাৱাৰৰ বাল্বৰ খীণ



পোহৰত দেখিলোঁ,— ৰুমী খুব খীণাইছে। চকুহালৰ গুৰি দুটা ক'লা পৰিছে। মই মাত লগালো, "ৰুমী!" লগে লগে দুয়োহাতেৰে মুখ ঢাকি ৰুমী হুকহুকাই কান্দি উঠিল। অস্ফুটস্বৰে ক'লে,— "বিনন দা, মই কি কৰোঁ কোৱা, মই কি কৰোঁ... ?" ৰুমী গাৰু এটা সাৱতি লৈ আকৌ বিচনাত বাগৰি পৰিল। মই বাক্‌ৰুদ্ধ হৈ পৰিলোঁ। মণি ভিতৰলৈ গ'ল। মই প্ৰস্তৰ মূৰ্ত্তি হৈ বহি ৰলোঁ। এটা সময়ত ৰুমীৰ কান্দোন থামিল। বিচনাত উঠি বহিল। দুইহাতেৰে চকু মোহাৰি ভঙা ভঙা মাতেৰে কলে,— "সকলো দোষ মোৰ বিনন দা। ময়ে ইয়াৰ বাবে দায়ী। ময়ে খালোঁ তেওঁক। ভাবিছিলোঁ;— তেওঁ কথাবোৰ জনাৰ পিচতো মোক ক্ষমা কৰিব! নকৰিলে।" ৰুমীৰ কথাখিনি মই একো নুবুজিলোঁ। সুধিলোঁ,— 'তুমি কি দোষ'ৰ কথা কৈছা ৰুমী?" "সেইবোৰ মই তোমাক ক'ব নোৱাৰিম বিনন দা! সেইবোৰ মোৰ অতীত কলঙ্কৰ কথা; যিবোৰ তোমাৰ পৰাই নহয়, তপনৰ পৰাও লুকাই ৰাখিছিলোঁ।" ৰুমী আকৌ উচুপি উঠিল।

ৰুমীৰ বিষয়ে মই বহু অপ্ৰিয় কথা শুনিবলৈ পাইছোঁ। কিন্তু মই সেইবোৰ একোপধ্যে বিশ্বাস কৰা নাছিলোঁ। এতিয়া ৰুমীৰ কথাৰ পৰা অনুভৱ হ'ল, মই শুনা কথাবোৰ সঁচা নেকি বাৰু! ৰুমীৰ সঁচাকৈয়ে এটি কলঙ্কিত অতীত আছে নেকি !!

"বাৰু ৰুমী;— সেইদিনা ৰাতি তোমালোকৰ মাজত কোন ধৰণৰ কথা বতৰা হৈছিল্ ?" আবেগেৰে চকু মোহাৰি ৰুমীয়ে থোকাথুকি মাতেৰে কৈ গ'ল,—

"সেইদিনা ৰাতি বাৰমান বজাত তেওঁ ঘৰ সোমাইছিলহি। আগতে কোনোদিনে ইমান ৰাতি নকৰে। তেওঁলৈ টেবুলত ভাত সাঁজি থৈ মই বৈ আছিলোঁ। ঘৰৰ ভিতৰলৈ সোমাই অহাত দেখিলোঁ তপনৰ যেন কিবা কথাত খং উঠি আহিছে। মুখখন বৰ ৰুক্ষ দেখাইছে, চকুহাল ৰঙা পৰিছে। মই সুধিলোঁ,— "ক'ত ইমান ৰাতি কৰিলা ?" তেওঁ একো নেমাতিলে। হাতত লৈ অহা কিতাপ এখন টেবুলৰ ওপৰত দ'লি মাৰি থ'লে। খং উঠিলে তপনে কথা নকয়। মই জানো। সেয়ে আকৌ লাহেকৈ সুধিলোঁ,— "আজি ঘৰলৈ মনত পৰা নাছিল নেকি ?" এইবাৰ তপনে মোলৈ তীক্ষ্ণ দৃষ্টিৰে চালে। আৰু হঠাৎ তেওঁ মোৰ বাহু দুটাত সজোৰে চেপি ধৰিলে। মোক ভীষণভাৱে জোকাৰি দি প্ৰায় চিঞৰি সুধিলে,— "তুমি মোক ইমানদিনে এইবোৰ কথা কিয় কোৱা নাই ?" মই সুধিলোঁ, "কোনবোৰ কথা ?" তপনে দুগুণ জোৰে চিঞৰি ক'লে,— "তোমাৰ চৰিত্ৰ গুণৰ কথা ? কাৰ সন্তান তোমাৰ গৰ্ভত কঢ়িয়াই ফুৰিছা ? বিয়াৰ আগতে কিমানজনক দেহ যাচিছিলা ? ৰামলাল মাৰোৱাৰীৰ বৰ পুতেক ৰঞ্জিতৰ লগত তোমাৰ কি সম্পৰ্ক ?" মই কান্দি উঠিলোঁ। তপনে তোমাক ঠেলামাৰি বিচনাত পেলাই দিলে। চিঞৰি কলে, "মোৰ জীৱনটো জ্বলালা, কিয় ? তোমাৰ বেশ্যা দেহটো মোক সঁপিলা কিয় ?" মই তেতিয়াও একো কব নোৱাৰিলোঁ। তপনে আকৌ ক'লে,— "এতিয়া বোবা হৈছা। ঠিক আছে, মই মোৰ পথ বাছি ল'ম।"

তপনে মোৰ লগত নুশুলে সিদিনা। কাষৰ ৰুমটোৰ বিচনাখনত শুবলৈ গ'ল। ভাত-পানী নুচুলে। মই শুনিব পাইছিলোঁ,— তেওঁ উচুপিছিল। মই উঠি গৈছিলোঁ। তেওঁৰ ভৰিত ধৰি অনুৰোধ কৰিছিলোঁ। "তপন, মই তোমাক সকলো কথা খুলি ক'ম। আগতে ভাত কেইটা খাই লোৱা।" তপন উঠি বহিল। মোক দুয়োহাতেৰে সাৱটি ধৰি ক'লে, "কোৱা ৰুমী, মই শুনা কথাবোৰ মিছা বুলি কোৱা!" সৰু ল'ৰাৰ দৰেকৈ তপন উঠি আহি ভাতৰ টেবুলত বহিছিল। দুয়ো ভাত খাইছিলোঁ নীৰবে। খাই উঠি তপন মোৰ বিচনাতে শুই পৰি-ছিল। ইয়াৰ পিচত মই কৈ গৈছিলোঁ মোৰ কলঙ্কিত অতীতৰ সমগ্ৰ কাহিনী। কৈ কৈ কান্দিছিলোঁ। তেওঁৰ দুয়ো ভৰি চুই ক্ষমা খুজিছিলোঁ। তপন শুই পৰিছিল;— যেন জোৱাঁৰৰ পিচৰ শান্ত-সমাহিত এখনি সাগৰ। মই সজোৰে সাৱতি ধৰি সুধি-ছিলোঁ,— "কোৱা মোক ক্ষমা কৰিছা ?" উত্তৰত তপনে গভীৰ সুৰত মৰম লগাকৈ কৈছিল,— "মোক শুই থাকিব দিয়া ৰুমী!" তপন শুইছিল। কাষত ময়ো শুই পৰি-ছিলোঁ......। ৰাতিপুৱা সাৰ পাই দেখো তপন মোৰ কাষত নাই! কাষৰ কোঠা-টোলৈ গৈ দেখো তেওঁ বিচনাখনত চিৎ হৈ শুই আছে! টেবুলৰ ওপৰত 'দায়েৰীবুক'খন পৰি আছে; আৰু মজিয়াত পৰি আছে হোটা থকা স্লিপিং টেব্‌লেটৰ সুদা ফাইল এটা...... ।'

এইখিনিলৈ কৈ ৰুমী আকৌ কান্দি উঠিল। প্ৰবল আবেগেৰে তলৰ ওঁঠটো কামুৰি ধৰি কঁপা কঁপা মাতেৰে ক'লে,— "তেওঁ মোক ক্ষমা নকৰিলে বিন দা! গুচি গ'ল। ময়ে খালো তেওঁক ......।"

ইমানপৰে মই হতভম্ব হৈ বহি আছিলোঁ। ৰুমীক মোৰ এক অবুজ সাঁথৰ যেন লাগিল। ...... শেষত তপনৰ 'দায়েৰী'খনৰ পৰা সিহঁতৰ ঘৰুৱা জীৱনৰ বিষয়ে অধিক কিছু পোৱাৰ আশাৰে ৰুমীক সেইখন খুজিলোঁ। ৰুমী বিচনাৰ পৰা নামি আহিল। আলমাৰী খুলি দায়েৰীখন আনিলে। মোৰ হাতত দি ক'লে, "দায়েৰীখন ময়ো পঢ়ি চাইছোঁ। শেষৰ দিনাও লিখিছে। তেওঁ সকলো সচাঁ কথাকে লিখিছে। নিয়া, পঢ়ি চাবা। কিন্তু মোক আকৌ ফিৰাই দিবা। তপনৰ লিখা-বোৰৰ মাজত সচাঁ মানুহজনক কাষত পাই থকা যেন লাগে।" দায়েৰীখন লৈ ৰুমীক ক'লোঁ, "যিটো হবলগীয়া আছিল হৈ গ'ল। সেইবোৰ এতিয়া ভাবি থাকি লাভ নাই। মই জনাত তপন অলপ বেছি 'চেন্টিমেন্টেল্' আছিল। তুমি এতিয়া আৰু ইয়াত থাকিব নেলাগে। কাইলৈ দেউতাৰাৰ ঘৰলৈ যোৱাগৈ।" বাধা দি ৰুমীয়ে ক'লে, "মই নেযাওঁ বিনন দা। মই ইয়াতে থাকিম অকলে। মোৰ জীৱনৰ ভুলৰ প্ৰায়শ্চিত্ত এনেকৈয়ে কৰিম। তপনৰ স্মৃতি মই মঁচিব নোৱাৰো।

ইয়াৰ পিচত দুই এটি গতানুগতিক উপদেশেৰে ৰুমীৰ পৰা বিদায় ল'লোঁ। ঘড়ীলৈ চালোঁ। নিশা এঘাৰ বাজিছে। ৰুমীৰ ঘৰৰ পৰা মোৰ ঘৰ দুই ফাৰ্লং আঁতৰত। ঘৰলৈ খোঁজ ল'লোঁ যদিও খোঁজবোৰ যেন থৰক বৰক হৈছে। সমগ্ৰ ভাগৰ অৱসাদে যেন এতিয়াহে জুমুৰি দি ধৰিছে। চকুৰ আগত মাথো এখন মুখ জিলিকি আছে। হাঁহি হাঁহি মুখখনে যেন সুধি পেলাব, "মাষ্টৰ, কচোন, তোৰ খবৰ।"

টেবুলৰ ওপৰত সাজি থোৱা ভাত সাজ চুবৰ ইচ্ছা নগ'ল। পেটৰ ভোক যেন নাইকিয়া হৈ গৈছে। তপনৰ দায়েৰীখন মেলি ল'লোঁ। মোৰ অতি চিনাকি তপনৰ হাতৰ গোট গোট আখৰবোৰ। প্ৰতিটো আখৰৰ বুকুতে যেন প্ৰতিবিম্বিত হৈ আছে, তপনৰ হাঁহি থকা মুখখন।

দায়েৰীখনৰ প্ৰথমৰ ফালে তপনৰ দৈনন্দিন জীৱনৰ বিভিন্ন কথা ঠাই পাইছে। ক'ৰবাত 'ফাংশ্যন'ৰ 'এন্‌গেজমেন্ট্', কলেজৰ কামত বিভিন্ন ঠাইলৈ যোৱাৰ কথা। কোনো কোনো তাৰিখত একো কথা নাই। কিছুমান আঁক-বাঁক কৰি থৈছে। কিছুমান তাৰিখত কবিতা আৰু গীতেৰে ভৰাই থৈছে। ক'ৰবাত, ৰুমীৰ লগত 'হোৱা বিভিন্ন কথাৰ প্ৰতিক্ৰিয়া লিপিবদ্ধ কৰিছে। বিয়াৰ দিনাখন লিখিছে,

"... আজি মোৰ কুমীৰ লগত বিয়া। মোৰ আৰু কুমীৰ বিয়া! আজিৰ পৰা কুমী দাস কুমী বৰুৱা হ'ব। ..... বহুতে কয় কুমী হেনো চৰিত্ৰহীনা! মোৰ আৰু কুমীৰ হেনো জাত-কূল নিমিলে। কিন্তু সেই সকলেতো নেজানে, কুমীৰ সুৰীয়া প্ৰাণ কেনেকৈ মোৰ প্ৰাণৰ সৈতে বিলীন হৈ গৈছে। চৰিত্ৰ, জাত-কূল এইবোৰ তুচ্ছ কথা।"........

ফুলশয্যাৰ নিশা লিখিছে, "কুমীক সুখী যেন লাগিছে। সৰ্ব্বসত্ত্বা মোতে উজাৰি দিছে। .... ভগবানক খাটিছোঁ, এই শয্যা মোৰ ফুলেৰেই ভৰি ৰওঁক, কাঁইটেৰে নভৰে যাতে।"

ইয়াৰ পিচত এদিন লিখিছে, "এটা সত্য অৱিষ্কাৰ কৰি মই আতঙ্কিত হৈ পৰিছোঁ। কুমীৰ লগত মোৰ এমাহৰ সহবাস। কিন্তু কুমীৰ কঁকালৰ তলৰ শকতখিনিয়ে স্পষ্টকৈ কয়, কুমী যেন চাৰিমহীয়া অন্তঃসত্ত্বা। .. ..."

ইয়াৰ পিচৰ ভালেকেইটা দিনৰ দায়েৰী লিখা নাই। পিচৰ আন এঠাইত লিখিছে, "শুনিছোঁ.... দাম্পত্য-জীৱনে বহুতৰে জীৱনলৈ ৰঙীণ ফাগুন আনে। কৃষ্ণচূড়াৰ ৰঙীণ হাঁহিৰে ভৰাই তোলে প্ৰতিক্ষণ। ... .... মোৰ জীৱনলৈও হয়তো ফাগুন আহিছে। হয়তো কৃষ্ণচূড়া ফুলিছে। কিন্তু ভুল সকলো। সেই ফাগুন মোৰ নীৰবধি কাল; কৃষ্ণচূড়াৰ ৰঙীণ হাঁহি মোৰ শ্মশানৰ চিতা জুই। ...."

আন এদিনৰ দায়েৰী,—. "কোনাৱে মোক ধৰিব পৰা নাই, কি অসহনীয় বেদনাত মই জ্বলি-পুৰি মৰিব লাগিছেঁা। সকলোৱে ভাবিছে মই বিয়া কৰাই সুখী হৈছোঁ।.... কিন্তু কোনোৱে মোৰ বাহ্যিক আচৰণৰ পৰা ধৰিব পৰা নাই যে হাঁহি-মাতি গাই চলি থকা অধ্যাপক তপন বৰুৱাৰ অন্তৰ-ৰাজ্যত কি দাবানল জ্বলিব লাগিছে........ ।"

শেষৰ দিনাখনৰ দায়েৰীত লিখিছেঁ—"আশা কৰিছিলোঁ,— কুমীয়ে মই শুনা সকলোবোৰ কথা মিছা বুলি কওঁক। নক'লে। স্বীকাৰ কৰিলে সকলো সঁচা বুলি। ....তিনি জন পুৰুষে চুহি খাইছে কুমীৰ জীৱন যৌৱনৰ মাধুৰ্য্য। তৃতীয় জন পুৰুষ দেউতাকৰ ব্যৱসায় সংক্ৰান্তৰ পৰম বন্ধু ৰামলাল মাৰোৱাৰীৰ বৰপুতেক ৰঞ্জিত। ৰঞ্জিত বিবাহিত। কুমীৰ দেউতাকেই কুমীক ৰঞ্জিতৰ লগত অবাধ-মিলামিচাৰ সুবিধা দিছিল। দিবলগা হৈছিল। ৰামলাল মাৰোৱাৰীৰ ওচৰত কুমীৰ দেউতাকৰ কেইবা লাখ টকাৰ ধাৰ! প্ৰতিশ্ৰুতি সুবিধা ল'লেঁ ৰঞ্জিতে পূৰা। কুমীৰ গৰ্ভত দিলে বিয়া কৰাব বুলি। ....কুমীৰ হাতৰ সিঁচিলে অনাহুত ভ্ৰূণ। ....কুমীৰ হাতৰ সোণৰ চেইন্ খটোৱা ঘড়ীটো ৰঞ্জিতেই বিয়াত উপহাৰ দিছে। ....কুমীয়ে মোক ক'লে সকলো। ক্ষমা খুজিছে মোৰ ভৰি চুই। হোঃ, মোক বাৰু তেওঁ দেৱতা বুলি ভাবিছে নেকি! ........কুমী শুইছে। গভীৰ টোপনী আহিছে। মই উঠি আহিছোঁ। এই কাইটৰ শয্যাত নোৱাৰি শুব। আজি তাত শুম। সিটো কোঠাৰ বিচনাত। চিৰকালৰ বাবে শুম। ....মোৰ হাতত এইটো স্লিপিং 'টেব্লেট'ৰ শাইল। ....মোৰ গভীৰ আশা থাকিল— কুমী নিশ্চয় সুখী হ'ব ... ... ।"

দায়েৰীখন জপালোঁ। মনত ভাব হ'ল, তপনে কেৱল মঞ্চতে নহয়; বাস্তৱ জীৱনতো বিৰাট অভিনয়ৰ মায়াজালেৰে নিজৰ অভিব্যক্তি ঢাকি ৰাখিছিল, যি অভিনয়ৰ সান্তদ মনো ধৰিব নোৱাৰিলোঁ। ...সেই হাস্যমান মুখখন! গভীৰ গগনাস্তুৰীয়া মিঠা মাতটো এতিয়াও কাণত বাজি আছে...... "মাষ্টৰ, কচোন তোৰ খবৰ। .. ...."

ঘড়ীলৈ চালোঁ— ২ বাজি ৪০ মিনিট। মোৰ বাহিৰত কুকুৰ দুটামানে খুব ভুকিছে। মোৰ ঘৰৰ ওপৰেদি জপ-জপাই দেউকা কোবাই কিবা এটি চৰাই উৰি গ'ল।

তপনৰ দায়েৰীখন সাৱতি লৈ মই শুই পৰিলোঁ।

---

[ আমাৰ কলেজৰ কৃতী ছাত্ৰ বিনন্দি ডেকা, অজানিত কাৰণত অকাল বয়সত মৃত্যুক সাৱটি লয়। তেওঁক এজন অকল কৃতী ছাত্ৰ বুলিলেই প্ৰকৃতাৰ্থত তেওঁৰ বিষয় কোৱা শেষ নহয়, ভাল লেখক, গায়ক আৰু ছবি আঁকোতাও। আত্ম হত্যাৰ বাটেৰে বিনন্দিয়ে হয়তো শান্তি বিচাৰিলে, আমালৈ এৰিলে— পৰম কৌতুহল, বিস্ময়। ডেকাৰ পৱিত্ৰ স্মৃতিত তেওঁৰেই স্বৰচিত এই গল্পটি আগবঢ়োৱা হ'ল।]

[ সম্পাদক
আলোচনী ]

# শ্ৰীকৃষ্ণৰ শেষঅস্ত্ৰ

## (ওড়িয়া গল্প)

অনুঃ অধ্যাপক সুৰেন্দ্ৰ কুমাৰ শৰ্মা

[ সংসদী সদস্য সুৰেন্দ্ৰ মহান্তি ওড়িয়া সাহিত্য জগতৰ এজন লব্ধ প্ৰতিষ্ঠ ঔপন্যাসিক। "নীল-শৈল" উপন্যাসত সাহিত্য একাডেমীৰ পুৰস্কাৰ বিজেতা মহান্তিত চুটি গল্পকাৰ হিচাবে ওড়িয়া সাহিত্যত বিশেষ অগ্ৰণী। প্ৰায় দহখন চুটি গল্পৰ পুথি এতিয়ালৈকে প্ৰকাশ হৈছে। তেখেত একেধাৰে জীৱনী লেখক, সমালোচক, ঐতিহাসিক গল্প-লিখক আৰু ভ্ৰমণ কাহিনী লিখকো। ]

সেইদিনা মহাভাৰতৰ বিয়োগান্ত নাটকৰ শেষ দৃশ্য চাই যাবৰ কাৰণেও যেন ইন্দ্ৰপ্ৰস্থৰ গিৰিমালা নেপথ্যত অস্তাচল পথত সৰ্ব্বাদ্ৰষ্টা দিবাকৰে অৰুণ বাহিত ৰথখন এপলক থম্‌কাই ৰাখিলে।

মহাভাৰত-মহাসমৰৰ পিচত পৰিত্যক্ত কুৰুক্ষেত্ৰ, ধ্বজ আৰু ক'লচী শোভিত, মুক্তা আৰু মণিখচিত কৌৰব পক্ষৰ অংসখ্য ভগ্ন ৰথ, আনহাতে তূণ, ধনু আৰু লৌহশৰ শোভিত একাদশ অক্ষৌহিনী যোদ্ধাৰ শৰ-ৰাশি, দ্বাদশ যোজন বিস্তাৰ কৰি তেজৰ মাজত লুতুৰি পুতুৰি হৈ চাৰিওপিনে বাগৰি আছে। সেই মহাশ্মশানৰ শৰস্তূপৰ মাজত ৰোধত্মমানা, অসংযত বসনা, অবিন্যস্ত কুন্তলা, দুৰ্য্যোধন মহিষী ভানুমতী আৰু অন্যান্য কৌৰবকুল নাৰীসকলে নিজৰ নিজৰ প্ৰিয় আৰু স্বজন বৰ্গক অন্বেষণ কৰিছে। তেওঁলোকৰ মৰ্ম্মান্তিক ক্ৰন্দনে, কুকুৰ, শিয়াল আৰু শগুণৰ নাৰকীয় অট্টহাস্যকো মাজে মাজে নিৰ্মাজিত কৰি দিয়ে।

শ শ পতাকাৰ উদ্ধত চপলতা মৃত্যুৰ অচঞ্চল গাম্ভীৰ্য্যৰ মাজতো প্ৰশাসিত হৈছে। অশ্বৰ হ্ৰেষাৰব, ক্ৰুদ্ধ গজৰ চিৎকাৰ, যোদ্ধাৰ প্ৰমত্ত আস্ফালন মৃত্যুৰ গদাঘাতত আটাই-বোৰ নীৰৱ হৈ পৰিছে। ক্ৰন্দন আৰু শিবাৰ অট্টহাস্য মুখৰিত সেই মহাশ্মশানৰ ওপৰত চক্ৰাকাৰে উৰি থকা পৰ্য্যুষিত মাংসলোভী অগণিত শগুণৰ সঞ্চালিত পাখি কৰাল ছায়াৰ দৰে বিস্তাৰিত হৈছে।

ইন্দ্ৰপ্ৰস্থত ধৃতৰাষ্ট্ৰৰ প্ৰাসাদ নীৰৱ ও নিৰ্জন। মাজে মাজে সঞ্জয় আৰু বিদুৰৰ শান্ত-ধীৰ পদধ্বনিয়ে ধৃতৰাষ্ট্ৰৰ মৰ্মভেদী দীৰ্ঘশ্বাস আৰু গান্ধাৰীৰ অস্ফুট ক্ৰন্দনৰ ভাৰক্ৰান্ত নীৰৱতাক আৰু বেচি ঘনীভূত কৰিছে।

ধৃতৰাষ্ট্ৰ জন্মান্ধ। গতিকে কুৰুক্ষেত্ৰৰ মহাশ্মশানত, মহানিদ্ৰাৰ ধূলিশয্যাত মান গোবিন্দ দুৰ্যোধন সহিত শতপুত্ৰ, আকৌ কৰ্ণ, শল্য, দ্ৰোণ আৰু ভুৰিশ্ৰবা প্ৰমুখে সখা আৰু সহোদৰ সকলক শেষবাৰ চাই আহিবৰ কাৰণে তেওঁৰ ব্যাকুলতা, উৎকণ্ঠা, শোক আৰু দীৰ্ঘ-শ্বাস কৌৰব প্ৰাসাদৰ ছায়াছন্ন ভিত্তি প্ৰস্তৰ দেহত বাধা পাই বাড়ম্বাৰ নীৰৱ হৈ পৰিছে।

মাত্ৰ গান্ধাৰীয়ে নিজৰ দুয়োটা চকুৰ পৰা অন্ধ আবৰণ দলিয়াই দি, মহানিদ্ৰাত শায়িত শত পুত্ৰক প্ৰথম আৰু শেষবাৰ চাবৰ কাৰণে উৎকণ্ঠিত হৈ পৰিছে; কিন্তু অন্ধ ধৃতৰাষ্ট্ৰৰ পানিগ্ৰহণৰ সময়ত সতীত্বৰ পৰম নিষ্ঠাৰে ব্ৰতচাৰিণীৰ দৰে গান্ধাৰীয়ে নিজৰ দুই চকুত অন্ধ আৱৰণ বান্ধিছিল, তাৰ বন্ধন দুশ্চেছ্য আৰু গ্ৰন্থি দুৰ্ভেদ্য। সেয়া নহলে সতী ধৰ্মৰ আটাইবোৰ অহংকাৰ পাহৰি, আজি সেই অন্ধ আবৰণক এক তুচ্চ প্ৰতি-বন্ধকৰূপে, পথৰ ধূলিত দলিয়াই দিবৰ কাৰণে তেওঁ তিল মাত্ৰ হলেও কুণ্ঠিতা নহয়।

দুৰ্য্যোধন, দুঃশাসন, দুৰ্জ্জয়, দুৰন্ত, দুৰ্গম, দুৰম, দুৰ্ভৰ, দুৰ্ব্বাশক প্ৰমুখ শতপুত্ৰৰ জননী, মাতৃত্বৰ গৰবিনী সোমবংশৰ পূজনীয়া গান্ধাৰী! কৰ্পূৰ ৰেণু-সিঞ্চিত সুকোমল বিচনাত যি সকলক নিদ্ৰাই স্পৰ্শ কৰা নাছিল, আজি তেওঁলোকে কুৰুক্ষেত্ৰৰ শোণিত কৰ্দ্দমৰ মহা-নিদ্ৰাত অচেতন।

তেওঁলোকৰ শৱৰাশিৰ ওপৰত শিয়াল, কুকুৰ আৰু শগুণৰ অশ্লীল চিৎকাৰে এখন দ্বিতীয় নৰক সৃষ্টি কৰিছে।

এটি শগুণৰ দলৰ বিকট গৰ্জ্জনত গান্ধাৰী আৰ্ত্তনাদ কৰি উঠিল। আশ্ৰয়ৰ কাৰণে শূণ্যতে শুষ্ক-চৰ্মাবৃত শিৰাযুক্ত দুয়োখন হাত ওপৰলৈ তুলি অন্ধ আৱৰণ পৰিহিতা গান্ধাৰী অসহায় কণ্ঠৰে চিৎকাৰ কৰিলে ......

"বিদুৰ, সঞ্জয়!"

পৰিত্যক্ত কৌৰৱ-প্ৰাসাদৰ পৈশাচিক নীৰৱতাৰ মাজতে গান্ধাৰীৰ আকুল আহ্বানে প্ৰতিধ্বনি তুলি আকৌ নীৰৱ হৈ গ'ল।

* * * * * *

নিষ্ফল অহংকাৰ আৰু অভিমানত দুই কম্পিত বাহু স্ফীত কৰি, ওপৰলৈ দাঙি, অন্ধ ধৃতৰাষ্ট্ৰই বিদুৰৰ সন্মুখত আস্ফালন কৰিছিল "পাহৰি নাযাবা বিদুৰ, আজিও এই দুই বাহুত কুৰুকুলহন্তা ভীম সহিত পাণ্ডৱৰ পঞ্চ ভাতৃক চূৰ্ণ-বিচূৰ্ণ কৰি দিবৰ

শক্তি অক্ষুণ্ণ ৰৈছে।

ধৃতৰাষ্ট্ৰই কৌৰৱ-সিংহাসনৰ ওপৰত প্ৰচণ্ড জিঘাংসাৰে অস্ত্ৰাহত পশুৰ দৰে গৰ্জন কৰি উঠিল। তেওঁৰ কুঞ্চিত আৰু ৰেখাংকিত মুখমণ্ডলৰ শিথিল মাংস-পেশীবোৰ কিবা এক কাঠিন্যত নিষ্ঠুৰ হৈ পৰিল।

বিদুৰে শান্ত কণ্ঠৰে কলে… "মহাৰাজ, ধৃতৰাষ্ট্ৰইঁত চিৰকাল অন্ধ। সিংহাসনৰ স্বৰ্ণ-দীপ্তিত যুগে যুগে তেওঁলোক অন্ধ হৈছে। চক্ষুনতা একমাত্ৰ দৃষ্টি নহয় মহাৰাজ। পাণ্ডৱ ভাই সকলক সমূলে নিধন কৰিবৰ কাৰণে জতুগৃহ দাহৰ ষড়যন্ত্ৰৰ সময়ত, ভীম সেনক বিষপান কৰোঁৱা সময়ত, আকৌ সামান্য পাঁচখন গাওঁৰ কাৰণে শ্ৰীকৃষ্ণৰ দৌত্যৰ উত্তৰ সূচ্য পৰিমিত ভূমিও নিদিও" বুলি দুৰ্যোধনে আস্ফালন কৰা সময়ত, দৃষ্টিৰে আপুনি যদি এই পৰিণতি হিচাব কৰিলেহেঁতেন, তেনেহলে অনুশোচনাত আজি আপুনি এনেকৈ তিলে তিলে দগ্ধীভূত নহলহেঁতেন! কিন্তু অকল আপুনিয়ে নহয়, আটাইবোৰ ধৃতৰাষ্ট্ৰ আপোনাৰ দৰে অন্ধ।"

ধৃতৰাষ্ট্ৰই কলে— "মাত্ৰ ভীষ্ম, কৰ্ণ, দ্ৰোণৰ দৰে মহাবীৰ সকল পাণ্ডৱ সকলৰ দ্বাৰা এনেদৰে পৰাজিত হব, সেই কথাতো মই আশংকা কৰা নাছিলোঁ বিদুৰ।"

বিদুৰে ক'লে …. "সেই কাৰণেইতো মই কওঁ, ধৃতৰাষ্ট্ৰ ইঁত চিৰকাল অন্ধ! নিৰ্য্যাতিত, নিপীড়িত, আৰ্ত্ত আৰু বঞ্চিতবাদী, আপাত দৃষ্টিত যিমানেই দুৰ্ব্বল হলেও অক্ষৌহিনী সেনাৰ ৰণ প্ৰস্তুতি আৰু ত্ৰিপুৰ বিজয়ী যোদ্ধা সকলৰ ধনুষ্টংকাৰে তেওঁলোকক বিৰম্বিত কৰিব নোৱাৰে। ক'ত দৰ্পিত ইন্দ্ৰপ্ৰস্থ, ক'ত মদমত্ত হস্তিনা, ক'ত অহংকাৰী বাৰুণা, মহাকাশত এনেদৰে বাৰম্বাৰ ভূলুণ্ঠিত হব! মহাৰাজ, মহাভাৰতত ঐক্য আৰু শান্তি ক্ষমতাৰ দাম্ভিকতা নিটিকে; টিকিব লাঞ্চিত বঞ্চিত আৰু অপমানিতকাতৰে যথাৰ্থ দাবীৰে প্ৰতিষ্ঠিত কৰাতহে, টিকিব উদাৰ্য্যৰে কৰুণাৰে, দাক্ষিণ্যৰে।"

ইন্দ্ৰপ্ৰস্থৰ আকাশত কালবৈশাখীৰ ঘূৰ্ণী-বতাহ ধৃতৰাষ্ট্ৰৰ কণ্ঠত যেন গৰ্জন কৰি উঠিল। বিদুৰৰ প্ৰতি প্ৰচণ্ড ক্ৰোধত চিৎকাৰ কৰি ধৃতৰাষ্ট্ৰই ক'লে - বিদুৰ, তুমি-য়েই কৌৰৱৰ অনুভোজী নোহোৱানে! কৌৰৱৰ উদাৰ্য্যৰে, কৰুণাৰে, দাক্ষিণ্যৰে লালিত পালিত আৰু বৰ্দ্ধিত তুমি নোহোৱানে! আজি কৌৰৱসকলৰ চৰম দুৰ্দ্দিনত এয়া কি তোমাৰ প্ৰতিদান? কৌৰৱৰ অন্নৰ প্ৰতিদানেৰে তোমাৰ কণ্ঠত সমবেদনাৰ ক্ষীণ বীণা এশাৰীও নাই।"

বিদুৰে অবিচলিত কণ্ঠৰে উত্তৰ দিলে— "কিন্তু সত্য যিমানে কঠোৰ হলেও এদিন তাৰ সম্মুখীন হবই লাগিব, মহাৰাজ!" ধৃতৰাষ্ট্ৰই চিৎকাৰ কৰি উঠিল— "কিন্তু সামান্য ৰাজ্যৰ কাৰণে পাণ্ডৱসকলৰ দাতা সখানাশ, সোদৰনাশ, কুলনাশ, এয়াকি তোমাৰ, সত্য বিদুৰ? মইনো কেনেকৈ পাহৰোঁ কোৱা, বিদুৰ! আজি সোম বংশৰ দীপশিখা এটিৰ পিচত এটিকৈ নিৰ্ব্বাপিত হৈ গ'ল। অন্ধ ধৃতৰাষ্ট্ৰৰ অন্ধ তমিস্ৰা



(গাঢ় আন্ধাৰ) ৰ দৰে, ইয়াৰ পিচত অতীত, বৰ্ত্তমান আৰু ভৱিষ্যত আটাইবোৰ নিৰন্ধ্ৰ, দুৰ্ভেদ্য, নিষ্ঠুৰ অন্ধকাৰ।"

বিদুৰে শান্ত কণ্ঠেৰে উত্তৰ দিলে— 'কৰ্মফলৰ অলংঘণীয় পৰিণতিৰূপে ইয়াক গ্ৰহণ কৰি শোক সম্বৰণ কৰক মহাৰাজ; শান্তি লাভ কৰিব। আপুনি কুৰুকুলৰ অগস্তিৰূপে কৌৰৱ সমুদ্ৰ নিঃশেষ কৰিছে, পাণ্ডৱ সকলতো জীৰ্ণ-শীৰ্ণ কূপমাত্ৰ! আজি ক্ৰোধানলত প্ৰজ্বলিত হৈ সেই কূৱা নিঃশেষ নকৰিব।"

এনে সময়ত অন্ধ আবৰণ পৰিহিতা, শোকাকুলা গান্ধাৰী উন্মাদিনীৰ দৰে তালৈকে দৌৰি আহি ক'লে— "মহাৰাজ, এদিনাখন আপোনাৰ কাৰণে মই চকুত নিজ হাতেৰে বান্ধিছিলোঁ এই অন্ধ অবৰণ। সেই বন্ধনৰ দুচ্ছেদ্য গ্ৰন্থি আজি নিজ হাতেৰে ছিন্ন কৰি দিয়ক মহাৰাজ! শত পুত্ৰৰ জননী মই, জীৱিত অৱস্থাত যাক দেখা নাই, আজি অন্ততঃ মৃত্যুৰ শেষ-শয্যাত সিহঁতক এবাৰ চাই নয়নৰ জ্বালা শান্ত কৰোঁ।"

অন্ধ আবৰণৰ গ্ৰন্থি ছিন্ন কৰিবৰ নিস্ফল উদ্যমেৰে শিৰা-যুক্ত আঙুলিৰে শত নখা ঘাতৰে নৰ কংকালৰ দৰে দেখা গান্ধাৰীৰ শুষ্ক চৰ্মাবৃত্ত মুখখন ৰক্তাক্ত হৈ পৰিছিল। লোতক আৰু শোণিতৰ ধাৰাই গান্ধাৰীৰ মুখমণ্ডল অত্যন্ত ভয়ংকৰ কৰি তুলিছিল।

গান্ধাৰীয়ে শোকাপ্লুত কণ্ঠৰে আকৌ চিৎকাৰ কৰি উঠিল —"মহাৰাজ, আপোনাৰ কাৰণেই অন্ধ আবৰণৰ আবৰণ তলত চকু থাকিও মই চিৰদিন অন্ধ হৈ আহিছোঁ। আজি মোৰ কাৰণে সেই আবৰণ এবাৰ মাত্ৰ উন্মোচন কৰক মহাৰাজ।"

গান্ধাৰীৰ অনুৰোধত ধৃতৰাষ্ট্ৰৰ মুখমণ্ডল এচপৰা ক'লা মেঘে যেন আচ্ছন্ন কৰি পেলালে। গান্ধাৰীয়ে নাজানে, মাত্ৰ ধৃতৰাষ্ট্ৰইহে জানে, অন্ধ আবৰণ পৰিহিতা গান্ধাৰীৰ দুই চকুত পুঞ্জীভূত হৈ ৰৈছে বিশ্বৰ দাবানল! সেই দৃষ্টি এবাৰ উন্মুক্ত হলে ধৃতৰাষ্ট্ৰও ভষ্ম হব।

গান্ধাৰীক সান্ত্বণা দি বিদুৰে ক'লে— "শোক সম্বৰণ কৰক মহাদেৱী! কোনে কয় আপুনি পুত্ৰহীনা? জ্যেষ্ঠ পাণ্ডৱ যুধিষ্ঠিৰৰ অভয় ছায়া তলত দুৰ্দ্দক্ষ এতিয়াও জীৱিত। আকৌ পঞ্চ পাণ্ডৱেও আপোনাক জননী তুল্য ভক্তি কৰে।

গান্ধাৰীয়ে উন্মাদিনীৰ দৰে চিৎকাৰ কৰি উঠিল, …… "মই জানো মহাৰাজ, আৰু এই অন্ধ আবৰণ উন্মোচিত নহব। আৰম্ভৰ পৰা শেষ পৰ্য্যন্ত, গান্ধাৰীৰ জীৱন কেৱল অমাবস্যাৰ নিৰন্ধ্ৰ, নিষ্ঠুৰ অন্ধকাৰ।"

গান্ধাৰী যেনেকৈ বাত্যাবাহিত এটি শুকান পত্ৰৰ দৰে ধৃতৰাষ্ট্ৰৰ সন্মুখলৈ উৰি আহিছিল, তেনেদৰে তাৰ পৰা আকৌ স্খলিত পাদৰে উভতি গ'ল।

* * *

ৰথ প্ৰস্তুত। যুধিষ্ঠিৰে অকলে ৰথত উপবেশন কৰিবৰ কাৰণে উদ্যত হৈছিল; এনে সময়ত শ্ৰীকৃষ্ণ দুৰ্দ্দশৰ লগত হঠাৎ বিপৰীত ফালৰ পৰা আহি তেওঁক সুধিলে,—

"হস্তিনাৰ সিংহাসনত আসন্ন অভিষেক উৎসৱৰ মাজত অকলে কোনফালে অগ্ৰসৰ হৈছে ধৰ্ম্মৰাজ ?"

যুধিষ্ঠিৰে ক'লে,– "মাতা গান্ধাৰীয়ে মোক স্মৰণ কৰিছে। তেওঁৰ দৰ্শনৰ কাৰণে ওলাইছোঁ। শ্ৰীকৃষ্ণই ক'লে, "বহুদিন গান্ধাৰীৰ লগত মোৰো সাক্ষাৎ হোৱা নাই। তেনেহলে বলক জ্যেষ্ঠ পাণ্ডৱ, মই আপোনাৰ ৰথ চলাই নিম।"

যুধিষ্ঠিৰে এনেকুৱা আকস্মিকতাত বিস্মিত হৈ সুধিলে, "এয়া আকৌ কি নতুন মায়া, মায়াধৰ ?"

শ্ৰীকৃষ্ণ সাৰথিৰ স্থানত বহি, স্মিত হাঁহিৰে যুধিষ্ঠিৰক কলে— "মহাভাৰতৰ জয় যাত্ৰা পথত যি পাণ্ডৱৰ জয়ৰথ আগবাঢ়িছিল, তাৰ দিক্‌দৰ্শনত কি আপোনাৰ সন্দেহ হৈছে কৌন্তেয় ?"

যুধিষ্ঠিৰ নীৰৱে থাকিল।

শ্ৰীকৃষ্ণ চিৰদিন এনেকৈ প্ৰহেলিকাময় !

❀ * ❀

কুৰুক্ষেত্ৰৰ মহাশ্মশানৰ মাজত প্ৰতিটো শৱ স্তূপ চাই সঞ্জয়ৰ লগত গান্ধাৰীয়ে শত পুত্ৰৰ শৱ সন্ধান কৰিছিল। শিয়াল, কুকুৰ আৰু শগুণৰ দলবোৰ ঠেলি গান্ধাৰীৰ হাতত ধৰি, সঞ্জয়ে তেওঁক আসন্ন সন্ধ্যাৰ বিষণ্ণ গধূলিৰ মাজত পথ আগবঢ়াই নিছিল।

সঞ্জয়ে ক'লে– "মহাদেৱী ! ভূতলশায়ী হৈ মহানিদ্ৰাত অচেতন হৈ পৰিছে, এয়া পিতামহ ভীষ্ম ! তেওঁৰ মুখ মণ্ডলত অনন্ত প্ৰশান্তি।"

গান্ধাৰীয়ে ক'লে— "জানো সঞ্জয়, স্বইচ্ছাৰে তেওঁ প্ৰাণ সম্বৰণ কৰিছে। স্বেয়া নহলে ত্ৰিপুৰবিজয়ী ভীষ্মৰ সম্মুখত পাণ্ডৱ সকল তুচ্ছতকৈও তুচ্ছ।"

সঞ্জয়ে ক'লে, "আৰু ৰথ-চক্ৰ তলত ইয়াতে নিষ্পেষিত হৈ পৰিছে, বাহ্লীক বীৰ সোমদত্ত, মত্ত হস্তীৰ দন্তাঘাতত ৰক্তাক্ত হৈ পৰিছে ভূৰিশ্ৰৱা, মহাদেৱী ! অৰ্জ্জুনৰ শৰাঘাতত উত্তানশায়ী হৈ পৰি ৰৈছে মহাবীৰ কৰ্ণ। বৈদুৰ্য্যখচিত তেওঁৰ কিৰীটিত অস্তগামী সূৰ্য্যৰ শেষ কিৰণ ৰেখা, পুত্ৰৰ মস্তকত পিতাৰ আশীৰ্ব্বাদ সিঞ্চ-স্পৰ্শৰ দৰে তথাপি লাগি ৰৈছে। সেই প্ৰভাত কৰ্ণৰ মুখমণ্ডল শত-দলৰ সত্যতাৰে তথাপি উদ্‌ভাসিত।"

গান্ধাৰীয়ে শোকাৰ্ত্ত কণ্ঠেৰে কৰ্ণক সাৰটি আলিংগন কৰি কলে – "আহা বৎস, জননীৰ বাৎসল্য-বঞ্চিত কৌন্তেয় জ্যেষ্ঠ পাণ্ডৱ। দুৰ্য্যোধনৰ মান ৰক্ষাৰ কাৰণে তুমি অপৰাজেয় বীৰ, আজি ৰণ ভূমিত শোণিত-পংকত লুতুৰি পুতুৰি হৈছা, কিন্তু হে সৰ্ব্বদ্ৰষ্টা দিবাকৰ, সৰ্ব্বশক্তিমান, সহস্ৰ শীৰ্ষা হিৰণ্য গৰ্ভ, অংশুমালী, যিসকলে ক্ষাত্ৰ ধৰ্মৰ প্ৰতিকূলাচৰণ কৰি অন্যায় যুদ্ধৰে কৰ্ণক হত্যা কৰিছে, তেওঁলোকৰ কি একো শাস্তি নাই ? নাই ? নাই ?"

তেওঁ কিছু দূৰ অগ্ৰসৰ হোৱাৰ পিচত সঞ্জয়ে ক'লে – "দেৱী ! ভীমৰ গদাঘাতত এয়া ধাৰাশায়ী হৈছে ভগ্নজানু দুঃশাসন ! বিবসনা দ্ৰৌপদীৰ উলংগ উৰুৰ প্ৰতি অশ্লীল কটাক্ষৰ প্ৰতিশোধ নিবৰ এয়াই আছিল ভীমৰ প্ৰতিজ্ঞা। নীলা-মেঘত বিদ্যুতৰ চিকিমিকিৰ দৰে তেওঁৰ প্ৰশান্ত বক্ষত মণিমুক্তা খচিত ডিঙিৰ হাৰ তথাপি বিলম্বিত হৈ আছে ! ... বলক দেৱী, জীৱন মৃত্যুৰ এয়াইতো চিৰন্তন লীলা; আটাইৱে কৰ্মফলৰ অধীন।

গান্ধাৰীয়ে উচ্ছাসিত ক্ৰন্দনৰ ৰুদ্ধ আবেগেৰে কলে— "মোৰ অন্ধ আবৰণ এবাৰ মাথোন উন্মোচন কৰা সঞ্জয় ! জীৱিত অৱস্থাত যাক কেতিয়াও দেখা নাই, মৃত্যুৰ ধূলি শয্যাত তাকে এবাৰ চাই চিৰক্ষুধিত নয়নৰ জ্বালা প্ৰশমিত কৰোঁ।"

গান্ধাৰীৰ পৰা অলপ দূৰতে শ্ৰীকৃষ্ণই ৰথৰ গতি স্তিমিত কৰি দিলে। যুধিষ্ঠিৰে উদ্বিগ্ন কণ্ঠৰে সুধিলে— "ৰথৰ গতি কিয় স্তিমিত কৰিলে নাৰায়ণ ?"

শ্ৰীকৃষ্ণই স্মিত হাঁহিৰে কলে,— "যিসকল শোকাৰ্ত্ত, বেদনাৰ্ত্ত, দুঃখী তেওঁলোকৰ ওচৰলৈ ক্ষমতা আৰু দৰ্পৰ অভিমানৰে ৰথত আৰোহণ কৰি যোৱা শোভনীয় নহয়। সেইখিনিতে তেওঁলোকৰ শোকৰ গাম্ভীৰ্য্য আৰু মৰ্য্যাদা লাঘৱ হয়। গান্ধাৰী আকৌ তোমাৰ মাতৃ তুল্যা।"

যুধিষ্ঠিৰে অপৰাধীৰ দৰে ৰথৰ পৰা অৱতৰণ কৰি ক'লে— "আপুনি যথাৰ্থ কৈছে নাৰায়ণ; শোকাৰ্ত্তা গান্ধাৰীৰ ওচৰলৈকে খোজ কাঢ়ি যোৱাহে মোৰ পক্ষে সমীচিন।"

দুৰ্য্যোধনৰ শৱৰ ওচৰতে শোক বিহ্বলিতা গান্ধাৰীৰ ওচৰলৈকে যুধিষ্ঠিৰ অগ্ৰসৰ হৈছিল; তেওঁৰ এটি বাহুত টানি ধৰি শ্ৰীকৃষ্ণই কলে— "গান্ধাৰীয়ে তোমাক কিয় স্মৰণ কৰিছে, জানিছা যুধিষ্ঠিৰ ?"

যুধিষ্ঠিৰে কলে— "নাই মইতো একো নাজানোঁ।"

শ্ৰীকৃষ্ণই স্মিত হাঁহিৰে ক'লে— "কুৰু মহাশ্মশানৰ শৱ স্তূপৰ মাজত গান্ধাৰীয়ে নিজৰ পুতেকসকলক এবাৰ চাবৰ কাৰণে, তেওঁৰ অন্ধ আবৰণ উন্মোচন কৰিবৰ উদ্দেশ্যৰে তোমাক স্মৰণ কৰিছে।"

যুধিষ্ঠিৰে ক'লে – "এইটোনো কি কষ্টৰ কথা ? এই মুহূৰ্ত্তে মই সেই গ্ৰন্থি ছিন্ন কৰি দিম !"

শ্ৰীকৃষ্ণই স্মিত হাঁহিৰে আকৌ কলে.... "কিন্তু যুধিষ্ঠিৰ, তুমি বিস্মিত হৈছা কেনেকৈ, শত পুত্ৰৰ জননী গান্ধাৰী আজি তোমাৰ কাৰণেই পুত্ৰহীনা ! গান্ধাৰীৰ মনত তুচ্ছ সিংহাসনৰ কাৰণে তোমাৰ সৰ্ব্বগ্ৰাসী লোভ ও ঈৰ্ষাই আজি কুৰুকুল নিষ্প্ৰদীপ কৰিছে।"

যুধিষ্ঠিৰে অসহায় কণ্ঠেৰে ক'লে... ....
"সেই হতান্ত গান্ধাৰীয়ে নাজানক লাগে, আপুনিতো আটাইবোৰ জানে অন্তৰ্য্যামী!"

শ্ৰীকৃষ্ণই ক'লে— "এতিয়া তুমি গান্ধাৰীৰ অন্ধ আবৰণ উন্মোচন কৰাৰ পিচতে তেওঁ যেতিয়া তোমাৰ পাদ তলত প্ৰিয়পুত্ৰ দুঃশাসনৰ ভূতলশায়ী শৱ দেখিব, তেতিয়া শান্তি ও শান্তনা পৰিবৰ্ত্তে তেওঁৰ প্ৰাণত শোকবহ্নি শত গুণৰে প্ৰজ্বলিত নহবনে ?"

যুধিষ্ঠিৰে কিংকৰ্ত্তব্য বিমূঢ়ৰ দৰে ক'লে ... "সেইটো সত্য। কিন্তু গান্ধাৰীয়ে যেতিয়া অন্ধ আবৰণৰ আৱৰণ উন্মোচন কৰিবৰ বাবে মোক স্মৰণ কৰিছে, মই কি কৰিম কওঁক

নাৰায়ণ ? মই নিৰুপায় ।”

শ্ৰীকৃষ্ণই ক'লে— “গান্ধাৰীৰ শতপুত্ৰ হয়তো বিনষ্ট হ'লহেঁতেন; কিন্তু এতিয়াও জীৱিত আছে দুৰ্দ্দক্ষ। কুৰু বংশৰ শেষ প্ৰদীপ দুৰ্দ্দক্ষক দেখি গান্ধাৰীৰ শোকাৰ্ত্ত প্ৰাণেও শান্তি লাভ কৰিব ।”

যুধিষ্ঠিৰৰ কণ্ঠস্বৰ শুনি উৎকণ্ঠিতা গান্ধাৰীয়ে সুধিলে— “সঞ্জয়, এয়াতো যুধিষ্ঠিৰৰ কণ্ঠস্বৰৰ দৰে মনত হৈছে ।”

সঞ্জয় ক'লে— “শ্ৰীকৃষ্ণৰ লগত অগ্ৰপাণ্ডৱ যুধিষ্ঠিৰে আপোনাৰ পদবন্দনাৰ কাৰণে আহিছে ।”

উদ্বেলিতা গান্ধাৰীয়ে যুধিষ্ঠিৰক আলিংগন কৰিবৰ কাৰণে শূণ্যতে দুই কম্পিত শিৰাযুক্ত বাহু ওপৰলৈ তুলি ক'লে— আহা, আহা বৎস, বিগলিত কৰুণাৰ প্ৰতিৰূপ অগ্ৰপাণ্ডৱ যুধিষ্ঠিৰ...... তুমি আজি অগ্ৰকৌৰৱো। মই পাপিনী, মোৰ ক্ৰুৰ কৰ্মৰ ফলভোগ কৰিছোঁ। এতিয়া মোৰ দুচ্ছেদ্য অন্ধ আৱৰণ গ্ৰন্থি এবাৰ উন্মোচন কৰি দিয়া পুত্ৰ, যি শতপুত্ৰক জন্ম দিওঁ স্বচক্ষুৰে কেতিয়াও দেখা নাই, এতিয়া তেওঁলোকক প্ৰথম আৰু শেষবাৰৰ কাৰণে চাই, মোৰ অতৃপ্ত নয়নৰ জ্বালা প্ৰশাসিত কৰোঁ ।

গান্ধাৰীৰ ব্যাকুল নিবেদনত যুধিষ্ঠিৰে অন্ধ আৱৰণৰ গ্ৰন্থি ছেদন কৰিবৰ কাৰণে অগ্ৰসৰ হৈছিল, হঠাৎ শ্ৰীকৃষ্ণই তেওঁৰ এটি বাহুত ধৰি অস্ফুট কণ্ঠৰে দুৰ্দ্দক্ষক ক'লে— “দুৰ্দ্দক্ষ, জননী গান্ধাৰীৰ অন্ধ আৱৰণ উন্মোচন কৰা ! পুত্ৰহীনা, শতপুত্ৰৰ জননী গান্ধাৰীয়ে তোমাক জীৱিত দেখিলে পুত্ৰশোক পাহৰি যাব ।”

শ্ৰীকৃষ্ণই দুই ৰঙ্গাধৰত ৰহস্য বিজড়িত হাঁহি ।

যুধিষ্ঠিৰে ক'লে— “তাকেই কৰা দুৰ্দ্দক্ষ।” যুধিষ্ঠিৰৰ নিৰ্দ্দেশত তেওঁৰ চিৰ অনুগত দুৰ্দ্দক্ষই মুহূৰ্ত্তৰ ভিতৰতে গান্ধাৰীৰ অন্ধ আবৰণৰ গ্ৰন্থি ছিন্ন কৰি দিলে ।

গ্ৰন্থি উন্মোচন হোৱাৰ লগে লগে অন্ধ আবৰণৰ কৃষ্ণ আবৰণ তলিৰ পৰা অগ্নুদ্গাৰৰ সৰ্ব্বনাশী শিখা যেন উল্লম্ফন কৰি উঠিল। সেই কৰাল দৃষ্টিৰ পুঞ্জীভূত শক্তিৰ, দুৰ্দ্দক্ষ দুঃশাসনৰ ভূলুষ্ঠিত শৱৰ ওপৰত মুহূৰ্ত্তৰ ভিতৰতে ভষ্ম ৰাশিৰ দৰে বাগৰি পৰিল ।

যুধিষ্ঠিৰে আৰ্ত্তনাদ কৰি উঠিল—, ‘এয়া আকৌ কি চক্ৰ চালনা কৰিলে চক্ৰী ? দুৰ্দ্দক্ষ মোৰ চিৰ অনুগত!”

শ্ৰীকৃষ্ণই অনুচ্চ কণ্ঠৰে ক'লে— “নীৰৱে থকা নিৰ্ব্বোধ! আজি গান্ধাৰীৰ নয়না নলৰে দগ্ধ হৈ থাকিলে, কালি তুমি হস্তিনাৰ সিংহাসনত অভিসিক্ত হলাহেঁতেন কেনেকৈ ? এয়া ৰাজনীতি...... ৰাজনীতিৰ যজ্ঞ কুণ্ডত এনে দৰে বহু বিশ্বস্ত আৰু বিশম্বদ দুৰ্দ্দশৰ আহুতি এক দৈনন্দিন ঘটনা। তাত তোমাৰ দৰে ধীমান, বিচলিত হোৱা অনুচিত যুধিষ্ঠিৰ !”

সঞ্জয়ে বজ্ৰাহতৰ দৰে শোকাপ্লুত কণ্ঠৰে কলে— “এয়া কি কৰিলা মহাদেবী ! কুৰুকুলৰ এক মাত্ৰ ক্ষীণ প্ৰদীপ শিখা দুৰ্দ্দক্ষৰ যন্ত্ৰে নিৰ্ব্বাসিত কৰি দিলা !”

শ্ৰীকৃষ্ণই সমবেদনাৰে অভিনয় কৰি ক'লে— “জননী; কোনে কয় আপুনি পুত্ৰহীনা ? কৌৰৱ কি, পাণ্ডৱসকলেই বা কি ? তেওঁলোককে এতিয়া পুত্ৰৰূপে গ্ৰহণ কৰক ।”

শ্ৰীকৃষ্ণৰ দুই ৰঙ্গাধাৰত ৰহস্য বিজড়িত হাঁহি !

গান্ধাৰীৰ পাদতলত দগ্ধ আম্ৰমুকুলৰ দৰে বাগৰি পৰি থকা দুৰ্দ্দশৰ ভষ্মৰাশিৰ পিনে চাই, উন্মাদিনীৰ দৰে অট্টহাস্য কৰি কলে— “বুজিছোঁ চক্ৰী বুজিছোঁ তোমাৰ চক্ৰান্ত; কিন্তু সুদৰ্শন চক্ৰৰ চক্ৰান্ত আৰু শক্তিৰে অকল সিংহাসন নাথাকে নাইবা থাকিব নোৱাৰে। প্ৰতাৰিত আৰু নিপীড়িত আত্মাৰ অভিশাপেৰে আটাইবোৰ দগ্ধ হৈ যাব, আটাইবোৰ ভষ্ম হৈ যাব। তোমাৰো তাৰ পৰা নিস্তাৰ নাই শ্ৰীকৃষ্ণ ! স্বজন দ্ৰোহৰ মাজত সোমবংশৰ দৰে বিৰাট যদু বংশ এদিন নিষ্প্ৰদীপ হৈ যাব ! তোমাৰ প্ৰিয় পুত্ৰ প্ৰদ্যুম্ন ও তাৰ পৰা ৰক্ষা নাপাব !”

উচ্ছ্বাসিত ক্ৰন্দনৰ ৰুদ্ধ আবেগেৰে গান্ধাৰী দুৰ্দ্দশৰ ভষ্মৰাশিৰ ওপৰত বাগৰি পৰিল ।

শ্ৰীকৃষ্ণৰ দুই ৰঙ্গাবীৰত চিৰ ৰহস্য বিজড়িত স্মিত হাস্যৰেখা, দ্বিতীয়ৰ ক্ষীণ শশী ৰেখাৰ দৰে বিক্ষুব্ধ অন্ধকাৰৰ মাজত ধীৰে ধীৰে মলিন হৈ আহিছিল ।

অস্তাচলত ইন্দ্ৰপ্ৰস্থৰ গিৰিমালা নেপথ্যত, সৰ্ব্বদ্ৰষ্টা দিবাকৰো অস্তমিত হৈছিল ?

●●●





# অব্যক্ত

অক্কেল আলী
স্নাতক ১ম বৰ্ষ

সঁচা-মিছাৰ প্ৰলোভন নহয় এটি জীয়া বাস্তৱ সত্য, এটি চিৰ সেউজীয়া পৰম্পৰা ৰীতি। তথাপিও বাস্তৱ সত্যক কিছু মিছা কৃত্ৰিম যুক্তিৰে; কিছু উদাহৰণেৰে মনে মানি লবলৈ স্বীকাৰ নকৰে। মানুহ কিছুমান তেজ-মঙহৰ সমষ্টি হ'ল বুলিয়ে যে জ্বালা যন্ত্ৰণাৰে চত-ফটাই থাকিব লাগিব তাৰ কি মানে আছে? লোকে কয় ইও মানুহৰ কৰ্ম্মফল, মিছা দাৰ্শনিকত্ব, এটি ভণ্ড অন্ধ-বিশ্বাস। খাব লাগিলে কৰিবই লাগিব। অৱশ্যে খোৱাটো কৰ্ম্মৰ মাজেৰে হে পাব পাৰি। কৰ্ম্মফলৰ প্ৰশ্নই নুঠে। কৰ্ম্মটো যিয়ে নহওক, ভেজাল হওক বা ব্লেকমেইল হওক; হাড়ভঙা পৰিশ্ৰম হওক, জুৱা চুৰি হওক, .... ...। মানুহে খাই জীয়াই থাকে নে খাবলৈ জীয়াই থাকে? ভৱিষ্যতক কোনে দেখিছে বাৰু??

ময়ো দেখা নাই। যিটো দেখা নাই তাৰ বাবে কোনো দিন কৌতুহলীও হোৱা নাই। তথাপিও কিয় ? এইখিনিতে মোৰ ভুল হৈ গ'ল আৰু যেতিয়া ভুল হোৱা বুলি গম পালো তেতিয়া বহুত পলম হ'ল।

থকাখিনিৰ বাবে তুমি ভাৱা নেভাবা সেইটো তোমাৰ নিজা কথা; কিন্তু যিখিনি নাই তাক নলবা বুলি মই কব নোৱাৰোঁ।" মই আজিও ভাৱি নাপাও, এনে এটা নিৰপেক্ষ ভক্তিৰে লীনা নামৰ কোনোৱা এজনী ছোৱালীয়ে কেনেকৈ 'ভাল ছোৱালী'ৰ দৰে শান্ত হৈ থাকিব পাৰিছিল।

শুনিছে নে? কালি বোলে পখিলা আহিছে? বেচেৰীক বহুদিন লগ পোৱা নাই। এবাৰ লগ পালে কম ভাল লাগিব নে? যোৱা বেলি আহিয়ে গ'ল, মোৰ মনটো যে কিমান বেয়া লাগি আছে তাইৰ কাৰণে- একেজনী ভনী মাথো। বলক না, আপুনিও। অ' খং কৰিছে? নেলাগে বাৰু আপুনি যাব। বন্তিক অকণ চাব। মই যিমান পাৰো সোনকালে আহিম। ইতিমধ্যে সাজি-কাছি ওলোৱা লিপিকাক মই বাধা দিব নোৱাৰিলো। মোৰ কোনো উত্তৰলৈ অপেক্ষা কৰাৰ প্ৰয়োজন বোধ নকৰিলে। কৰিব লাগিব বুলি ভৱাৰ সৎ-সাহসখিনি মোৰ নাই। লিপিকা যেনেকৈ ওলাই গ'ল, তেনেকৈ যদি কোনোবা দিন নাহো বুলিও কয় বা নাহেও সেই বিষয়ে মই কি ভাৱিব লাগিব সেইটো মোৰ বাবে ডাঙৰ কথা নহয়। অথচ স্বামী হিচাবে মোৰ পৰা লিপিকাই সকলোখিনি পাই আছে। ভনীয়েকজনী বহুদিনৰ পিচত আহিছে— দুই ভনী লগ হব সুখৰ-দুখৰ আলোচনা কৰিব। আলোচনাৰ শেষত নিজৰ নিজৰ গিৰিয়েকৰ বিষয়ে একোটা সৰু মন্তব্য দি হাঁহিব। পখিলাই কব, "আমাৰ তেখেত মানুহজন খুব serious-sentimental. কিন্তু এখন খুব ভাল অন্তৰ আছে।" তেখেতে কি কয় জানা বাইদেউ- পৃথিবীৰ মানুহবোৰ বোলে বেলুন সদৃশ। বাহিৰাগত কিছুমান বায়ু সোমোৱাই দিলে ডাঙৰ হৈ উঠাৰ দৰে কেতিয়াবা কেতিয়াবা মানুহবোৰ ওফন্দি উঠে। আৰু কেতিয়াবা একে বাৰে নিশ-কতীয়া হৈ যায়। কৈ কৈ পখিলা লিপিকাৰ গাত ঢলি পৰিব। হয়তো লিপিকাইও পখিলাৰ গৌৰৱ খিনিত ঈৰ্ষান্বিত হৈ কব,— "বুজিছ! পখি! তয়ে সুখী। আমাৰ তেখেত বৰ কিবা বেকওৱা'দ, adjust কৰিব নোৱাৰা বিধৰ।" মই কিন্তু কোনো লিপি-কাক এদজাষ্ট কৰাৰ বিষয়ে মূৰ ঘমোৱা নাই। গাৱঁলীয়া পৰিবেশত আছে - হয়তো এদিন সকলো ঠিক হৈ যাব।

'সকলো ঠিক হৈ যাব অৰূপদা! তুমি মিছাই ইমান চিৰিয়াচ্ হোৱা! মই কিন্তু ভাল নাপাওঁ। অতিৰঞ্জিত বা অতিব্যঞ্জক কিছুমান কথা মানুহৰ অসাৱধানতাৰ বাবে প্ৰকাশ পায় যে, ইও এটি চখ। মই জানো লীনা চখ কৰা বিধৰ ছোৱালী নহয়। তেনেহলে ভাল নাপাওঁ বুলি চখতে কোৱা নাই। আৰু যদি এই কথাষাৰৰ তত্ব বিচাৰি ইয়াৰ বিষয়ে বিশ্লেষণাৰ্থত চাওঁ তেনেহলে



॥ৰঙিয়া কলেজ আলোচনী॥

প্ৰকৃত অৰ্থ হ্ৰাস পাই এটি নতুন শব্দৰ উদ্ভৱ হ'ব। যাৰ অৰ্থ হয়তো মই ভৱাৰ দৰে কিজানি মলয়াও ভাৱে। "লীনা" তুমি মোৰ বাবে ইমান কৰিলা। জানা! তোমাৰ মৰমৰ ভাৰসাম্য মই যে আৰু বহন কৰিব নোৱাৰো— মই কোনোবা দিনা তোমাৰে মৰমত মৰি থাকিম লীনা... ... ।"

—"তুমি বৰ অবোধ অৰূপদা।"

সঁচা অৰ্থত মই অবোধ। স্বীকাৰ্য্য। অবোধ কাৰণে আজি লিপিকাই মোৰ উত্তৰলৈ অপেক্ষা নকৰি; মতামতৰ প্ৰয়োজন বোধ নকৰি ওলাই গ'ল। আৰু .... .... আৰু অবোধ কাৰণে মই লীনাক কোনো দিন মোৰ বুলিব নোৱাৰিলো। .. অথচ অকৃত্ৰিম স্বাধীনতাখিনিক নিজ হাতে দলিয়াই দি কৃত্ৰিম স্বাধীনতাক আকোৱালী লবলৈ বাধ্য হলো। লীনাই মোৰ কাৰণে কি কৰা নাই সেইটো মোৰ বাবে ডাঙৰ কথা নহয়, কিন্তু মই লীনাৰ বাবে কি কৰিছো সেইটোহে বিচাৰ্য্য। এজন সুস্থ সবল শিক্ষিত ডেকাই এজনী সাধাৰণ ছোৱালীৰ পৰা কলেজ ফিজ্, কানি-কাপোৰ আনকি হাত খৰচৰ পইচাখিনি যেতিয়া হাত পাতি লবলগীয়াত পৰে, তেতিয়া সেই ডেকাজনৰ মনোবেদনা কেনে হব বাৰু।

—"তুমিও মোক দিব লাগিব বুলি ভয়তে নোলোৱা। নহয়?" ঠিক সেইটো নহয় লীনা! অইন কিবা এটাহে! মানে...। 'মানে চানে মই একো নুবুজো। তুমি লব লাগে লোৱা— বচ্, মই সেইটোহে বুজো।



আমি চলি যাম কিবাকৈ। তিনিটাহে মাত্ৰ। মোৰ খিনি উপাৰ্জনেৰে আমি চলি যোৱাৰ উপৰিও তোমাক দিব পৰাকৈ মোৰ আছে। তুমি ভাবিব নেলাগে। আৰু জগতৰ ডিৰ্পাট-মেণ্টবোৰ মৰি যোৱা নাই নহয়। তোমাৰ নিচিনা গ্ৰেজুৱেট এজনে এদিন হলেও সুযোগ এটা নিশ্চয় পাবা। তেতিয়া দিবা বাৰু।"

মৰি যাব বুলি ভাবিয়ে মই হাত পাতি-ছিলো। এটি সৰল দাবী। যি দাবীক মই আজি লিপিকাৰ দাবীৰ লগত বিজাই চাবলৈ ভয় কৰো। লীনাই মোৰ পৰা কি পাইছিল বাৰু? এই পোৱা নোপোৱাৰ অঙ্কটোৰ উত্তৰ মই আজিও নাপালো বা মই মনতে ভাবি লোৱা ধৰণে মিলি যাব বুলি কোনো দিন এবাৰো কৰি নাচালো। যদি চালো-তেঁতেন -- .... ।

— 'হেৰা বোপা! —বোলো এই জন অৰূপ নহয় জানো?"

—"...... .... !"

"অ' মোক চিনি পোৱা নাই হবলা? মই সেই তোমাৰ মায়েৰাৰ গাৱঁৰে মানে তোমাৰ মায়েৰাৰ সম্বন্ধীয়া ককায়েকেই হওঁ দিয়াচোন আৰু... ...... ।"

—"অ' নমস্কাৰ।"

—"ঈশ্বৰে তোমাৰ মঙ্গল কৰক। ঘৰৰ ফালে কুশল নে?

—'আছো আৰু কোনো ৰকম।"

—'হেৰি নহয় বোপা! তুমি এতিয়া কৰিছা কি? কলেজত নে?"

—"কলেজ পাছ কৰিলো মোমাইদেউ। এতিয়া ঘৰতে আছো।

-"কিয় খাটিখুটি কৰবাত চাকৰি এটাকে জোগাৰ কৰা।

—মায়েৰাই কম কষ্ট খালে নে?"

—"আমাৰ নিচিনা মানুহ হঠাৎ ক'ত চাকৰি পাম মোমাইদেউ? "হয়ে বোপাই! দেশ খনৰ যে কি হ'ল। স্কুল কলেজৰ পৰা লৰা-ছোৱালী ওলাইছেহে ওলাইছে। হেৰি বোলো, ইহঁতোপাক যদি একো চাকৰি-বাকৰি দিব নোৱাৰে, তেনেহলে দিনে দিনে এৰি কনী পাৰাৰ দৰে স্কুল কলেজ খোপা সজাব লগা হ'ল কিয়? আৰু যে, এই দেশৰ ভোটা তৰা মখা! কি গাৱা সিহঁতৰ লেক্‌চাৰ! দেশ ৰসাতলে গ'ল।

—"দেশৰ বদনাম গাব নাপায় মোমাই-দেউ! যি দেশত নাগৰিকত্ব পাইছো, সেই দেশ নিজ মাতৃ স্বৰূপ। নিজৰ মা জনী বেশ্যা ব্যভিচাৰিণী হলেও "মা"। আজি চাকৰি পোৱা নাই, কাইলৈ, হয়তো নিশ্চয় পাম।"

চাকৰি এটা পালো। জটিল অৰ্থত পাব লাগেই কাৰণে উক্তি দিলে ইয়াৰ যৰ্থাথ সত্যই ব্যঙ্গ ৰূপ লব। জটিল শব্দটোৰ অৰ্থ বিচাৰি বাবু-ডুবু খোৱাতকৈ মোৰ ভনী জনীক ঘৰতে বুঢ়ী কৰিব নোৱাৰো, বয়সতকৈ বেছি বুঢ়া যেন দেখা মা জনীৰ অব্যক্ত বেদনাক সহ্য কৰিব নোৱাৰো। আৰু সেয়া হলেও 'জটিল' শব্দৰ অৰ্থ বিচৰা মোৰ বাবে ডাঙৰ কথা নহয়— ডাঙৰ কথা এজনী শিক্ষয়িত্ৰীৰ অনুগ্ৰহ গ্ৰহণ কৰা।

—"কি বেয়া হৈছে? বিয়া যেতিয়া এদিন হলেও কৰাব লাগিব, আজি কৰিলেও কৰা কালি কৰিলেও কৰা!"



॥ ৰঙিয়া কলেজ আলোচনী ॥

—নহয়— মানে মই এতিয়াতে মোৰ বিয়াৰ কথা ভবা নাছিলো লীনা!"

"অৰূপ দা, তুমি তোমাৰ কাৰণে নহলেও তোমাৰ ভনীয়েৰা জনীৰ বাবে অকণ মান ভাবা। এটি পৰিয়ালে যে তোমাৰ ওপৰতে ভৱিষ্যত নিৰ্ভৰ কৰি ৰৈ আছে সেইটো কথা মোতকৈও তুমি ভালদৰে বুজি পোৱা। দাদা। হয়তো এনে এটা সুযোগ তুমি দুনাই নাপাবও পাৰা।"

" .. .... ।"

দাদা! মনে মনে থাকিলা চোন? ছোৱালী+ চাকৰি। বাঃ কি যে মজা হব।

তাইৰ অন্তৰত সিমান মজা হোৱা নাছিল, সেইটো জানিও নজনাৰ অভিনয়েৰে মোক শান্ত্বনা দিয়া উপস্থিত প্ৰস্তুতি খিনিক মোৰ এটোপাল চকু পানীৰ বাহিৰে একো সমলেৰে প্ৰকাশ কৰিব পৰা নাছিলো। আগত আনন্দ আছে। কিন্তু মোৰ আজি আনন্দ কত? লীনাৰ তপত হুমুনিয়াহ যে মই আজিও শুনো। লীনা ... লীনা আজি আৰু নাই। সক-লোৱে ভাৱে তাইৰ মৃত্যু হৈছে— স্বাভাৱিক মৃত্যু। কিন্তু এইটোতো কোনেও নাজানে— তাইও মানুহ— তাইও সপোন দেখিব জানে-- সপোন দেখিব জানে এখন সংসাৰৰ, এটা ঠুনুক-ঠাণাককৈ মাতা শিশুৰ মাত আৰু.... আৰু কিবাকিবি বহুতো, এইটোতো কোনেও নাজানে, তাই জীৱনৰ ওচৰত হাৰ মানিলে, পৰাজয় স্বীকাৰ কৰিলে ... ... আৰু অৱশেষত' জীৱনৰ শেষত আকোৱালি ললে এটি পথ সুগম সুন্দৰ পথ, পৰাজয় গ্লানিৰ পথ .. আত্মহত্যা !!!

# ৰেলত এদিন

মুকুল কলিতা
(প্ৰাক্তন ছাত্ৰ)

ময়ো ষ্টেচন পাইছো— গাড়ীও আহি প্লেটফৰ্মত সোমাইছে। বেগাবেগিকৈ টিকট এটা কাটিবলৈ কাউণ্টাৰত হাত ভৰালো। ৰঙিয়াৰ পৰা ডিমাপুৰলৈ পোন্ধৰ টকা ত্ৰিশ পইচা ভাড়া। টিকট এটা দিয়কচোন ডিমাপুৰলৈ বুলি ষোল টকীয়া মুঠিতো অৰ্দ্ধা-চন্দ্ৰাকৃতিৰ সুৰুঙাটোৰে সোমাই দিলো। খুচুৰা দিব দে— খুচুৰা নাই হেৰি— তেনেহলে বিশ পইচা কমকৈ লব লাগিব— ঠিক আছে দিয়ক তাৰাতাৰি। মুখেৰে অস্ফুটভাৱে ভোৰভোৰালো। বিশ পইচাৰে বৰ জীয়েৰৰ বিয়া পাত গৈ। গাড়ীলৈ আহি তৃতী[illegible] শ্ৰেণীৰ অ' নহয় (তৃতীয় শ্ৰেণীতো আ[illegible] কালি নায়েই। তৃতীয় শ্ৰেণী উঠাই চৰ[illegible] দেখোন দ্বিতীয় শ্ৰেণীলৈ উন্নিত কৰা হৈছেই[illegible] দ্বিতীয় শ্ৰেণীৰ ডবা বিচাৰি ফুৰিলো ইম[illegible] দীঘল ৰেলখনত দ্বিতীয় শ্ৰেণীৰ ডবা মা[illegible] এটা নে দুটা হে। দ্বিতীয় শ্ৰেণীৰ মা[illegible] নায়েই নেকি? কেইদিনমান পিচত কিজা[illegible] এই শ্ৰেণীটোকো তুলি দিয়া হব। নি[illegible] একমাত্ৰ দ্বিতীয় শ্ৰেণীৰ মানুহ বুলি ভা[illegible] লাজ লাগিল। ইটো ডবাত যাম Reserv[illegible] সিটোত যাম প্ৰথম শ্ৰেণী, কোনোবাটো শীত[illegible] নিয়ন্ত্ৰিত, কোনোবাটো থ্ৰি টায়াৰ। কেইটাম[illegible] টু টায়াৰ। তাৰোপৰি প্ৰায় আধামান ড[illegible] মিলিটাৰী ৰিজাৰ্ভ। চব যদি ভাগে ভাগে[illegible] আছেই আমাৰবোৰক টিকট দিছিল কিয়[illegible] পিছে কাক কম। এটা মিলিটাৰী অক[illegible] গলেওঁ গোটেই ডবাটোই মিলিটাৰী ৰিজা[illegible] ৰূপে চিহ্নিত হয়। তেনে কিবাকৈ দয়া[illegible] টি, টি এজনক আঠ অনাৰ ঠাইত দহ টক[illegible] দি বহি যোৱা ঠাই অকন নিজৰ কৰি[illegible] পালো। মিছা নকওঁ টি টি জনে কিন্তু মোৰ[illegible] বেছিকৈ পইচা খোজা নাছিল— মাথোন ডি[illegible] নাই বুলি পোনতে দপদপাইছিল। [illegible] সকাহ পালো তেওঁৰ দয়াত বহিবলৈ পোৱাত[illegible] যাওঁক দহ টকা ইমান উপকাৰৰ বিনিময়[illegible] মাত্ৰ দহ টকা একো নহয়— এক কো[illegible] ৰৌ মাছো নাপায় তাৰে। অলপ পিছ[illegible] গাড়ী এৰিলে। ঝক্ ঝক্ ঝক্ ঝক্কৈ গাড়ীয়ে[illegible] গতি ললে— তিনিচুকীয়া মেইল। মেথ[illegible]

নামৰ মস্ত দৈত্যহেন ইঞ্জিনটোৱে গাৰ সৰ্ব্ব-শক্তিৰে গাড়ীখন টানি নিছে ৰাজধানীৰ পৰা অহা গাড়ী হিচাবে ইঞ্জিনটোৰ এটা সন্মান আছে। মোৰ ওচৰত বহা সহযাত্ৰী-জনে কেৰাহীকৈ মোৰ ফালে চাই সুধিলে— আপ কাঁহা যায়েঙ্গে। "মই কলো ডিমাপুৰলৈ যায়েগা।" তাৰ পিছত মৌনতা— কেৱল বতাহৰ চো-চোৱনি। গাড়ীখন দৌৰিছে আগলৈ— কাষৰ গছ-গছনিবোৰ দৌৰিছে পিছলৈ। চিনেমাৰ আলোচনী এখন 'গোজা মাৰি' পঢ়ি থকা মোৰ সন্মুখত বহা ডেকা এজন আলোচনীৰ পাতৰ পৰা আধা ইঁহা মুখখন দাঙি কিবা এটা নতুন তথ্য পোৱাৰ ভঙ্গিত লগৰজনক কলে— চা বে 'শোলে'ৰ ডাইলগ। এই ডাইলগ কিটাৰ বাবেই এইখন কিনিলো। কি তামাম ডাইলগ। গব্বৰে যে শোলেত ফালি দিছে ভাই। আমজাদখান নহয় বেলেগ হলে একদম তেল কৰি দিলেহেঁতেন। আহ কি ডাইলগ চা না য়ে ভি বাছ গেয়ি চালে, কালিয়া অব তেৰা কে হোগা— চৰকাৰ আপক নিমখ খায়া—অব গুলি খা— যি পজত Delivery কৰিব মানে মাৰাত্মক। আৰু যে এবাৰ আদ্দাত আৰে অ' শান্তা জেৰা উঠাওতো বন্দুক ঔৰ লগাওঁ ইচ কুট্টে পৰ নিচানা। একদম চিনেমাৰ নিচিনাকৈ কোৱা বুলি নিজেই সন্তুষ্টি লাভ কৰি লগৰজনে কি কয় তালৈ বাট চালে। লগৰজনে কিন্তু কিবা 'সৈনিক' নামৰ আলোচনী এখন পঢ়াত এনেকৈ ব্যস্ত যে মাত্ৰ ওঠ দুটা সামান্য কঁপোৱাত বাহিৰে একোৱে নকলে। খিৰিকিৰে বাহিৰলৈ চালো। পুঠিমাৰী নদীত ব্ৰড-গজৰ বাবে নতুন দলঙ নিৰ্ম্মান কাৰ্য্য পূৰ্ণগতিত চলিছে। ব্ৰডগজ হলে এই মিটাৰ গজবোৰ নাপাত্তা হব নেকি বাৰু? সহযাত্ৰীজনে ভৰিখন দীঘলকৈ মেলি দিলে। মোৰ গাত ভৰিখন লাগি থাকিল। তেওঁ আতৰাই নিয়াৰ প্ৰায়োজন বোধ নকৰিলে ময়ো নিবলৈ কোৱাৰ প্ৰয়োজন নেদেখিলো। সাধাৰণ কথা এটা— কিমান তাতোকৈ ডাঙৰ কথা সহ্য কৰি আহিছো। ঘৰলৈ যোৱা ৰাস্তাৰ ওপৰত নৰ্দ্দমা পাতি, বেৰা দি মাটি দখল কৰা স্বত্বেও নৰেশ ভটুইঁতক যেনেকৈ আজি দহ বছৰে আমি একো কোৱাৰ প্ৰয়োজনবোধ নকৰিলো। থিক তেনেকৈ।

ইতিমধ্যে গাড়ী আহি শৰাইঘাট দলং উঠিল্ বাবা ব্ৰহ্মপুত্ৰ কি জয় চিএওঁৰত লুইতৰ গম্ভীৰ পানীও কঁপি উঠিছে। কোনোবা বাবা ভক্তই ভক্তিতে বাবালৈ দলিয়াই দিয়া খুচুৰা পইচা দলঙৰ ৰেলিঙত লাগি টং টঙাই উঠিছে। মনত পৰিল এবাৰ মোৰ এজন বন্ধুৰ লগত বৰদলৈ ট্ৰফী চাবলৈ আহোতে এইখিনিতে কোৱা এটা কথা। মই বন্ধু-জনক সুধিছিলো— লুইতখন যদি কেতিয়াবা শুকাই তলিত লাগেগৈ তেতিয়া সি কি কৰিব। সি কৈছিল্ ডাঙৰ ডাঙৰ চাই ইলিচি মাছ নিব সি। মই কৈছিলো— দলঙৰ তলৰ বোকাত জাকৈ বাম। বহুত পইচা পোৱা যাব। আমাৰো যে কথা-বোৰ। —গাড়ী আহি জালুকবাৰী ষ্টেচনত


॥ ৰঙিয়া কলেজ আলোচনী ॥

ৰ'ল। মানুহৰ ব্যস্থ উঠা-নমা। আমাৰ ডবাটোত এজাক তিৰোতা মানুহ এজন চেলেঙীয়া ডেকাৰ নেতৃত্বত হুৰমূৰকৈ সোমাই আহিল, টি, টি জনৰ হুকা-বধাকো নেওচি। নেতাজনে টি, টিক কৈছে যে গুৱাহাটীলৈকে যাব। চববোৰ "জয় সন্তোষী মা "চাবলৈ যাব। ধৰ্ম্মকামত যাব গতিকে তেখেতে যেন এইখিনি সুবিধা দিয়ে! দলতো উঠি আমাৰ ডবাৰ কৰিডৰতে থিয়হৈ থাকিল। গাড়ী এৰাৰ পিছত নেতাজনে তিৰোতা কেইজনীক বুজাই দিছে। "দেখ' চিনেমা হলকা বাহাৰমে চব চপ্পল খোলকে ৰাখনা। ঔৰ চবকা সাথমে খুচ্ৰা পইচা ৰাখ'— হল বাহাৰ মা কা পূজা পৰ দেনা। যব সন্তোষী মা নিক্‌লেগা তব হম বোলেগা "মা সন্তোষীকি" তুম্‌লোগ চব জয় বোল'।" তিৰোতাকেইজনীয়েও ভক্তিত গদ্‌গদিহৈ সন্মতি জনালে। কোনোবা এজনীয়ে লগৰ এজনীক কলে তাই হেনো খুচুৰা পইচা অনা নাই ....। গাড়ী যেতিয়া গুৱাহাটী ষ্টেচনত ৰ'ল আটাইমখা হুৰহুৰাই নামি গ'ল। সেই ৰিং মাষ্টৰ জনৰ মূৰ্খামি দেখি মোৰ উঠো উঠো কৰি থকা হাঁহিতো নুঠাকৈ থাকিল। ফেৰিৱালা ৰুটি পুৰি, পাণ, বিড়ি, চিগাৰেট আদি চিঞৰত বিৰক্তি লাগিল। সিহঁতৰ বিক্ৰিৰ যেন মযে় লক্ষ্য এনে লাগিল। ওপৰৰ বাঙ্কটোৰ মানুহজন নামি গ'ল। চুট্‌কেচটো ওপৰত থৈ আৰু বেতকভাৰখন পাৰি মযে় ঠাইখিনি অধিকাৰ কৰিলো। অসহ্য গৰম। কিতাপ এখনকে কিনো বুলি প্লেটফৰ্মলৈ ওলাই গলো। হুইলাৰত

অসমীয়া কিতাপ তেনেকৈ নাই। অসমীয়া পঢ়ুৱৈ ৰেলত অহাযোৱা নকৰে বুলি সিহঁতে জানে। সৌৰভ কুমাৰ চলিহাৰ 'এহাত ডবা' খন চকুত পৰিল। তাকে কিনি লৈ আহিলো! বিৰক্তকৰ সময়খিনি কটাব পৰা যাব বুলি। ডবালৈ আহি বেড্‌কভাৰখন ভালদৰে পাৰি চুটকেচতো গাৰু কৰি লৈ অলপ আৰাম কৰো বুলি শুই দিলো। চুটকেচতো গাৰু হিচাবে সুবিধাৰ নহয়। বৰ টান। সিক্ষালৰ বাঙ্কটোত শোৱাজনে পূজা সংখ্যাৰ শকত বঙালী আলোচনী এখনতে গাৰু কৰি নাক বজাই শুই আছে। হাঁহি উঠি গ'ল মনে মনে। তাৰা শঙ্কৰ, বিভূতিভূষণ, শঙ্কৰ, বনফুলহঁত অকল ভাল লেখকে নহয়— ভাল গাৰুয়ো। আজিকালি প্ৰায়বোৰ বুদ্ধি জীৱিকে গাৰু হিচাব ব্যৱহাৰ কৰিব পাৰি। 'এহাত ডবা' মেলোবুলি হাত দিছো মাথোন। ধৰ্ম্মমূলক গীতৰ টুকুৰা গাই গাই অন্ধ মানুহ এজন ডবাটোত সোমাই আহিল। — "তুম্ এক পইচা দেগা, ভগবান লাখ লাখ দেগা।" কোনোবা এজনে কলে ইহঁতৰ কাৰণে শান্তিত কলৈকো যাব নোৱাৰা হ'ল— এজনে কলে চবগুলি কৰি মাৰিব লাগে এতিয়া অন্ধ কিন্তু চলন্ত গাড়ীত ডবাই ডবাই বগাই ফুৰাৰ কি চাবা কোপ। আন এজনে বিজ্ঞৰদৰে কৈছে কলে "কোনোবা এজন যুব নেতাই কৈছে নহয় যে চব ভিখাৰীকে নিবীৰ্য্যকৰণ কৰিব লাগে। তেতিয়া হলেহে ইহঁত নিৰ্মুল হব। ঠিকেই কৈছে চব ধৰি ধৰি··· ···।" কথাটো হয় নেকি বাৰু? মই ভাবিবলৈ ধৰিলো—



কোনোবাই ভিখাৰীবোৰক নিবীৰ্য্যকৰণ কৰিবৰ পৰামৰ্শ দিছে নেকি? যিজনে কৈছে তেৱোঁ ভিখাৰীৰ সংজ্ঞাটো ঠিক জানেতো। আৰু যদি জানি কৈছে তেনে কাক আগতে নিবীৰ্য্যকৰণ কৰিব লাগিব। আমি প্ৰত্যেকেচোন আমেৰিকাৰ ওচৰত ভিখাৰী। তেনেহলে দেশত কেইজনৰ বীৰ্য্য থাকিব। যদি প্লেটফৰ্মত পৰি থকা অঘৰী ভিখাৰীবোৰৰ কথা কৈছে, তেতিয়াও জানো সেই পৰামৰ্শৰ কাৰ্য্যকাৰী তাৰ দ্বাৰা সমস্যা সমাধান হব। সিহঁতক বীৰ্য্যৰ যোগান ধৰোতাৰ আকাল নাই। সিহঁতক বীৰ্য্যৰ যোগান ধৰোতাসকলক নিবীৰ্য্যকৰণ কৰাৰ বাবে জানো বিচাৰি পোৱা যাব ··· ··। আকৌ এহাত ডবাখন মেলি ললো। সৌৰভকুমাৰ চলিহাৰ গল্পবোৰ হেনো বৰ জটিল। কিতাপখনৰ পাচকালে অসম বাতৰিৰ মতামত এটা চকুত পৰিল। কোনোবাটো গল্পত হেনো ভাষাৰ নগ্নতাই চূড়ান্ত ৰূপ ধাৰণ কৰিছে। কোনোবা এজনে লিখিছে প্ৰত্যেকটো গল্পই শ্ৰেষ্ঠ গল্প, উৎকৃষ্ট গল্প। এই সমালোচকবোৰে খেলি মেলি লগাই দিয়ে। ধুৰ,! জপাই থৈ দিলো। তাতকৈ "ঘৰোৱা" বা "চিনেমা জগৎ" নতু "মাধুৰী" এখনকে কিনিব লাগিছিল। হেমামালিনীৰ কুৰিলাখ টকীয়া, শীত তাপ নিয়ন্ত্ৰিত বাথৰূমটো সম্পূৰ্ণ হলনে নাই, মুকেশৰ মৃত্যুৰ শোকত কেইজনে আত্মহত্যা কৰিলে— ৰেখাৰ বাৰ্থদেত বিনোদ মেহেৰাই কি প্ৰেজেন্ট দিলে, ডেভিদৰ ডেণ্টলেচ কিচ্‌ৰ শেহতীয়া বলি কোন হ'ল। পাৰবীণ ববীৰ গালৰ ব্ৰণটো কোন ডাক্তৰে চিকিৎসা কৰিছে। অভিনেত্ৰীৰ বাৰ্থৰূমে বেডৰূমে সাংবাদিকতা কৰা সাংবাদ দাতাসকলৰ কোনজনক এইবাৰ শ্ৰেষ্ঠ সাংবাদিকৰ দহ হাজাৰ টকীয়া পুৰস্কাৰ দিলে— জানিব পাৰিলোহেঁতেন। অৱশ্যে চিনেমা হলৰ ব্ৰেক মাৰ্কেটাৰ কিটাক দেখি, চিনেমা আলোচনীৰ সস্তীয়া প্ৰবন্ধ পঢ়ি ভাৰতীয় যুব মানসৰ গতি নিৰ্দ্ধাৰণ কৰি দিয়া বুদ্ধিজীৱি (?) ৰ প্ৰবন্ধ পঢ়াতকৈ অবসৰ সময়ত এই চব পঢ়াতো বেয়া নহয়। অন্ততঃ পঢ়ি উঠি এনাচিনৰ প্ৰয়োজন নহয়।

দীঘলীয়া উকি এটাৰে গাড়ীখন যাবলৈ আৰম্ভ কৰিলে। ফেৰিৱালাবোৰৰ চিঞৰ বন্ধ হৈছিল ইতিমধ্যে। বৈ থকাত বৰ গৰম লাগিছিল। এতিয়া বতাহ লগাত ভাল লাগিছে। যিহে জোকাৰণি টোপনিয়ে নাহিব এতিয়া। ইমান কষ্টখন খাই এদিনৰ বাবে কিয় আহিছিলো বাৰু? আহিয়োযে আৰু একো এটা কামেই নহ'ল। ঘৰৰ মাটিৰ লেঠাটো নমৰিল-দাদাৰ বিয়া ফাইনেল নহ'ল। ৰীতাক লগ নেপালো। ফেল কৰি ঘৰতে বহি আছে। মই অহা গম পায়ো এবাৰ লগ নধৰিলে। অৱশ্যে লগ যে ধৰিবই লাগিব তাৰ একো মানে নাই— তথাপি ইমান দিনৰ মূৰত ঘৰলৈ কিমান আশা লৈ যাওঁ— ৰীতাই কি এইচব নুবুজে নেকি? মিছায়ে এইখন গেলা গৰমত অফিচ খতি কৰি আহিলো।

কলেজলৈ গৈ মনতোওঁ সেমেকালো।

কি বিৰাট পৰিবৰ্ত্তন কলেজখনৰ। চৌহদৰ চাৰিওঁফালে দেৱাল— বিভিন্ন বিষয়ত অনাৰ্চ খুলিলে । জাক জাক নতুন মুখৰ ল'ৰা-ছোৱালী । আৰু কিমান নতুন কথা— লগৰ ল'ৰা প্ৰায়বোৰ গ্ৰেজুয়েট্ হ'ল, সখি অনন্তুই অনাৰ্চত নাম কৰি পাচ কৰিওঁ বিশ্ববিদ্যালয়ত নাম ভৰ্ত্তি কৰাৰ চিন্তা— ইৰাই অনাৰ্চলৈ পাচ কৰাৰ পিছত দেউতাকৰ উপযুক্ত দৰা বিচৰাৰ নতুন সমস্যাৰ কথা— বিননে আত্মহত্যা কৰাৰ কথা, কলেজলৈ নতুনকৈ অহা জাহ্নৱীয়ে চাইকক ওৱাৰ্ণিং দিয়া কথা আৰু কত কি নতুন কথাৰে কলেজ চৌহদ তথা ৰঙিয়াৰ মোৰ চিনাকী পৰিবেশতো গৰম হৈ আছে । কিজানি এইবোৰ শুনিবলৈ মই আহিছিলো ।

হামি এটা কাঢ়ি অহেতুক ভাৱবোৰ আঁতৰাই টোপনি যাবলৈ চেষ্টা কৰো বুলি বাগৰ সলাবলৈ ধৰোতে দেখো, ডবাৰ মজিয়াত এজন বুঢ়া মানুহ শুই আছে । এই মস্ত দীঘল ৰেলখনত সেইজনৰ বাবে অলপ ভালদৰে বহাৰ ঠাই নহল নে ? কৰ্তৃপক্ষই এই সাধাৰণ শ্ৰেণীৰ মানুহবোৰক টিকট দিয়ে দায়িত্ব শেষ কৰি থয় । যাব পাওঁকেই বা নেপাওঁক । জানেই যে প্ৰথম শ্ৰেণীৰ মানুহ বৰ কম— তাৰে ডবা দুটামান গুচাই সাধাৰণ শ্ৰেণীৰ বাবে দিব নোৱাৰে নে ? এই চব নেদেখা ভাওঁ ধৰি থাকে— চব দায়িত্বহীন— আমাৰবোৰক মূৰ্খ বুলি ভাৱে নেকি ? ঠিকেইতো আমি মূৰ্খই । নহলেনো স্বাধীনতাৰ উনত্ৰিশ বছৰ পিছতো গাড়ীৰ পিঠিত, ৰিক্সাৰ পিঠিত লিখি আমাক নীতি বচন শিকাব লাগেনে ? পিছে কাৰ আগত কম বাৰু ? খিৰিকিৰে দেখিলো ৰেল আলিৰ কাষতে এখন কলপাতৰ ৰভা তলত ঢোল-খোলৰ আৱাজ । বোধ কৰো কিবা বাৰোৱাৰী পূজা । পূজা, কোন দেৱতাৰ পূজা বাৰু ! এই বস্তু বাদৰ দিনতো পূজাৰ নামত কিমান টকাৰ শ্ৰাদ্ধ । পিছে দেৱতাই কাক কি দিলে ? ভাৰতৰ চৌষষ্ঠী কোটি মানুহৰ মাজত তেত্ৰিশ কোটি দেৱতা । প্ৰত্যেক দেৱতাৰ ভাগত মাত্ৰ দুজনকৈ মানুহ ভাগত পৰে । সেইখিনি দায়িত্বকে পালন কৰিব নোৱাৰে তাৰোপৰি আৰু কিমান বেচকাৰী দেৱতাৰ নিতৌ আবিৰ্ভাৱ ঘটিছে তাৰ লেখ নাই, চব দায়িত্বহীন । মিছামিছি পূজা খাই.... .... ।

টোপনি কেতিয়া আহিল মই গমে নেপালো । বহুতো টুকুৰা সপোন দেখাৰ পিছত মই যেতিয়া সাৰ পাওঁ তেতিয়া গতিহীন গাড়ীৰ খিৰিকিৰে পিঠি ফটা ৰ'দৰ বৰ্ষ নিক্ষেপ কৰিছে সূৰ্য্যই— মস্ত চাইন-বোৰ্ডখনত দেখো "তিনিচুকীয়া জংচন" তাৰ মানে মই মোৰ লক্ষ্যস্থান ডিমাপুৰ কোনোবা নগালেণ্ডতে কেতিয়াবাই এৰি আহিলো । মোৰ টোপনিয়ে তাৰমানে মোক বিশ্বাস ঘাটকতা কৰিলে । হায় হায় ।

●●●





# মেঘনাদ একুৰা জুই

প্ৰতুল কুমাৰ শৰ্মা
প্ৰা. বি. ২য় বৰ্ষ

পোহৰ শেষ হৈ আহি ক্ৰমান্বয়ে ৰাতি হ'ল । এটি অস্থিৰ মন লৈ মই অপেক্ষা কৰিছো জ্বলীক, জ্বলী বিশ্বাস । বাহিৰত শীত । এই জনী ছোৱালীক মই অপেক্ষা কৰিছো দিনৰ পিচত দিন । বহু কথাই তাই মোক কৈছে আৰু বহুতো বাকী ।

এটি সাংবাদিকৰ জীৱন লৈ ইয়ালৈ আহিছো । এইখন দেশৰ কাহিনী আমি কঢ়িয়াই লৈ যাম বিশ্বৰ বিভিন্ন প্ৰান্তলৈ । দৰজা এখন খোলাৰ শব্দ হল । মই প্ৰস্তুত হলো । গোটেইখিনি কথা আজি লিখা হব লাগিব কাইলৈ মই যামগৈ ।

সমুখৰ আয়নাত প্ৰতিবিম্বিত হ'ল এখন মুখ, মুখখন যেন আয়নাত ওপঙি আছে কিবা এখন কিতাপত এনে এটা দৃশ্যৰ বৰ্ণনা পঢ়া মোৰ মনত পৰিল । আয়নাত ৰৈ থকা মুখখনলৈ মই এইবাৰ ঘূৰি চালো । সেই একেখন মুখ, যিখন মুখে, আজি ডেৰমাহ কাল মোক ইয়ালৈ মই কব নোৱাৰা-কৈয়ে লৈ আহিছে, গভীৰ এহাল চকু । মোৰ খুব চিনাকী সেই দুটা চকু । কাইলৈ ইয়াৰ পৰা গুচি যামগৈ, অথচ এই জুৰি চকুৱে যেন মোক ৰৈ যাবলৈ কয় । খুব চিনাকী অথচ কিবা যেন অজান ৰহস্যৰ বুকুত চকু দুটা ধীৰে ধীৰে ডুবি যাবলৈ ধৰিছে । মোৰ সমুখত সীমাহীন পথাৰ আৰু পথাৰৰ সিফালে দিগন্ত বিস্তৃত শাৰী শাৰী পাহাৰৰ লানি সেয়া মেঘনা ।

মেঘনা এতিয়া শান্ত ।

ধ্বংস স্তূপৰ মাজত জন্ম লব ধৰিছে এখন নতুন ৰাষ্ট্ৰ । এখন যেন মনোহৰ ছবি উদ্ভাসিত হৈ উঠিছে আয়নাখনত । মনৰ নিভৃত কোণলৈ গৈ লাহে লাহে মই হেৰাই গলো ।

হঠাৎ টমচনৰ মাতত সচকিত হৈ উঠিলোঁ । টমচন ৰুচিয়াৰ এজন বিখ্যাত

সাংবাদিক। জনপ্ৰিয় বাতৰি কাকত এখনৰ সহ: সম্পাদক। ইয়ালৈ অহাৰ পৰা দুয়ো একেলগে আছোঁ। মই দুটা গ্লাছত হুইস্কী বাকি লৈ এটা টমচনলৈ আগবঢ়াই দিলো। টমচন অন্যমনস্ক হৈ গ'ল। মই বুজিলো মোৰ ভুল হৈছে। গ্লাছ দুটা নমাই আনিলো। টমচনে কলে তুমি দুখ পাইছা মই বুজিছো। এই সময়ত একগ্লাছ হুইস্কী বৰ দৰ্কাৰ; তথাপিও ইয়াক মই খাব নোৱাৰিম। বেয়া নাপাবা ডেকা ল'ৰা। মানুহজন অসম্ভৱ ভাৱে পৰিবৰ্ত্তন হৈ গ'ল। আমি সাংবাদিক। জীৱনত আমি বহুতো মৰ্ম্মান্তিক কথাকে কলমেৰে লিপিবদ্ধ কৰিছো। তথাপিও আমি কেতিয়াও দুখত হেৰাই যোৱা নাই। অথচ আজি টমচনৰ নিচিনা এজন সাংবাদিক।

টমচনে কৈ গ'ল এটি বহুত পুৰণি কাহিনী, যি কাহিনীৰ টমচন নিজেই নায়ক। জানা ডেকা ল'ৰা এটা সময়ত মৰ্য়ো এজনী ছোৱালীক ভাল পাইছিলো মোৰ শিৰা-উপশিৰাই তেতিয়া তপত তেজৰ প্ৰৱাহ। তাই আছিল সুন্দৰী, অপৰূপা। তাই সুন্দৰ অভিনয় কৰিছিল। ৰুছিয়াৰ ডেকা গাভৰুৰ মাজত তেতিয়া তাই সপোন সুন্দৰী। হঠাতে কিবা এটি জৰুৰী কামৰ বাবে মই গুছি আহিলো তোমালোকৰ দিল্লীলৈ। এখন নতুন পতাকাৰ তলত তেতিয়া ভাৰতৰ ৪৬ কোটি মানুহে মূৰ দোৱাইছে। নেহৰুৰ পঞ্চশীলাত মোৰ অগাধ বিশ্বাস। দুমাহ পিচত মই গুছি গৈছো মোৰ জন্মভূমি ৰুছিয়ালৈ। সেই একেই প্ৰাণ খোলা হাঁহিৰে

তাই মোৰ লগত কথা পাতিছে, নাচিছে মই হুইস্কী খাইছো। কতো অকণো পৰিবৰ্ত্তন হোৱা নাই। মই হেৰাই গৈছো আনন্দত। হঠাতে মোক পিচপিনৰ পৰা সাৰটি ধৰি তাই কৈ পেলালে মই অভিনয় কৰা এৰি দিলো। আচৰিত হৈ প্ৰশ্ন কৰিলো কিয়?

তাই কেইটামান মুহূৰ্ত্ত মনে মনে ৰ'ল। তাৰ পিচত সুন্দৰকৈ হাঁহি এটা মাৰি উত্তৰ দিলে উইলিয়মে বেয়া পায়। এজন জাৰ্ম্মান যুৱকৰ লগত মই ভাৰতত থাকোতেই তাইৰ বিয়া হৈ গ'ল।

কেইটামান নিৰ্ব্বাক মুহূৰ্ত্ত দুয়োৰে মাজত এনেদৰে পাৰ হৈ গ'ল। মই হেৰাই গলো। হঠাত তাই মোক খুব জোৰেৰে সাৰটি ধৰি হুক্‌হুকাই উচুপি উঠিল। তাই যেন কুচি-মুচি মোৰ নোমাল বুকুখনত হেৰাই যাব। জানা ডেকা ল'ৰা এনেকুৱা পৰিবেশত আন উইলিয়ামে আমাক দেখিছে আৰু আন ফালে মুখ ঘুৰাই গুছি গৈছে একো নোকো-ৱাকৈ। আমাৰ মাজত অপ্ৰীতিকৰ একোৱে ঘটা নাছিল। উইলিয়ামে মোক একোৱে কব পৰা নাছিল কিন্তু মোৰ প্ৰতি থকা এই সন্দেহ মই জানো যুক্তিৰে বুজাব পাৰিলো! মই গুছি আহিলো পৰাজিত বিধস্ত সৈনিকৰ দৰে নহয়। অন্ধকাৰত চোৰৰ দৰে। মই তন্ময় হৈ গৈছিলো। স্তব্ধ হৈ বহুত সময় টমচনলৈ চাই থাকিলো। কলে সেই তেতিয়াৰ পৰাই মোৰ ড্ৰিঙ্কলৈ ভয়।

টমচনে কলে— কালিলৈতো আমি



ৱামগৈ। বল্‌া জ্বলীক ঘৰতে লগ ধৰি আহো। এই গধুৰ মনলৈ খোজ পেলালো।

জ্বলী তেতিয়াও আমালৈ অপেক্ষা কৰি বৈ আছিল। সমুখৰ জুপুৰীটোত আমি সোমাই গলো, জ্বলীয়ে কৈ গল জানে অভিবাবু সেইদিনা মোৰ মৃত্যু হোৱাহেঁতেন কিজানি ভাল আছিল অন্ততঃ মোৰ পেটৰ ভিতৰত থকা এই শিশুটিৰ দায়িত্বৰ পৰা ৰেহাই পালোহেঁতেন। জানে বাবু সুৰজিতক মই বৰ ভাল পাইছিলো, সুৰজিতেও মোক বিয়া কৰোৱাৰ কথা দিছিল। কিন্তু সকলো হেৰাই গ'ল বাবু সকলো। লক্ষ্য কৰিছিলো জ্বলী অসম্ভৱ ভাৱে ঘামি গৈছে। আপুনি সুৰজিতৰ চিঠি পঢ়িব বাবু।

মৰমৰ,

জ্বলী বুলি আৰম্ভ কৰিছে চিঠিখন, যথেষ্ট যত্ন কৰি যিমান পাৰি সিমান সংযত হৈ সুৰজিতে লিখিছে— তুমিতো জানা দেউতাৰ মেজাজৰ কথা অহা জেঠ মাহত মোৰ বিয়া পাতিছে মই কৈছো তোমাৰ কথা। দেউতা মান্তি হৈছে। ইয়াৰ অলপ লৰচৰ হলে দেউতাই আঘাত পাব যিটো মই নিবিচাৰো কেতিয়াও।

আজি মই কি পাইছো। মোৰ বিয়া হোৱা নাই। মোৰ সুৰজিত হেৰাই গৈছে কেতিয়াবাই অথচ মই দিনে দিনে মাতৃ হোৱাৰ পিনে আগুৱাই গৈ আছো। এনে কুৱা মহত্বত কোনো আনন্দ নাই বাবু। এনেকুৱা বহুতো গাভৰু মই বাংলাত লগ পাইছো সকলোৰে একে অৱস্থা!

সিদিনাৰ সেই বিশেষ দিনটোৰ কথা কবলৈ গৈ জ্বলী বেচ কিছু সময় মনে মনে ৰল আৰু যথেষ্ট ধৈৰ্য্যৰে কবলৈ ধৰিলে, ঢাকা বিশ্ববিদ্যালয়ৰ পৰা আহি থকা অৱস্থাত কেইবাজনো পাকিস্থানী সৈন্যই তাইক আগুৰি ধৰিলে আৰু হঠাৎ এজন বন্দুকধাৰী সৈনিকে তাইক দাড়ি ওচৰৰ হাবিৰ মাজলৈ লৈ গল আৰু কিছু সময় পিচত বুঢ়ি মেঘনাৰ বালিত তাইৰ অজ্ঞান দেহটো পৰি ৰ'ল। অজ্ঞান, মৃতপ্ৰায়, নিষ্প্ৰাণ, আকৰ্ষণহীন তথাপিও যেন সিহঁতৰ হেপাহ পলোৱা নাই। এজন সৈনিকে হাউলি তাইৰ নিষ্প্ৰাণ দেহাটোক সাৰটি ধৰিলে। তাৰ পিচত যেতিয়া তাই জ্ঞান পাই, তাইৰ সমুখত তেতিয়া সুৰজিত। তাই হুক্‌হুকাই উচুপি উঠিল; তুমি মোক বিয়া কৰাব নোৱাৰা সুৰজিত, মোৰ সকলো হেৰাই গ'ল সকলো। ইয়াৰ পিচত জানে অভি বাবু এদিনাখন সুৰজিতকো মোৰ বুকুৰ মাজৰ পৰা সিহঁতে কাঢ়ি লৈ গল। সুৰজিতৰ মৃত দেহটো মোক সিহঁতে উপহাৰ দিলে। জ্বলী অৱশ হৈ চকীখনত বহি পৰিল।

পাকিস্থানী সৈনিকৰ পাশৱিক আচৰণৰ নমুনা মই নিজ চকুৰে দেখিছো। এটি গাভৰু ছোৱালীৰ গাত সিহঁত জপিয়াই পৰিছে আৰু অৱশিষ্ট কাপোৰখিনি তাইৰ দেহৰ পৰা আতৰাই দি খুব জোৰেৰে সাৱটি ধৰি তাইৰ স্তন, ওঁঠ, বাহু সকলোতে পশুৰ দৰে কামুৰিবলৈ ধৰিছে মই মুখ ঘূৰাই আনিলো। জ্বলী কিছু সময়ৰ বাবে আমাৰ

মাজৰ পৰা উঠি গ'ল। টমচনে কৈছে—ভাৰতৰ প্ৰতি থকা তেওঁৰ অগাধ বিশ্বাসৰ কথা। টমচনে কৈছে মই জানো গান্ধীজীয়ে ভাৰতক এখন অভাৱ অনাটন ৰাষ্ট্ৰ হিচাবে গঢ়ি তুলিছে। আজৰি পোৱা সময়খিনিত তেওঁ মাথো মোক ভাৰতৰ প্ৰতি থকা তেওঁৰ ভাল পোৱাক নানা ভাৱে বুজাবলৈ যত্নৰ ত্ৰুটি কৰা নাই।

'মই টমচনক বুজাব গৈয়ো বুজাব পৰা নাছিলো। সকলো বস্তুৰে দুটা ফাল আছে, ভাৰতলৈ অহা হেজাৰ হেজাৰ সাংবাদিকে দেখিছে ইয়াৰ পোহৰ ফালটো আৰু ... ...। মই বুজাব গৈয়ো বৈ গৈছিলো কলিকতাৰ ফুট পাথত এখন মাত্ৰ সামান্য ৰুটিৰ বাবে কুকুৰ আৰু মানুহে টনা টনি কৰাৰ কথা।

কুকুৰ আৰু মানুহ

স্বাধীনতাৰ ২৯ বছৰ ...... ॥

এইবাৰ জ্বলীক কিছু শান্ত যেন লাগিল। আউল-বাউল চুলি টাৰিৰ মাজৰ পৰা এটা মৃদু গোন্ধ ভাহি আহিছে। দুয়োখন হাতত দুকাপ কফি। এই পৰিবেশত জ্বলীক বৰ ভাল লাগিল।

ধ্বংস স্তুপৰ ওপৰত জন্ম লোৱা এইখন বাংলাত ১ লাখ শিশুৰ জন্ম হৈছে এনেকৈয়ে অথচ সিহঁতৰ কোনো পিতৃ পৰিচয় নাই। জ্বলীয়েও জন্ম দিব কিছু দিন পিচত এটি শিশুক যাৰ কোনো পিতৃ পৰিচয় নাথাকিব আৰু যেন সেই দিনটোলৈ বৈ আছে জ্বলী।

জানে অভি বাবু মই সকলো হেৰুৱায়ো মাত্ৰ এটাই আনন্দ পাইছো সিহঁতৰ স্ব... সৌধ ভাঙি চিঙি চুৰমাৰ হৈ গ'ল। সিহঁতৰ পৰা আমি স্বাধীনতা পালো ইয়াতকৈ আমাৰ একোৱে নালাগে। হঠাত জ্বলী ভিতৰলৈ সোমাই গ'ল আৰু এখন সৰু ফটো আনি মোৰ হাতত গুজি দিলে সুৰজিত আৰু জ্বলীৰ যুগ্ম ছবি।

সমুখৰ খিৰিকীখনেৰে মই চাই পঠিয়ালো যিমান পাৰি সিমান দূৰলৈ। মৃত ধ্বংস স্তুপৰ মাজৰ পৰা পুণৰ জীৱনে যেন প্ৰাণ পাই মূৰ্ত্ত হৈ উঠিছে। ধ্বংস স্তুপৰ স্বাক্ষৰ আজি হঠাতে চকুত নপৰে। নতুন নতুন ঘৰ অতি ধুনীয়াকৈ সজা বাট পথ। তাৰ মাজত ধ্বংসৰ অন্য ৰূপ আছিল বুলি অনুমানেই কৰিব নোৱাৰি।

উচ্ছল হাঁহিৰ উচ্ছাসত মানুহ মৰ্ম্মস্পৃশী ইয়াত কান্দোন আৰু হাঁহাকাৰ আজি সম্পূৰ্ণ বিলীয়মান।

এক দুঃসহ বেদনালৈ টমচন আৰু মই ৰাজপথত খোজ পেলালো। নিশাৰ বাংলাদেশ তেতিয়া ভৰ টোপনিত। সমুখত এডাল বিৰাট ফেঁটি সাপৰ দৰে পৰি থকা ৰাস্তাটোৰে আমি খোজ পেলাইছো সমুখলৈ আৰু সমুখলৈ .. .. ।



[ I love thee with a love I seemed to lose with my last saints, I love the with breath, smiles, tears of all my life;
And if good choose
I shall but love the better after death. ]



# আশা

খগেন্দ্ৰ কলিতা,
স্নাতক. ২য় বৰ্ষ

মৰমৰ অৰ্পণা,

মৰমবোৰ যাচিলোঁ, গ্ৰহণ কৰিবা বুলি আশা কৰিয়েই। প্ৰায় সাতোটা বছৰ পাৰ হৈ যোৱাৰ পিছত লেফাফাটোৰ ওপৰত চিনাকী হাতৰ আখৰকেইটা দেখি চাগৈ আচৰিত হৈ যাবা। বহুতো কথা বহুতো ঘটনা তোমাৰ মনত পৰি যাব। আচৰিত হবলগা কথাই। আজি কিমান দিনৰ মুৰত যে

যে তোমালৈ চিঠি লিখিব বহিছো, ভাবিলে নিজৰে আচৰিত আচৰিত লাগে। কেতিয়াবা যে আকৌ তোমালৈ চিঠি লিখিম, আজি কাগজ কলম হাতত লোৱাৰ আগলৈ মই সেই কথা ভাবিবই পৰা নাছিলো। কিন্তু এতিয়া সেই অভাৱনীয় কামকে কৰিবলৈ ওলাইছোঁ।

জানা অৰ্পণা, আজি মোৰ মনটো আনন্দত নাচি উঠিছে। সচাঁকৈয়ে মোৰ খুব আনন্দ লাগিছে। কিয় জানা, অতদিনে যিটো খবৰৰ বাবে মই অপেক্ষা কৰি আছিলো, আজি সেই খবৰটো পালোঁ। এতিয়া মোৰ আৰু কোনো চিন্তা নাই। অন্তৰত কোনো দুখ নাই, শান্তিৰেই বিদায় লব পাৰিম। আনন্দৰ মাজেৰেই মই আতৰি যাব পাৰিম।

বাৰু অৰ্পণা, আনবোৰ কথা কোৱাৰ আগতে মোৰ নিজৰ বিষয়ে 'জীয়া মানুহৰ জীয়া কাহিনী'ৰ সেই নায়কজনৰ বিষয়ে অলপ কৈ লওঁ। চমুকৈ। বেছি দীঘলীয়াকৈ লিখিব নোৱাৰিম।

শেষবাৰৰ বাবে তোমালোকৰ ঘৰৰ পৰা গুচি অহাৰ পিচত মই তোমালৈ মাত্ৰ এখন চিঠি দিছিলো। তোমালোকৰ গাৱঁৰে সেই ল'ৰাজনৰ হাতত। চিঠিখন তেওঁ তোমাক হাতে হাতে দি আহিছিল, মোক কথা দিয়া অনুসাৰেই। তাৰ পিছত আজি আকৌ তোমালৈ লিখিব বহিছোঁ। এইখনেই তোমালৈ লিখা মোৰ শেষ চিঠি। ইয়াৰ পিচত আৰু তোমালৈ কোনো দিনেই চিঠি লিখিব নোৱাৰিম।



সেইদিনা সেইদৰে তোমাক এৰি অহাৰ দুমাহমানৰ পিচতেই পদোন্নতিৰ সৈতে মোৰ বদলি হৈছিল আন এখন নগৰলৈ। ঘৰৰ এৰি অহাৰ সুবিধা পাই মনটো ভালেই লাগিছিল। এই নগৰলৈ আহি মই সুকিয়াকৈ থকা আৰম্ভ কৰিছিলো। ঘৰৰ লগত থকা সম্পৰ্কখিনি লাহে লাহে নাইকীয়া কৰি পেলাইছিলো। ঘৰৰ পৰাও মোৰ খবৰ বাতৰি লব এৰি দিছিল। মযো ঘৰৰ বাবে চিন্তা কৰিব এৰি দিছিলো। নতুন নগৰখনত অকলশৰে হলেও একপ্ৰকাৰ ভাল ভাবেই দিনবোৰ গৈ আছিল। মাজে মাজে মনত পৰিছিল তোমালৈ। তোমাৰ কথাবোৰলৈ। এদিন তুমি কৈছিলা— "আমি যদি ঘৰ দুখন ত্যাগ কৰিব পাৰিলোহেঁতেন!" মাজে মাজে ভাবিছিলো এবাৰ তোমাক বুলি চাই আহো গৈ। কিন্তু যাওঁ যাওঁ বুলি ভাবি থাকোতেই গ'ল। তোমাক আৰু দেখা নাপালোঁ।

তোমাৰ পৰা যিখিনি পাইছিলো তাৰ স্মৃতিখিনি বুকুত বান্ধিলৈয়ে মই দিনবোৰ কটাই দিছিলো। বহুত দিন পাৰ হৈ গ'ল। সাতটা বছৰ কালৰ গৰ্ভত হেৰাই গ'ল। এই দিনবোৰ কেনেকৈ কটাইছিলো; সেই বোৰ কোৱাৰ আজি আৰু সময় নাই। তোমাৰ পৰা পোৱাখিনিৰ মধুৰ স্মৃতি আৰু নোপোৱাখিনিৰ বাবে বেদনাৰেই অন্তৰ ভৰাই হাঁহি-কান্দোনৰ মাজেৰে দিনবোৰ কটাই দিলো। সেই দৰে দৈহিক সুখ আৰু মানসিক অশান্তিৰে প্ৰায় চাৰিটা বছৰ পাৰ হৈ



গৈছিল। তাৰপিচত মনৰ লগতে মোৰ শৰীৰলৈও অসময়ত সন্ধিয়াৰ পাতল এন্ধাৰবোৰ নামি আহিল। মই বেমাৰী হৈ পৰিলোঁ। এন্ধাৰ ক্ৰমান্বয়ে ডাঠ হৈ আহি থকাৰ দৰেই মোৰ বেমাৰো লাহে লাহে বেচি হৈ আহিল। এই বেমাৰৰ পৰা আৰু হাত সৰাৰ কোনো উপায় নাই। ইয়াৰ পৰিণতি একমাত্ৰ মৃত্যু।

বেমাৰৰ আৰম্ভনিতে প্ৰথম ছমাহমান প্ৰাইভেট হিচাবে চিকিৎসা কৰাইছিলো। কিন্তু কোনো ফল নহ'ল। শেষত এদিন নগৰৰ চৰকাৰী চিকিৎসালয় পালোগৈ। জানা অৰ্পণা, মৃত্যুয়েই মোৰ কাম্য যদিও মই মৰিব নোৱাৰো। মৰণলৈ ভয় লাগে। অন্তৰত বেদনাৰ গধুৰ বোজা থাকিলেও মুখত হাঁহি হাঁহিয়েই দিনবোৰ কটাই দিবৰ মন যায়। সেই বাবেই গৈছিলো নগৰৰ প্ৰধান চৰকাৰী চিকিৎসালয়লৈ। জীয়াই থকাৰ আশা বুকুত বান্ধি। তাতেই লগ পালো ডাঃ ৰবীন কাকতিক। ডাঃ ৰবীন কাকতি তোমালোকৰ গাৱঁৰে সেই ল'ৰাজন, যিজনে মোৰ চিঠিখন নি তোমাৰ হাতে হাতে দিছিল গৈ। তেওঁৰ যত্নতেই চিকিৎসালয়ত থাকিবলৈ ঠাই পালোঁ। তেতিয়াৰ পৰাই প্ৰায় ডেৰটা বছৰ এই চিকিৎসালয়ৰ বিছনাতেই পৰি আছো। মোক আৰোগ্য কৰি তুলিবলৈ কাকতিয়ে যথা সাধ্য চেষ্টা চলাই আছে। কিন্তু মই ভালদৰেই জানো কাকতিয়ে হেজাৰ চেষ্টা কৰিলেও মোক আৰোগ্য কৰি তুলিব নোৱাৰিব। কোনেও নোৱাৰিব। কেবাদিনো



কাকতিক সুধিছিলো— "মোৰ কি বেমাৰ হৈছে ?" তেওঁ কয়— "বিশেষ টান অসুখ হোৱা নাই। আৰু কেইদিনমান ভালদৰেই চিকিৎসা চলালেই আপুনি ভাল হৈ উঠিব। আগতকৈ আপোনাৰ স্বাস্থ্যৰ ভালেখিনি উন্নতি হৈছে।' কিন্তু মই জানো অৰ্পণা, মোৰ স্বাস্থ্যৰ অকণো উন্নতি হোৱা নাই। দিনে দিনে মোৰ স্বাস্থ্যৰ অৱনতিহে ঘটিছে। প্ৰতি মুহূৰ্ত্তত মই মৃত্যুৰ মুখলৈ আগবাঢ়ি গৈ আছো। কাকতিয়ে চাগে' কবলৈ টান পাইছে যে মই কিবা দুৰাৰোগ্য বেমাৰত পৰিছো। ইয়াৰ পৰা হাত সাৰিবৰ কোনো উপায় নাই। মোৰ মনটো ভাগি পৰিব বুলিয়েই হয়তো স্বাস্থ্যৰ উন্নতি হৈ অহা বুলি কৈ কাকতিয়ে মোক সান্ত্বনা দিব বিচাৰে। বেচেৰাই কৰিবই বা কি ? যিমানখিনি পাৰে কৰিছে। মই যি বিচাৰিছো তাকে আনি দিছে। দেহ আৰু মনৰ বেদনাবোৰৰ পৰা মোক আঁতৰাই ৰাখিবলৈয়ে বিছনাৰ ওচৰত অতিৰিক্ত মেজ এখন নানা উপন্যাস, আলোচনীৰে ভৰাই থৈছে। নিজৰ টকা ভাঙি বিধে বিধে বস্তু আনি খাবলৈ দিছে। মোৰ লগত ৰাজনৈতিক, অৰ্থনৈতিক, সামাজিক আদি বিষয়ে নানান কথা পাতি আহৰি সময়বোৰ কটাই দিছে। কথা পাতি পাতিয়েই হয়তো নিশা মোৰ লগত উজাগৰে কটাই দিছে। ঘৰলৈ যোৱাই প্ৰতি তোমাৰ খবৰ আনি মোক জনাইছে। মোৰ বাবে কাকতিয়ে কি কৰা নাই ? তুমি হয়তো

বিশ্বাস কৰিবলৈ টান পাবা। কাকতিৰ চিকিৎসা, কাকতিৰ পৰিচাৰ্য্য নোপোৱাহেঁতেন মই হয়তো কেতিয়াবাই এই পৃথিবীখনৰ পৰা আঁতৰি যাব লাগিলহেঁতেন। তেতিয়াহলে সেই মৃত্যু হ'লহেঁতেন বৰ বেদনাদায়ক, খুব কষ্টকৰ। কিন্তু এতিয়া? এতিয়া হাঁহি হাঁহি এই মৃত্যুক সাৱটি লব পাৰিম। আনন্দৰ মাজতেই মই মৰিব পাৰিম। মোৰ অন্তৰত কোনো দুখ নাথাকিব।

জানা অপৰ্ণা, দুদিনমানৰ আগতে কাকতি ঘৰলৈ গৈছিল। তাতেই তেওঁ তোমাৰ বিয়াৰ খবৰটো পাইছিল। সেই বাবে ঘৰত কেইদিনমান থাকিম বুলি কৈ যোৱা ডাঃ কাকতিয়ে এদিন ঘৰত থাকিয়ে আকৌ ঢাপলি মেলিছিল মোৰ ওচৰলৈ তোমাৰ হবলগীয়া বিয়াৰ খবৰটো দিবলৈ। আজি আবেলি ঘৰৰ পৰা আহি পায়েই খবৰটো জনাইছিল। এই খবৰটোৰ বাবেই মই ইমান দিনে জীয়াতু ভূগি ভূগি বৈ আছিলো। আজি ডাঃ কাকতিয়ে সেই খবৰটো আনি দিলে। ভগৱানৰ ওচৰত প্ৰাৰ্থনা জনাইছো ডাঃ কাকতিৰ ভৱিষ্যতে যাতে উন্নতি হয়। তেওঁক যেন সুখী কৰে।

এতিয়া বাহিৰত পৃথিবীখন নিশাৰ ডাঠ এন্ধাৰবোৰে আগুৰি আছে। কিন্তু এই ৰুমটোৰ ভিতৰখন বিজুলী বাতিৰ দৰে উজ্বল পোহৰেৰে ভৰি আছে। এই পোহৰবোৰৰ মাজত কাকতিৰ পৰা খুজি আনা কাগজ কলম লৈ মই তোমালৈ চিঠি লিখি আছো। তোমালৈ দিয়া মোৰ শেষ চিঠি। ওচৰৰ কোঠাবোৰত থকা ৰোগীবোৰ হয়তো শুই পৰিছে। মোৰ হলে অকণো টোপনি ধৰা নাই। চিঠি লিখিব লৈছো যদিও একে ৰাহে মই লিখি যাব পৰা নাই। ভাৱবোৰে বৰকৈ আমনি কৰিছে।

এই সময়ত শৈশৱৰ মনত পৰা দিন ধৰি আজিলৈ ঘটি যোৱা বহুত ঘটনাই মোৰ মানস পটত ভাঁহি ভাঁহি উঠিব ধৰিছে। সেই ক খ পঢ়া দিনবোৰৰ কথা, সেই সময়ৰ বন্ধুবোৰৰ কথা মনত পৰিছে। নিলীমা বৰুৱালৈ মনত পৰিছে। নিলীমা বৰুৱাই মোক গালি পাৰা বাবে বাইদেউৰ মাৰ খোৱা সেই সন্ধিয়াৰ দৃশ্যটো মোৰ চকুৰ আগত ভাঁহি উঠিছে। মোৰ মা-দেউতা ভাই-ভনীহঁতলৈ মনত পৰিছে। যিবোৰ থাকিও নাই। মনত পৰিছে সেই তিৰোতাজনীলৈ: যিজনীক মই বেয়া তিৰোতা বুলি ভাবি থকা সত্বেও এদিন তেওঁৰ মৰমৰ বাবে মই কান্দিব-লগীয়া হৈছিল। তোমাৰ লগতে তোমাৰ ঘৰখনলৈ মনত পৰিছে। তোমাৰ লগত প্ৰথম সাক্ষাতৰ সেই সন্ধিয়াটো, সেই বিয়াখনৰ দৃশ্যবোৰ চিনেমাৰ দৰেই এটাৰ পিছত এটাকৈ মোৰ মানস পটত ভাহি উঠিছে। সেই বাসন্তী পূজাৰ দিনৰ হঠাৎ অহা বৰযুগজাক, তোমালোকৰ গাৱঁৰ বৰপুখুৰীটো, তাৰ পাৰত থকা গছবোৰ জিলিকি উঠিছে। সেইবোৰৰ মাজে মাজে তুমি ধুনীয়াকৈ সাজি-কাচি মোৰ চকুত ভূমুকি মাৰিছাহি। তোমাৰ ৰঙা ওঁঠজুৰি হাঁহিলেই টোল পৰা জিমুগাল দুখন ডাঙৰ দীঘলীয়া চকুজুৰি, কলা মিহি দীঘল চুলিখিনি, উন্নত বুকুখন, তোমাৰ দেহৰ সেই চিনাকী ভাজবোৰ মোৰ চকুৰ আগত জিলিকি উঠিছে। আমাৰ প্ৰথম মিলনৰ সেই সন্ধিয়াটো, তাৰ পিছত উজাগৰী নিশাবোৰ, শিৱৰাত্ৰীৰ সেই নিশাটো, আমাৰ গুপ্ত সম্পৰ্কৰ সেই দৃশ্যবোৰ এটাৰ পিছত এটাকৈ আহিছে আৰু গৈছে। তুমি বহুদিনৰ আগতে কোৱা কথাবোৰ আকৌ মোৰ কাণত বাজিবলৈ ধৰিছে। আমাৰ সেই অলিক কল্পনাবোৰ মনত পৰিছে; যিবোৰ আমি বাস্তৱত ৰূপায়িত কৰিব নোৱাৰিলো। সকলো পায়ো একো নোপোৱা, সাংসাৰিক জীৱনত ব্যৰ্থ হৈ পৰা বৌজনীৰ কথাবোৰ মনত পৰিছে। মোক নিজৰ ল'ৰাৰ দৰেই মৰম কৰা মামীজনীৰ মৰমখিনিলৈ মনত পৰিছে। এই সময়ত যদি তোমালোকৰ ঘৰৰ আটাইকে লগ পালোহেঁতেন, শেষবাৰৰ বাবে যদি আকৌ এবাৰ তোমালোকৰ ঘৰৰ আটাইৰে মৰমৰ পৰশ পালোহেঁতেন। মনত পৰিছে আমাক মতলীয়া কৰি পেলোৱা সেই শেষ নিশাটোলৈ, সেই ৰাতি পুৱাটোলৈ। বন্ধ ৰুমৰ ভিতৰত গাৰুত মুখ গুজি কান্দি থকা তোমালৈ। তাৰ পিচৰ বেদনাভৰা এই সাতটা বছৰ। এইবোৰ ঘটনাই বাৰে বাৰে ইটোৰ পিচত সিটোকৈ মোৰ মানস পটত ঘূৰি ফুৰিব ধৰিছে।

বহুদিনৰ পৰা ভাবিছিলো, কেতিয়ানো তোমাৰ বিয়াৰ খবৰটো পাম! আকৌ মাজে মাজে ভাবিছিলো, তোমাৰ বিয়া নহবই নেকি! মোৰ লগত থকা তোমাৰ গুপ্ত সম্পৰ্কটো ওলাই পৰা বাবে তুমিও অবিবাহিতা হৈ থাকিব লাগিব নেকি! পিচে পলমকৈ হলেও তোমাৰ বিয়াখন হ'ল। মানে হব। সাতটা বছৰ অপেক্ষা কৰাৰ পিচত আজি তোমাৰ বিয়াৰ খবৰ পালো। সচাঁকৈয়ে যে অৰ্পণা এতিয়া মই মৰণটো শান্তি পাম। মনে মনে ভাবি আছিলো তোমাৰ বিয়ালৈ যাম, তুমি বা তোমাৰ ঘৰৰ পৰা খবৰ নিদিলেও যাম। খবৰ দিবাই বা কেনেকৈ! ইমান দিনে কত, কেনেকৈ, কি কৰি আছো তুমিতো নাজানা। জানা, মই চিকিৎসালয়ত আশ্ৰয় লোৱাৰ পিচতে ডাঃ কাকতিয়ে তোমাক মোৰ অসুখৰ খবৰ দিব ওলাইছিল। কিন্তু মই তেওঁক বাৰে বাৰে বাধা দিছিলো। সেই বাবেই তেওঁ মোক তোমাৰ খবৰ দিছিল, কিন্তু তোমাক মোৰ খবৰ জনোৱা নাছিল। জানা অৰ্পণা, বিয়াত একো দিব নোৱাৰিলেও কইনাৰ বেশত তোমাক মোৰ এবাৰ চাই আহিবৰ খুব ইচ্ছা আছিল। কইনাৰ বেশত যে তোমাক কিমান ধুনীয়া দেখা যাব।

এই সময়ত এবাৰ তোমাক চাবৰ, তোমাক এবাৰ লগ ধৰি যাবৰ মন আছিল। কিন্তু তুমি আহিব নেলাগে। মই যাব নোৱাৰিলো, নোৱাৰিমো! ইয়াৰ পৰাই ভগবানৰ ওচৰত প্ৰাৰ্থনা জনাইছো, তোমালোকৰ দাম্পত্যজীৱন যাতে সুখৰ হয়। থিক এই মুহূৰ্ত্তত আহিলেও তুমি তোমাৰ এই অৰুণদাক দেখা নোপোৱা। সুঠাম দেহৰ অৰুণদাৰ ঠাইত এতিয়া তোমাৰ মৰমৰ অৰুণদাৰ কংঙ্কালটোহে জীয়াই আছে।

সেইবাবেই তুমি আহিলেও একো নাপাবা। তোমাৰ স্বামীক লৈ যাতে সুখৰ মাজেৰেই জীৱনৰ বাকী দিনবোৰ কটাব পাৰা। তোমালোকৰ মাজত যাতে কোনো দিন মৰম ভাল পোৱা আৰু প্ৰেমৰ অভাৱ নঘটে। দুয়োযেন দুয়োকে অন্তৰ ভৰি মৰম কৰিব, ভাল পাব, বিশ্বাস কৰিব পাৰা।

উঃ অৰ্পণা, অসহ্য লাগিছে। অসহ্য যন্ত্ৰণা। ভৰি হাতবোৰ কোচ্-মোচ্ খাই যাব ধৰিছে। গোটেই দেহটো অৱশ হৈ যাব ধৰিছে। চকু দুটা বৰকৈ পুৰিব ধৰিছে। বিজুলী বাতিৰ এই উজ্বল পোহৰখিনি বৰ অসহ্য লাগিছে। কিছুমান কুঁৱলীৰ দৰে পদাৰ্থই ৰুমটো আগুৰি ধৰিছে। উঃ অৰ্পণা অকমান জিৰাই লওঁ ৰবা।

জানা অৰ্পণা, মই বৰ দুৰ্ব্বল হৈ পৰিছো। তোমাৰ মৰমৰ অৰুণদাৰ শৰীৰটোত কংকাল-টোৰ বাহিৰে আজি আৰু একো নাই। সকলো শেষ হৈ গৈছে। তোমাৰ বিয়াৰ খবৰটো জনোৱাৰ পিচতেই, তোমালৈ চিঠি লিখিম বুলিয়েই ডাঃ কাকতিৰ পৰা কাগজ কলম খুজি লৈছিলো। কিন্তু এইখিনি লিখিয়েই মই ভাগৰি পৰিছো। কলমটো চলিব নোখোজা হৈ পৰিছে। অকমান সময়ৰ আগতে ডাঃ কাকতি আহি দুৱাৰমুখৰ পৰাই মোক চাই গ'ল। এতিয়াও চিঠিকেই লিখি থকা দেখি তেওঁ চাগৈ মোক আমনি দিব নুখুজিলে। ৱাৰ্ডটোৰ বাকী কেইটা ৰুমৰ কাম শেষ কৰি কিছু সময়ৰ পিছতেই হয়তো তেওঁ আকৌ মোৰ ৰুমলৈ আহিব।

তেতিয়াও তোমালৈ চিঠি লিখি থকা দেখিলে হয়তো মোক বাধা দিব। নিশ্চিন্তে শুৱাই ৰাখিবৰ বাবে হয়তো অনুৰোধৰ পিচত জোৰ কৰি হলেও মোৰ কংকালসাৰ শৰীৰটোত এটা মৰ্ফিয়া ইনজেকচন দিব। তাৰ পিছত হয়তো অনিচ্ছাস্বত্বেও মই শুই পৰিম।

সোণজনী, এইখনেই তোমালৈ লিখা শেষ চিঠি। এই চিঠিখন তুমি পোৱাৰ আগতেই মই এই পৃথিবীৰ পৰা আতৰি যাম। চিৰদিনৰ বাবে মৃত্যুৰ শীতল কোলাত আশ্ৰয় লম। তোমাৰ বিয়াত কিবা এটা উপহাৰ দি যাব পৰাহেঁতেন! কিন্তু মোৰ হাতত যে দিব পৰা একোৱেই নাই। মই আজি নিঃস্ব। মই আজি মৰণ পথৰ যাত্ৰী। অ' তুমি হয়তো ভাবিব পাৰা কাইলৈ তোমাৰ বিয়া বুলি কিবা প্ৰকাৰে জানিব পাৰি নোপোৱাৰ অসহ্য বেদনাত মই আত্মহত্যা কৰিছো। সেইটো নাভাবিবা। মই আত্ম-হত্যা কৰা নাই। বেদনাত পৰি অসহ্য যন্ত্ৰণা সহ্য কৰি কৰিও তোমাক দিয়া কথা ৰাখিয়েই ইমানদিন মই জীয়াই আছিলো। কিন্তু এতিয়া আৰু নোৱাৰিম। মোৰ নিকট মৃত্যু অনিবাৰ্য্য। জীয়াই থকাৰ মোৰ থাকিলেও মৰণলৈ ভয় কৰিলেও মই আৰু জীয়াই থাকিব নোৱাৰিম। ডাঃ কাকতিক সুধিলেই সকলো জানিব পাৰিবা।

এটা কথা মন কৰিছানে অৰ্পণা! কাইলৈ তোমাৰ বিয়া। কাইলৈ সেই দিনটোতেই আমাৰ মাজত শেষবাৰৰ বাবে দেখা দেখি হৈছিল। এটি করুণ পৰিবেশত কাইলৈৰ দিনটোৰ পৰা থিক সাতবছৰ আগতে। সাতবছৰ আগৰ সেই দিনটোত তোমাক মাত এষাৰ দি আহো বুলি তোমাৰ ওচৰলৈ গৈও একো নোকোৱাকৈ গুচি আহিছিলো। আৰু সাতবছৰ পিচৰ কাইলৈৰ দিনটোতেই তোমাৰ বিয়া হব। তুমি সঙ্গী পাবা। দাম্পত্য জীৱনত প্ৰৱেশ কৰিবা।

বিয়াৰ আগতে কেতিয়াও তুমি এই চিঠিখন নোপোৱা। চিঠিখন পোৱাৰ আগতে মই এই পৃথিবীৰ পৰা আতৰি যাব লাগিব। তোমাৰ পৰা বহুত দূৰলৈ। মৃত্যু মোৰ নিচেই ওচৰত। এখোজ-দুখোজকৈ আগবাঢ়ি আহিছে। এতিয়া মৃত্যু হলেও মোৰ অন্তৰত আৰু কোনো দুখ নাই। তোমাৰ বিয়াৰ খবৰ-টোৰ বাবে মই অপেক্ষা কৰি আছিলো। হাঁহি মুখে ময়ো এতিয়া মৃত্যুক আহ্বান জনাইছো। মৃত্যুৰ শীতল পৰশলৈ অপেক্ষা কৰি আছিলো। ইমানদিনে তোমাৰ বিয়াৰ খবৰটো নোপোৱা বাবেই মোক নিব আহিও বাৰে বাৰে মৃত্যু ব্যৰ্থ হৈছিল। কিন্তু এতিয়া মই নিজেই অধীৰ আগ্ৰহেৰে মৃত্যুলৈ অপেক্ষা কৰিছো। যি কোনো মুহূৰ্ত্তত মোৰ মৃত্যু হব পাৰে। হয়তো এই নিশাৰ এন্ধাৰবোৰ শেষ হৈ যোৱাৰ আগতেই, ৰাতিপুৱাৰ মোহনীয় ক্ষীণ পোহৰখিনি পৃথিবীৰ বুকুলৈ নামি অহাৰ আগতেই, এই ৰুমটোৰ বিজুলীবাতিটো নুমাই যোৱাৰ আগতে মোৰ জীৱন বন্তি-গছিনুমাই যাব।

সোণজনী, মোৰ বাবে কেতিয়াও তুমি দুখ নকৰিবা। তুমি দুখ কৰি থাকিলে মোৰ আত্মাই কষ্ট পাব। মোৰ আত্মাক দুখ দিব নিবিচাৰিবা। আমিতো আকৌ লগ হম। সিপুৰীত মই গৈ তোমাৰ বাবে বাট চাই থাকিম। পৃথিবীত থাকিবলগীয়া সময়-খিনি শেষ হৈ যোৱাৰ পিচত যেতিয়া তুমি তালৈ যাবা তেতিয়া এনিশা তোমাৰ বুকুত মোৰ মৰমৰ আঘাতৰ চিনটোৱেই মই তোমাক বিচাৰি উলিয়াব পাৰিম। তুমিও বিচাৰি বিচাৰি উলিয়াবা মোক। মোৰ ৰোগগ্ৰস্ত কঙ্কালসাৰ দেহটো ধ্বংস হলে তুমি আনন্দতো কৰা উচিত। এতিয়া মোৰ হৃদয়ত আছে নিজৰ কেঁচা তেজেৰে অ'াকি ৰখা সেই হাঁহিভৰা মুখখনেৰে তোমাৰ ছবিখন। প্ৰথম সাক্ষাতৰ মুহূৰ্ত্ততেই অ'াকিৰখা সেই ছবিখনি মৃত্যুৰ আগমুহূৰ্ত্ততো মোৰ হৃদয়ত একেদৰেই আছে। হেজাৰ দুখ যাতনাই সেই ছবিখনি কেতিয়াও ম্লান কৰিব নোৱাৰিলে।

মোৰ মৰমৰ অৰ্পণাজনী, আৰু বেছি লিখিব নোৱাৰিম। হাত দুখন ক্ৰমে অৱশ হৈ আহিব ধৰিছে। চকুদুটাৰে ধোৱা ধোৱা দেখিব ধৰিছোঁ। বিজুলীবাতিৰ উজ্বল পোহৰ খিনি ক্ৰমে ম্লান হৈ আহা যেন লাগিছে। মোৰ ওচৰত এতিয়া আৰু কোনো নাই। ডাঃ কাকতিকো হয়তো লগ নাপাম। ভগবানে তোমালোকৰ দাম্পত্যজীৱন সুখময় কৰি তোলক।

সোণজনী, তুমি মোক যিদৰে ভাল পাইছিলা, মৰম কৰিছিলা, প্ৰেম যাচি-ছিলা, তোমাৰ স্বামীকো সেইদৰে ভাল পাবলৈ,

মৰম কৰিবলৈ, প্ৰেম যাচিবলৈ চেষ্টা কৰিবা। খং, অভিমান কৰি, বা ভেম পাতি থাকি তেওঁক আমনি নিদিবা। এয়েই তোমাৰ ওচৰত মোৰ শেষ অনুৰোধ। অনুৰোধ ৰাখিবা বুলিয়েই আশা কৰিলো।

জানা, তোমাৰ বিয়া হৈ যোৱাৰ পিছত ময়ো কোনোবা এজনী গাভৰুক বিয়া কৰাম বুলি কথা দিছিলো। কিন্তু কথামতেই কাম কৰিবলৈ মই সময় নাপালো। তাৰ বহু আগতেই মই পৃথিবীৰ পৰা আঁতৰি যাবলগীয়া হ'ল। তাৰ বাবে তুমি দুখ নকৰিবা। দুখ কৰিলেও কোনো লাভ নাই। নিয়তিয়ে কাৰো দুখ বেদনালৈ চকু নিদি আপোন মনে নিজ কাম কৰি যায়। পৃথিবীত যিখিনি সময় থাকিম বুলি চুক্তি কৰি আহিছিলো, খন্তেক পিচতে হয়তো সেই সময়খিনি শেষ হৈ যাব। তাৰপিচত মই এই পৃথিবী এৰি গুচি যাব লাগিব, চিৰদিনৰ বাবে।

এই জীৱনত তোমাক আৰু দেখা নাপালো। তোমাৰ হবলগীয়া স্বামীজনৰ বিষয়তো একেবাৰেই নাজানিলো। তোমালোকৰ ঘৰত সেইদিনা পুৱা তোমাক অকলশৰে এৰি থৈ অহাৰ পিছত আমাৰ মাজত আৰু দেখা-দেখি নহ'লেই। তথাপি মই তোমাক সকলো সময়তে দেখি আছো। এতিয়াও দেখি আছো, তুমি মোৰ চাৰিও ফালে ঘূৰি আছা।

এয়া মোৰ মৃত্যুৰ ক্ষণ নিচেই ওচৰ চাপি আহিছে। মোক লৈ যাবলৈ মৃত্যুদূত ক্ৰমে আগবাঢ়ি আহিছে। ক্ষন্তেক পিচতে মই মৃত্যুৰ শীতল কোলাত চিৰদিনৰ বাবে আশ্ৰয় লম। ডাঃ কাকতিক এবাৰ লগ ধৰি যাব পৰাহেঁতেন ভাল আছিল। নহলে চাগৈ তেওঁ মোক বৰ অকৃতজ্ঞ বুলি ভাবিব। কিন্তু তেওঁক লগ ধৰিবলৈ মোৰ সময় নহব। এতিয়া হয়তো তেওঁ মোৰ দৰে আন কোনোবা শয্যাশায়ী ৰোগীৰ চিকিৎসাত ব্যস্ত হৈ আছে। থাকক। তেওঁক আৰু কেতিয়াও আমনি নিদিও। ধন্যবাদ আৰু কৃতজ্ঞতা জনাই তোমালৈ লিখাৰ দৰে কাকতিলৈও দুষাৰ মান লিখি থৈ যাম। ভগবানে কাকতিক সুখী কৰক।

উঃ আৰু নোৱাৰো। বিদায় সোণজনী! দুখ নকৰিবা। হাঁহি হাঁহি মই মৃত্যুৰ কোলাত আশ্ৰয় লম। বি দা য়।

তোমাৰেই— 'অৰুণদা'।

[ মই জানো সকলোবোৰ টান সমস্যা, যি বিলাক সমাজত, ৰাষ্ট্ৰত, অনুষ্ঠানত হৈ থাকে সেইবোৰৰ সমাধান বিচাৰিবলৈ প্ৰায় ছাত্ৰ-শক্তিৰ প্ৰয়োজন হয়। সেয়ে যেতিয়া কোনো এখন দেশত দুৰ্নীতিৰ শাসন চলে তেতিয়া আন আন শক্তিবোৰ পিচ হুহকিলেও আমাৰ এই শক্তিৰ তেজ বৰফ হৈ গোট নামাৰে নিশ্চয়। ]

পৰমেশ শৰ্ম্মা,
সম্পাদক, আলোচনী প্ৰথম সংখ্যা
১৯৬৬-৬৭ চন।





# প্ৰশ্নোত্তৰ শিতান 00

# : প্ৰশ্নোত্তৰ শিতান :

উত্তৰ দিছে এই সংখ্যাৰ আলোচনী সম্পাদকে।

অঞ্জলী চৌধুৰী

প্ৰশ্ন :— ৰঙিয়া হৰদত্ত-বীৰদত্ত ভৱনৰ কাষত এটি মহাত্মা গান্ধীৰ পূৰ্ণাঙ্গ মূৰ্ত্তি আছে আৰু তাৰ চাৰিওকাষে তাঁৰৰ বেৰ দিয়া আছে, বহুতো বাটৰুৱাই অহা-যোৱা কৰোতে তাৰ ভিতৰত থু, ফটা কাগজ আদি পেলাই যায়। ইপিনে আকৌ অসমত চিলাৰায়, লাচিত বৰফুকন আদিৰ মূৰ্ত্তিও প্ৰতিষ্ঠা কৰাৰ যো-জা চলিছে সেই প্ৰতিমূৰ্ত্তিবোৰৰো বাৰু কেইদিনমানৰ পাছত একেই অৱস্থা নহ'বনে ?

উত্তৰ :— মহাত্মা গান্ধীৰ পূৰ্ণাঙ্গ মূৰ্ত্তিৰ চাৰিবেৰৰ ভিতৰত থু পেলোৱা কাৰ্য্যক আপুনি কোৱাৰ দৰে ইচ্ছা পূৰ্ব্বক নহয় বুলিহে মই কব বিচাৰোঁ, মানুহে অজ্ঞাতে চৈতন্যহীনতাৰ বাবে তেনে কৰিব পাৰে। লাচিত বা চিলাৰায়ৰ মূৰ্ত্তি হলেও একে অৱস্থাৰ সৃষ্টি নহবও পাৰে আৰু হলেও আপোনাৰ দৰে সংস্কাৰকৰ প্ৰয়োজন অধিক হব।

প্ৰশ্ন :— আপুনি 'নতুন পুৰুষৰ' সংজ্ঞা কেনে ধৰণে দিব বিচাৰে আৰু অসমৰ বৰ্ত্তমান 'নতুন পুৰুষ' চামৰ কিবা উন্নতি দেখিছেনে ?

উত্তৰ :— পৰিবৰ্ত্তন সাধিবলৈ অহোপুৰুষাৰ্থ কৰিব পৰা বৌদ্ধিক দক্ষ সমাজ আৰু জীৱন সম্পৰ্কে অৰ্দ্ধ অভিজ্ঞ ন পুৰুষ নতুন পুৰুষ। ৰাজনৈতিক আৰু সাংস্কৃতিক চেতনাত জাগ্ৰত অসমীয়া নতুন পুৰুষৰ দ্বাৰা ব্যাক্তি আৰু সমাজৰ উন্নতি অৱশ্যাম্ভাবী।

নগেন চন্দ্ৰ বড়ো

প্ৰশ্ন :— আলোচনীৰ পাততেই হওঁক বা বাতৰি কাকততেই হওঁক প্ৰায়বোৰ বস্তুৰ বিজ্ঞাপনৰ পাততেই আমি দেখিবলৈ পাওঁ কিছুমান নগ্ন বা অৰ্দ্ধনগ্ন নাৰী মূৰ্ত্তি, ইয়াৰ কাৰণ কি ? এনে কাৰ্য্যত সমগ্ৰ নাৰী জাতিক হেয়জ্ঞান কৰা হোৱা নাই বুলি আপুনি ভাবে নেকি ?

উত্তৰ :— নাৰীৰ নগ্ন দেহৰ প্ৰতি নাৰী-

পুৰুষৰ স্বাভাৱিক আকৰ্ষণক নগ্নদেহ 'মডেল'ৰ দ্বাৰা প্ৰদৰ্শন কৰি বস্তুৰ বিজ্ঞাপন দি সুবিধা লোৱা হয়। হয় নাৰীয়ে (মডেল) নাৰীক হেয়জ্ঞান কৰেই।

প্ৰশ্ন :— মানুহে মৃত্যুক ভয় কৰেনে, যদি কৰে কেতিয়া ?

উত্তৰ :— হয়, যেতিয়া দেখে যে মৃত্যুৰ পিচত অধমৰ গাদীখন আন এজন অধমৰ হস্তগত হব।

## ৰিয়াজুদ্দিন আহমেদ

প্ৰশ্ন :— দান আৰু ত্যাগে মানুহৰ জীৱনলৈ কলঙ্ক আনে নে গৌৰৱ আনে, কিন্তু কেতিয়াবা দেখা যায় দান, ত্যাগে মানুহৰ জীৱনলৈ কলঙ্কহে আনে, কিয় বাৰু ?

উত্তৰ :– 'কেতিয়াবা দেখা যায় দান আৰু ত্যাগে মানুহৰ জীৱনলৈ কলঙ্কহে আনে' অৰ্থাৎ প্ৰায় ভাগ সময়তে ই মানুহৰ জীৱনলৈ গৌৰৱহে অনা আপুনি দেখা পায়। দান আৰু ত্যাগ কৰি ভিক্ষাৰ জোলোঙা নোলোৱাকৈ থাকিব পাৰিলে ই মানুহক মহান কৰে বুলি মই আকৌ শুনিছোহেঁ মাত্ৰ। ব্যাতিক্ৰমে কলঙ্ক আনে বুলি ভাবো।

## ফুন্নু দাস

প্ৰশ্ন :– খট্‌খটীৰে মন্দিৰৰ ভিতৰলৈ যেতিয়া সোমাই পুনৰ যেতিয়া মন্দিৰৰ ভিতৰৰ পৰা বাহিৰলৈ সেই একে খট্‌খটীৰে তললৈ নামি আহে আপোনাৰ বাৰু কি ভাৱ হয়, অইন কিছুমানৰ দৰে মনৰ উদ্দেশ্য সফল হয় বুলি ভাবেনে ?

উত্তৰঃ – ভাব হয় সচাঁই যেন মই বহুত তললৈ নামি আহিলো। তেতিয়া কি ভাবো জানোচা মন্দিৰলৈ উদ্দেশ্যৰ সফলতা বিচাৰি অহা মূৰ্খামিৰ যৱনিকা নপৰিল !

## প্ৰাণেশ্বৰ বড়ো

প্ৰশ্ন :– পৃথিৱীত যদি ভয়াবহ বস্তু আছে সেইটোৱে হ'ল কাম উপেক্ষিতা নাৰী !

উত্তৰ :— ভয়াবহবোৰৰ ভিতৰত এইটোও এটা মাত্ৰ।

প্ৰশ্ন : – পাণ্ডৱসকলে হিমালয় পৰ্ব্বতেৰে স্বৰ্গাৰোহণ কৰা বুলি মহাভাৰতত থকা কথাটো সচাঁ নে, যদি সেয়ে হয় এতিয়াও পথটিৰ কিবা চিহ্ন থকা বুলি গম পায় নেকি ?

উত্তৰ :— "মহাভাৰত"ৰ কাহিনীৰ সত্যতা পঞ্চাশ ভাগে শুদ্ধ নহয়। শান্তি পৰ্ব্বত সুখদায়ক মোখনিৰ প্ৰয়োজন, সেয়ে হয়তো স্বৰ্গাৰোহণ দেখুৱা হৈছে। বহুতে কয় যে স্বৰ্গাৰোহণ পৰ্ব্ব সততাৰ জয় সম্বন্ধীয় প্ৰতীক ধৰ্ম্মী সামৰণি মাত্ৰ।

## মঞ্জুলা গোস্বামী

প্ৰশ্ন :— আমাৰ ৰঙিয়া মহাবিদ্যালয়ৰ ছোৱালীৰ জিৰণী কোঠাত লৰাৰ প্ৰৱেশো দেখিবলৈ পোৱা যায়, ছোৱালীৰ জিৰণী কোঠাত তেওঁলোকৰতো প্ৰায়োজন নাই ?





উত্তৰ :– ছোৱালী জিৰণী কোঠাত লৰাৰ প্ৰৱেশ যদি আপুনি দেখা পাইছে কব নোৱাৰোঁ। থিকেই, ছোৱালী জিৰণী কোঠাত লৰাৰ প্ৰয়োজন নাই। এনে হোৱাও সম্ভৱ – লৰাৰ প্ৰৱেশ কাৰ্য্য লৰা জিৰণী কোঠাত কৰ্তৃপক্ষই লগোৱা তলা ৰিদিং ৰুমত পঢ়াৰ ব্যৱস্থা নকৰা, বাতৰি কাকত, আলোচনী আদি নিদিয়া অথবা কলেজত এখন কেন্টিনৰ অভাৱ আদিৰ বিৰুদ্ধে এটা ক্ষোভ মাত্ৰ। পৰ্দা আৰু পাৰ্টিচন ভেদ কৰি লৰানো কেনেকৈ সোমাবলৈ পালে ? আশ্চৰ্য্য দেও !

## অতুল কলিতা

প্ৰশ্ন :-কোনোবা ছোৱালীক ভাল পোৱাটো কলঙ্কৰ কথানেকি, এজন সক্ষম ডেকাই এজনী গাভৰুক ভালপোৱাটোৱে চৰিত্ৰহীনতাৰ কথা সূচায় নেকি ?

উত্তৰ :- নহয়, এজন সক্ষম ডেকাই বুঢ়ী এজনীক ভাল পালেও চৰিত্ৰহীনতাৰ কথা সুসূচায়। এতেকে এজনী গাভৰুক ভাল পালে কেনেকৈ সূচাব ? পিচে চৰিত্ৰহীনতা নিৰ্ভৰ কৰিব ডেকাজনৰ ক্ষমতাখিনি প্ৰয়োগ কৰা কাৰ্য্যৰ ওপৰতহে।

## দিলীপ চৌধুৰী

প্ৰশ্ন :– ধৰ্ম্ম বিশ্বাসে মানুহৰ মন পবিত্ৰ কৰি তোলে নে দুৰ্ব্বল কৰি তোলে, যদি দুৰ্ব্বল কৰি তোলে সেই দুৰ্ব্বলতা কিহৰ ? এই দুৰ্ব্বলতাৰ বাবে মানুহে কি কৰা উচিত ?

উত্তৰ :– ধৰ্ম্ম আৰু বিশ্বাসে মানুহৰ মন দুৰ্ব্বল নকৰে। ধৰ্ম্মৰ তাড়নাত অত্যাসাক্ত হলে মানুহক ধৰ্ম্ম আৰু বিশ্বাসৰ পৰা উদ্বুদ্ধ ৰক্ষণ শীলতাইহে দুৰ্ব্বল কৰে। এই দুৰ্ব্বলতা বাৰীত সাপ দেখিলে মনসা পূজাৰ দৰে। এই দুৰ্ব্বলতাৰ বাবে মানুহে বস্তুবাদ অধ্যয়নৰ মাধ্যমেদি ধৰ্ম্মৰ বিকৃত দুৰ্বল ৰূপক সবল কৰাৰ চেষ্টা কৰা উচিত।

## নাজমাআৰা বেগম

প্ৰশ্ন :- উত্তৰ দিয়ক চোন– যোগাযোগৰ তিনিটা বেগী মাধ্যম হ'ল টেলিফোন, টেলিগ্ৰাম আৰু তিৰোতাৰ মুখ।

উত্তৰ : তৃতীয়টো তীব্ৰতম বেগী, যদিহে কথাটো সম্পূৰ্ণ ব্যক্তিগত হয়।

## চন্দ্ৰেশ্বৰ কলিতা

প্ৰশ্ন :- জন্ম দিনৰ কেক্ আৰু বিবাহ দিনৰ কেক্‌ৰ পাৰ্থক্য কওঁক চোন ?

উত্তৰ :- জন্ম দিনৰ কেক্ = হঠাৎ এটা বছৰৰ অতিক্ৰম।

বিবাহৰ দিনৰ কেক্ = হঠাৎ ত্ৰিশটা বছৰৰ অতিক্ৰম।

**সত্যৱতী কলিতা**

প্ৰশ্ন ঃ আপোনাৰ জীৱনত ৰেখাপাত কৰিব পৰা দুজন ব্যক্তিৰ নাম কব নেকি ?

উত্তৰ :- মোৰ শৈশৱত শঙ্কৰদেৱ আৰু এতিয়া ভূপেন হাজৰিকা ।

**অৰুণ ভট্ট**

প্ৰশ্ন :- মানুহেই মানুহৰ শত্ৰু, আপোনাৰ মতামত ?

উত্তৰঃ- আপোনাৰ লগত একমত। আপুনি যেনেকৈ মোৰ শত্ৰু আপোনাৰো মই জ্যোতি বসুৰ চাৰু মজুমদাৰ, চাৰু মজুমদাৰৰ জ্যোতি বসু ।

**সন্তোষী আগ্ৰৱালা**

প্ৰশ্নঃ- বৰ্ত্তমান সময়ত নতুন পুৰুষৰ প্ৰচেষ্টাক কোনে আদৰণি জনাব।

উত্তৰঃ- প্ৰচেষ্টা ধ্বংসাত্মক হলে সমগ্ৰ ৰাইজে গৰিহণা দিব । আৰু প্ৰচেষ্টা গঠন মূলক হলে সমগ্ৰহ ৰাইজৰ ফুল-চন্দন পৰিব ।

প্ৰশ্নঃ- জীৱন আৰু যৌৱনৰ কোনটো ডাঙৰ বাৰু ?

উত্তৰঃ- জীৱন। যৌৱন ক্ষন্তেকীয়া। জীৱ... সদা প্ৰৱাহিত । জীৱনৰ উদাহৰণ মহা... গান্ধী । যৌৱনৰ ৰেহেনা চুলতানা, ফৰি... জালাল ।

**শেৱালী শৰ্ম্মা**

প্ৰশ্ন :- কামিনীকান্তক কিয় উপন্যাস বুলি... ধৰা নহয় ।

উত্তৰ: কামিনীকান্তত উপন্যাসৰ মাজে... খৃষ্টান ধৰ্ম্ম প্ৰচাৰৰ চেষ্টা কৰিছে যদি... উপন্যাসৰ থাকিবলগীয়া গুণ সমূহৰ অভা... পৰিলক্ষিত হোৱা হেতুকে কামিনীকা... উপন্যাসৰ শাৰীত পেলাব নোৱাৰি ।

**চক্ৰ শইকীয়া**

প্ৰশ্ন : গিৰিয়েকৰ বাবে ঘৈণীয়েক ৰামধেনু... দৰে, আপুনি কি কয় ?

উত্তৰ ঃ কিন্তু জীৱনৰ ৰং সাতোটাতকৈ... বহুত বেছি ।

প্ৰশ্ন :- পুৰুষৰ দুৰ্ব্বলতা নাৰীত, নাৰী... দুৰ্ব্বলতা কিহত ?

উত্তৰ :- পুৰুষৰ দুৰ্ব্বলতা ধৰিব নোৱাৰ... টোত ।





# মুখামুখি

( লব্ধ প্ৰতিষ্ঠ কথা সাহিত্যিক, শিক্ষাবিদ ত্ৰৈলোক্য নাথ গোস্বামীদেৱৰ পৰিচয় নতুনকৈ দিয়াৰ আৱশ্যকতা নাই । সৰল আৰু বিচিত্ৰতাহীন ৰচনা ৰীতিৰে অসমীয়া গল্প সাহিত্যত তেখেতে এখন স্বকীয়া আসন অধিকাৰ কৰি আছে । তেখেতৰ খ্যাতি ইতিমধ্যে ৰাষ্ট্ৰীয় পৰ্য্যায়লৈ ব্যাপ্ত হৈছে আৰু ইয়াৰেই স্বীকৃতি স্বৰূপে তেখেতের "আধুনিক গল্প সাহিত্য"লৈ সাহিত্য একাডেমী বঁটা আগবঢ়োৱা হৈছে । তেখেতে অসম সাহিত্য সভাৰ ক্ৰমে নলবাৰী আৰু গোৱালপাৰাত অনুষ্ঠিত ২৮ শ আৰু ২৯ শ অধিবেশনত সভাপতিৰ আসন অলংকৃত কৰে । শিক্ষাবিদ হিচাবে গোস্বামীদেৱ সুপৰিচিত আৰু নলবাৰী কলেজৰ অধ্যক্ষৰূপে অৱসৰ গ্ৰহণ কৰাৰ লগে লগে তেখতৰ সুদীৰ্ঘ কৰ্ম্মময় জীৱনৰ অন্ত পৰে যদিও তেখেত এতিয়াও বিভিন্ন শিক্ষা-সংস্কৃতিমূলক অনুষ্ঠানৰ লগত ওত: প্ৰোতভাৱে জড়িত । বাৰ্দ্ধক্যজনিত অসুস্থতা স্বত্বেও তেখেত বৰ্ত্তমানে নিৰ্মীয়মান নলবাৰী "পূৰ্ব্বভাৰতী" সাংস্কৃতিক বিশ্ববিদ্যালয়ৰ লগত নিবিড়ভাবে জড়িত । )

প্ৰশ্ন :— (১) সাম্প্ৰতিক অসমীয়া চুটি-গল্প সাহিত্যৰ মুল্যায়ন এটি দাঙি ধৰিবনে ? ইয়াৰ ভৱিষ্যত কি ?

উত্তৰ ঃ সাম্প্ৰতিক অসমীয়া চুটি-গল্পৰ মাজত বিশেষকৈ পৰিলক্ষিত হয় বিচিত্ৰতা । নতুন নতুন বিষয় বস্তুৰ অৱলম্বনত নতুন কলা কৌশল সমৃদ্ধ দুই চাৰিটা চুটি-গল্প সাম্প্ৰতিক কালত দেখিবলৈ পোৱা যায় । এই যুগত কেইবা গৰাকীও সম্ভৱনাপূৰ্ণ গল্প লেখক মাৰ্ক্সীয় প্ৰভাৱেৰে প্ৰভাৱান্বিত হৈছে । প্ৰকৃতপক্ষে সমাজ জীৱনৰ লগত ঘনিষ্ঠভাৱে সম্পৰ্ক ৰক্ষা কৰিব নোৱাৰা গল্পৰ বৰ্ত্তমান যুগত আদৰ নোহোৱাতো এক প্ৰকাৰ শুভ লক্ষণ । কিন্তু এনেবোৰ গল্পৰ মাজৰ উদ্দেশ্য ধৰ্মিতা যাতে ওপৰতে ওলাই নেথাকে তাৰ প্ৰতি গল্প লেখক সকল সচেষ্ট হোৱাৰ প্ৰয়োজন । আন কথাত কবলৈ গলে গল্প এবিধ কলা । আৰু কলা-সৌন্দৰ্য্যৰ ওপৰত যাতে উদ্দেশ্য ধৰ্মিতাই একাধিপত্য ৰাজত্ব নকৰে তাৰ প্ৰতি চকু ৰখা নিতান্ত দৰকাৰ । সাম্প্ৰতিক কালৰ কিছুমান গল্পত আৱশ্যকীয় সংযমৰ পৰিবৰ্ত্তে বাক-বহুলতা দেখিবলৈ পোৱা যায় । গল্পৰ আৰ্টৰ কালৰ পৰা এইটো বৰ্জ্জনীয় । সাম্প্ৰতিক কালৰ গল্পৰ অগ্ৰগতি অব্যাহত থাকিব বুলি মোৰ বিশ্বাস ।

প্ৰশ্ন :– (২) অসমীয়া সাহিত্য-সংস্কৃতিৰ প্ৰবক্তা হিচাবে অসম সাহিত্য সভাই আশানুৰূপ ভাৱে দায়িত্ব আৰু কৰ্ত্তব্য পালন কৰিছেনে ?

উত্তৰঃ— অসম সাহিত্য সভাই নিজৰ সীমাবদ্ধতাৰ মাজত এতিয়ালৈকে ভালেখিনি কাম কৰিব পাৰিছে। ইয়াক বেছিকৈ গতিশীল কৰিব লাগিলে ইয়াৰ নিয়মাৱলীক সম্পূৰ্ণ ৰূপে সংশোধিত কৰিব লাগিব। আৰু পাৰিলে সম্পাদক জনক আৱশ্যকীয় পাৰিতোষিক দিয়াৰ ব্যৱস্থা কৰিব লাগিব। বৰ্ত্তমান নিয়মৰ মাজত সাহিত্য সভাখন কিছু পৰিমাণে গতানুগতিক ৰীতিত আগবাঢ়িবলৈ বাধ্য। কিয়নো সচৰাচৰ সাংস্কৃতিক অনুষ্ঠানবোৰৰ কাৰ্য্যাৱলীৰ মাজত কিছু পৰিমাণে গতানুগতিকত্ব থাকিবলৈ বাধ্য।

প্ৰশ্ন :— (৩) বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱাৰ পাচত অসমীয়া ভাষা আৰু সাহিত্যৰ ক্ষেত্ৰত কিবা দৰ্শনীয় প্ৰভাৱ পৰিলক্ষিত হৈছেনেকি ?

উত্তৰ :— বিশ্ববিদ্যালয়ৰ শিক্ষাৰ মাধ্যম অসমীয়া হোৱাৰ পাচত অসমীয়া ভাষা সহিত্যৰ উন্নতিৰ পথ বেচি বহল হৈ পৰিছে বুলি মোৰ ধাৰণা। দুই বা চাৰি বছৰৰ ভিতৰতে এই উন্নতি চমকপ্ৰদ ৰূপে অৱশ্যে দে... নিদিয়ে। কিন্তু অসমীয়া ভাষাৰ মাধ্যমে... বিভিন্ন বিষয়ৰ পাঠ দানৰ ব্যৱস্থাই অসমীয়া ভাষাৰ উন্নতিৰ ক্ষেত্ৰত বুজন বৰঙণি যোগোৱাৰ আশা।

প্ৰশ্নঃ– (৪) অসম মাধ্যমিক শিক্ষা পৰিষদৰ শেহতীয়া স্কুল শিক্ষান্ত পৰীক্ষাৰ শোচনীয় ফললৈ লক্ষ্য কৰি কোনো কোনো শিক্ষাবিদে ইংৰাজী ভাষাক ঐচ্ছিক বিষয় কৰাৰ পৰামৰ্শ আগবঢ়াইছে এই সম্পৰ্কত আপোনাৰ ধাৰণা কি ?

উত্তৰঃ– মাধ্যমিক শিক্ষা ব্যৱস্থাত ইংৰাজী ভাষা ঐচ্ছিক বিষয় কৰাৰ পৰামৰ্শ গ্ৰহণ যোগ্য বুলি মই নাভাবো। ইংৰাজী ভাষাৰ অধ্যয়ন সদায় আমাৰ শিক্ষা ব্যৱস্থাত বাধ্যতা মূলক হৈ থকাতো হয়তো বাঞ্ছনীয় নহয়। কিন্তু বৰ্ত্তমান সময়ত ইয়াক ঐচ্ছিক বিষয় হিচাবে গ্ৰহণ কৰিলে আমাৰ ছাত্ৰ সমাজৰ প্ৰতি ই বিশেষ ভাবে ক্ষতিকাৰক হব। ইংৰাজী ... কাৰণে মাধ্যমিক বোৰ্ড পৰীক্ষাৰ ফলাফল তললৈ নামি গৈছে বুলি কোৱাৰ যুক্তি নাই। কিয়নো, অঙ্ক, ভূগোল আৰু সমাজ অধ্যায়ন বিষয়বোৰত অকৃত-কাৰ্য্যতাৰ সংখ্যা যথেষ্ট বেছি।

●●●





# :ঃসাধাৰণ সম্পাদকৰ প্ৰতিবেদনঃ-

## ইং ১৯৭৫-৭৬ চন।

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সাধাৰণ সম্পাদকৰ পদত মোক মনোনীত কৰি প্ৰতিবেদন লিখিবলৈ সুবিধা কণ দিয়া বাবে, মই ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ সভাপতি তথা অধ্যক্ষ মহোদয় আৰু উপ-সভাপতি শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাদেৱক মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদিছো। মোৰ কাৰ্য্যকাল ছোৱাত সাফল্যৰ বাবে মই অধ্যাপক-অধ্যাপিকা মণ্ডলীৰ দিহা-পৰমৰ্শ তথা সহায় পাহৰিব নোৱাৰিম। মোৰ প্ৰতিটো কাৰ্য্যতে যি সকল ছাত্ৰ-ছাত্ৰী তথা N. C. C. cadets এ সহায় কৰিছিল, তেখেত সকললৈ মোৰ ব্যক্তিগত ফালৰ পৰা তথা ছাত্ৰ সন্থাৰ তৰফৰ পৰা আন্তৰিক স্নেহ তথা কৃতজ্ঞতা জ্ঞাপন কৰিলো।

গতানুগতিক ভাৱে জৰুৰী কালীন অৱস্থাৰ মাজেৰে আমাৰ "মহাবিদ্যালয় সপ্তাহ" পালন কৰা হয়. ২৬ ডিচেম্বৰৰ পৰা ৩০ ডিচেম্বৰ (৭৫) লৈ। ৩১ তাৰিখে মুকলি সভা অনুষ্ঠিত হয়। মুকলি সভাত সভাপতিত্ব কৰে মাননীয় অধ্যক্ষ, শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈ দেৱে।

আগৰে পৰা আমাৰ মহাবিদ্যালয়ত ২য় বাৰ্ষিক স্নাতক মহলাৰ ছাত্ৰ-ছাত্ৰীক আনুষ্ঠানিক ভাবে বিদায় দিয়া হোৱা নাছিল। কিন্তু এই বাৰেই পোন প্ৰথমবাৰৰ বাবে হলেও ২য় বাৰ্ষিক স্নাতক মহলাৰ সমূহ ছাত্ৰ-ছাত্ৰীকে আনুষ্ঠানিক ভাবে বিদায় দিয়া হয়। সেই উপলক্ষে অনুষ্ঠিত সভাত সভাপতিত্ব কৰিছিল মাননীয় অধ্যক্ষদেৱে।

ইং ১৮।৯।৭৬ তাৰিখে অনুষ্ঠিত "নৱাগত আদৰণি সভা"ত উচ্চ শিক্ষাৰ উদ্দেশ্যে আমাৰ মহাবিদ্যালয়লৈ অহা নতুন ছাত্ৰ-ছাত্ৰী চামক আদৰণি জনোৱা হয়। সভাখন জাক-জমকতাৰে পতা হৈছিল। উক্ত সভাত মুখ্য অতিথি ৰূপে অংশ গ্ৰহণ কৰিছিল বকো,

জৱাহৰলাল নেহৰু মহাবিদ্যালয়ৰ মাননীয় অধ্যক্ষ শ্ৰীযুত যতীন চন্দ্ৰ নাথদেৱে আৰু সভাপতিত্ব কৰিছিল্ মাননীয় অধ্যক্ষ শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈদেৱে ।

মোৰ কাৰ্য্যকাল ছোৱাতে আমাৰ মহা বিদ্যালয়ৰ ছাত্ৰ ছাত্ৰীসকলে শিক্ষাগুৰু সকলৰ সহযোগত গণতন্ত্ৰ দিৱস, সৰস্বতী পূজা, শঙ্কৰ দেৱৰ তিথি, ফাতেহা-এ-দোৱাজ দাহম আদি পৰ্ব্ব পালন কৰো ।

ইয়াৰ উপৰিও আমি সমূহ ছাত্ৰ-ছাত্ৰী শিক্ষাগুৰু সকলে মিলি, শিক্ষাবিদ যোগীৰাজ বসু, গুৱাহাটী বিশ্ববিদ্যালয়ৰ মহাবিদ্যালয় সমূহৰ পৰিদৰ্শক অধ্যাপক আব্দুল জেলিল, স্থানীয় শিক্ষক দুগৰাকী মুক্তাৰাম কলিতা আৰু বাচিৰাম ডেকাৰ মৃত্যুত গভীৰ শোক প্ৰকাশ কৰো । আৰু তেখেতসকলৰ পৰিয়াল বৰ্গলৈও শোকৰ প্ৰস্তাৱ পঠিওৱা হয় ।

আমাৰ মহাবিদ্যালয়ত আমি এখনি প্ৰাচীৰ পত্ৰিকাৰ অভাৱ অনুভব বাৰুকৈয়ে কৰি আহিছিলো । সেয়েহে অধ্যক্ষ দেৱৰ অনুমতিত আমি ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বিস্তাৰৰ অৰ্থে প্ৰাচীৰ পত্ৰিকাখন প্ৰচলন কৰিব পাৰিছো । তাৰ বাবে অধ্যক্ষ মহোদয়ৰ লগতে আলোচীৰ তত্ত্বাবধায়ক শিক্ষাগুৰু মাননীয় শ্ৰীযুত অমৰেন্দ্ৰ শৰ্ম্মাদেৱৰ ওচৰত কৃতজ্ঞ ।

আমাৰ মহাবিদ্যালয়ত ছাত্ৰ সন্থাৰ এটা কাৰ্য্যলয় আছে । ইয়াৰ অৱস্থা একেবাৰে শোচনীয় বুলি কলে বোধহয় ভুল নহব । মোৰ কালছোৱাৰ আগৰ সম্পাদকে ইয়াৰ কোনো ব্যৱহাৰ নকৰাত কাৰ্য্যলয়ৰ অৱস্থা শোচনীয় হয় । মোৰ কালছোৱাত তেনে উন্নতি কৰা নহল । পিচৰ সম্পাদকলৈ মোৰ অনুৰোধ যাতে ছাত্ৰ সন্থাৰ কাৰ্যালয়টোৰ কিছু উন্নতি সাধন কৰা হয় ।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক, ছাত্ৰ ছাত্ৰীয়ে মিলি সমাবায় খোলাৰ প্ৰস্তাৱ লোৱা হৈছে । আৰু ছাত্ৰ ছাত্ৰীৰ মন একত্ব কৰাৰ বাবে মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীৰ মাজত ইউনিফৰ্মৰ প্ৰচলন কাৰবলৈ অধ্যক্ষ দেৱৰ সভাপতিত্বত বহা সভাই সিদ্ধান্ত লৈছে ।

শেষত মই পৰম শ্ৰদ্ধাভাজন অধ্যক্ষ শ্ৰীযুত বীৰেন্দ্ৰ নাথ বৰদলৈ আৰু ছাত্ৰ সন্থাৰ উপ-সভাপতি শ্ৰীযুত গোলোক চন্দ্ৰ ভূঞাঁৰ প্ৰতি মোৰ শ্ৰদ্ধা নিবেদন কৰিছো । লগতে সমূহ ছাত্ৰ-ছাত্ৰীলৈ ধন্যবাদ জ্ঞাপন কৰিছো । অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা বিচাৰিছো ।

ৰঙিয়া মহাবিদ্যালয়ৰ উজ্বল ভবিষ্যত,
ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থাৰ উন্নতিৰ
কামনাৰে মই মোৰ প্ৰতিবেদন সামৰিলো !

মহম্মদ আকল আলী
সাধাৰণ সম্পাদক ছাত্ৰ সভা ।

●●●



## ॥ ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন ॥

প্ৰতিবেদনৰ আৰাম্ভনীতে মই সমূহ ছাত্ৰী বান্ধৱীকে কৃতজ্ঞতা জ্ঞাপন কৰিছো । লগতে অধ্যক্ষ মহোদয়ে মোক ছাত্ৰীৰ জিৰণি কোঠাৰ সম্পাদিকা হিচাবে মনোনিত কৰাত তেখেতৰ ওচৰতো ঋণী ।

সম্পাদিকা হৈ মই কিমানদূৰ সেৱা আগবঢ়াব পাৰিছোঁ সেয়া মই বিচাৰ কৰিব নোৱাৰো, বিষয় ববীয়াৰ কাৰ্য্যভাৰ গ্ৰহণ কৰিয়ে মই মহাবিদ্যালয় সপ্তাহ উপলক্ষে হোৱা ছাত্ৰীৰ মাজৰ লঘুখেল সমূহ আৰম্ভ কৰো । খেল সমূহত প্ৰতিযোগীৰ সংখ্যা ক্ৰমাতবাঢ়ি অহাত ভালেই লাগিছিল ।

ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰীৰ সংখ্যা অনুযায়ী জিৰণি কোঠাতো নিচেই সৰু হৈ পৰিছে । মোৰ কাৰ্য্যকাল ছোৱাত খেলৰ সামগ্ৰী সাধ্যানুসাৰে যোগান ধৰাত ত্ৰুটী কৰা নাছিলো । কিন্তু সু-সংৰক্ষিত কৰিবলৈ কোনো ব্যৱস্থা নথকা বাবে বহুতো সামগ্ৰী হৰণ ভগন হয় । এই বিষয়ে মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ ওচৰত দৃষ্টি আকৰ্ষণ কৰিবলৈ কাতৰ অনুৰোধ জনাইছো। ছাত্ৰীৰ জিৰণি কোঠাৰ বাবে এখন টেবুল টেনিচৰ আৱশ্যক । জিৰণি কোঠাত পৰ্দ্দা, বাতৰি কাকত, আলোচনী আদি যথেষ্ঠ পৰিমাণে দিব পৰা নগল । সেয়ে ছাত্ৰী বান্ধৱী সকলৰ ওচৰত ক্ষমা বিচাৰিছো ।

ছাত্ৰী জিৰণি কোঠাৰ লঘু খেল সমূহ পৰিচালনা কৰোতে যিসকল ব্যক্তিয়ে মোক অশেষ সহায় কৰিছে সেই সকলৰ ভিতৰত তত্ত্বাবধায়িকা মাননীয়া শ্ৰীযুতা নীলিমা ডেকা বাইদেউৰ নাম প্ৰথমেই লব লাগিব । লগতে সমূহ অধ্যাপক আৰু অধ্যক্ষ দেৱলৈ মোৰ আন্তৰিক শ্ৰদ্ধা থাকিল । ছাত্ৰ বন্ধু, বান্ধৱী সকলৰ ভিতৰত আক্কেল আলী, প্ৰতুল কুমাৰ শৰ্ম্মা মোৰ সোঁহাতস্বৰূপ আছিল । লগতে প্ৰীতি কলিতা, কিৰণ, যমুনা, মহচিন, প্ৰদীপ গুপ্ত, চক্ৰ, ৰবিন আদিক মই মনত ৰাখিম সকলো সময়তে ।

সদো শেষত অজ্ঞাতসাৰে হোৱা ভুলৰ বাবে ক্ষমা বিচাৰিছো ।

ৰঙিয়া মহাবিদ্যালয়ৰ ভবিষ্যত উজ্বল হওঁক
ৰঙিয়া মহাবিদ্যালয়ৰ ছাত্ৰ সন্থা এক হওঁক
এই কামনাৰে —

কুমাৰী মন্দিৰা তালুকদাৰ
সম্পাদিকা,
ছাত্ৰী জিৰণি কোঠা ।

●●

# তৰ্ক, আলোচনাচক্ৰ আৰু সাহিত্য বিভাগৰ সম্পাদকৰ প্ৰতিবেদন—

জয় জয়তে ১৯৭৫-৭৬ চনৰ শিক্ষা বছৰটোৰ বাবে মোক তৰ্ক বিভাগৰ সম্প্যাদকৰ পদত মনোনীত কৰাৰ কাৰণে কলেজ কৰ্ত্তৃপক্ষলৈ মোৰ আন্তৰিক শলাগৰ শৰাই আগবঢ়ালোঁ। লগতে মোৰ কাৰ্য্যকালৰ সময়খিনি সুকলমে অতিবাহিত কৰিবলৈ সুযোগ দিয়াত ৰঙিয়া কলেজৰ সমূহ ছাত্ৰ-ছাত্ৰীয়ে ধন্যবাদৰ পাত্ৰ।

বছৰটোৰ আৰম্ভণীৰ লগে লগে গান্ধীবাদৰ ওপৰত ভিত্তি কৰি এখন আলোচনা চক্ৰৰ আয়োজন কৰা হয়। আলোচনাচক্ৰখন মুকলি কৰি অধ্যক্ষ মহোদয়ে বৰ্ত্তমান সমজবাদৰ দৃষ্টি ভঙ্গীৰে গান্ধীবাদৰ প্ৰকৃত মূল্যবোধ সম্পৰ্কে ছাত্ৰ ছাত্ৰীক সহজ ভাৱে বুজাই দিয়ে। এই গাম্ভীৰ্য্যপূৰ্ণ আলোচনা চক্ৰখনত শ্ৰীঅনন্ত ডেকাৰ যুক্তিয়ে চিন্তাৰ বেচ্ খোৰাক যোগাব পাৰিছিল। লগতে অধ্যাপক আৰু অধ্যাপিকা সকলৰ পৰাওঁ আলোচ্য বিষয়ৰ ওপৰত বিভিন্ন মন্তব্য দাঙি ধৰে।

কলেজ সপ্তাহ উপলক্ষে এই বিভাগে তৰ্ক, কুইজ আদিৰ প্ৰতিযোগিতাৰ ওপৰিও এখন সাহিত্য প্ৰতিযোগিতাৰ আয়োজন কৰো। সাধাৰণ সম্পাদকে বান্ধি দিয়া সময় সূচীমতে আমি বাৰ্ষিক তৰ্ক সভাখন পাতিব নোৱাৰিলোঁ। যিহেতু সেই সময়ত অন্য বিভাগ এটাৰ কোনো এটা প্ৰতিযোগিতা চলাই আছিল। অনিচ্ছাকৃত ভুলৰ বাবে ক্ষমা মাগিছোঁ। পোন প্ৰথমবাৰৰ বাবে এই কলেজত পতা কুইজ প্ৰতিযোগিতাই নতুন প্ৰতিযোগীৰ মাজত মনত বেচ আনন্দ দিব পাৰিছিল। এই ক্ষেত্ৰত সাধাৰণ সম্প্যাদক শ্ৰীঅনন্ত ডেকা ধন্যবাদৰ পাত্ৰ। সাহিত্য প্ৰতিযোগিতাৰ বিষয় গল্প, কৱিতা আৰু অসমীয়া ৰচনাৰ ওপৰিও ইংৰাজী ৰচনাৰ প্ৰতিযোগিতা পতা হয়। কবিতাৰ বাহিৰে অন্যবোৰ বিষয়ত প্ৰতিযোগীৰ সংখ্যা লাজ লগা ধৰণৰ।

সময়ৰ অভাৱত আৰু বিভাগীয় সম্পাদকৰ শিক্ষা কাল শেষ হৈ যোৱাত "সদৌ অসম আন্তঃ কলেজ ৺সিদ্ধিনাথ শৰ্ম্মা সোঁৱৰণী" তৰ্ক প্ৰতিযোগিতাখন অনুষ্ঠিত কৰিব পৰা নহ'ল। ১৯৭৫-৭৬ চনত বি, বৰুৱা কলেজত আয়োজন কৰা "সদৌ অসম আন্তঃ কলেজ ভোলা বৰুৱা তৰ্ক প্ৰতিযোগিতাত আমাৰ কলেজৰ পৰা যথাক্ৰমে শ্ৰীঅনন্ত ডেকা আৰু শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মাই যোগদান কৰি "উচ্চ প্ৰশংসা পত্ৰ" লাভ কৰে।

ইয়াৰ পিচতে বিভাগীয় সম্পাদকৰ অনুপস্থিতিত "সদৌ ৰঙিয়া আকস্মিক বক্তৃতা প্ৰতিযোগিতা"খন আমাৰ কলেজৰ সাধাৰণ সম্পাদক, মঃ আক্কেল আলী আৰু শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মাৰ পৰিচালনাত হৈ যায়। এই প্ৰতিযোগিতাৰ 'ক' শাখা (মহাবিদ্যালয় পৰ্য্যায়ত) ত ৰঙিয়া অঞ্চলৰ ওচৰ চুবুৰীয়া কেইবাখনো কলেজে যোগদান কৰে। 'খ' শাখা (হাইস্কুল পৰ্য্যায়ত) ত কেইবাখনো হাইস্কুলে যোগদান কৰি প্ৰতিযোগিতাৰ পৰিসৰ বৃদ্ধি কৰে। উক্ত প্ৰতিযোগিতাখন সুকলমে চলোৱাত ছাত্ৰ বন্ধু দুগৰাকী মোৰ ধন্যবাদৰ পাত্ৰ।

প্ৰতিবেদনৰ জৰিয়তে সকলো ভুলৰ বাবে ৰঙিয়া কলেজৰ ছাত্ৰ-ছাত্ৰীবৃন্দ, অধ্যাপক-অধ্যাপিকা সকলৰ ওচৰত ক্ষমা ভিক্ষা মাগিছোঁ। জয়তু ৰঙিয়া কলেজ। জয়তু ছাত্ৰ একতা সভা। জয়তু ছাত্ৰ শক্তি।

জয়হিন্দ্

শ্ৰীসুভাষ চৌধুৰী
সম্পাদক, তৰ্ক বিভাগ।

## সদৌ ৰঙিয়া আকস্মিক বক্তৃতা প্ৰতিযোগিতা

ৰঙিয়া মহাবিদ্যালয়ৰ তৰ্ক বিভাগৰ সৌজন্যত।

'ক' শাখা (মহাবিদ্যালয় পৰ্য্যায়)

১ম— শ্ৰীপ্ৰতুল কুমাৰ শৰ্ম্মা, ৰঙিয়া কলেজ।
২য়— শ্ৰীজীৱন শৰ্ম্মা, পূৰ কামৰূপ কলেজ।
৩য়— শ্ৰীবদন চন্দ্ৰ গোস্বামী, পুঠিমাৰী জুনিয়ৰ কলেজ।

'খ' শাখা (হাইস্কুল পৰ্য্যায়)

১ম— শ্ৰীমতী তুলিকা কলিতা, (ৰঙিয়া ছোৱালী হাইস্কুল)
২য়— শ্ৰীশঙ্কৰ দাস, (ৰঙিয়া হাইস্কুল্)
৩য়— শ্ৰীচিউ কুমাৰ মুঠ, (ৰঙিয়া হিন্দি হাইস্কুল)

## -ঃ ১৯৭৫-৭৬ চনৰ সাহিত্য প্ৰতিযোগিতাৰ ফলাফল ঃ-

অসমীয়া ৰচনা

১ম— শ্ৰীবিনন্দি ডেকা।
২য়— শ্ৰীঅনন্ত কুমাৰ ডেকা।
৩য়— শ্ৰীমনোনীত নহ'ল।

অসমীয়া কবিতা

১ম— মনোনীত নহ'ল।
২য়— শ্ৰীবিবেকানন্দ অধিকাৰী।
৩য়— শ্ৰীবিনন্দি ডেকা।

অসমীয়া গল্প

১ম— শ্ৰীবিনন্দি ডেকা
২য়— শ্ৰীঅনন্ত কুমাৰ ডেকা
৩য়— মনোনীত নহ'ল।

ইংৰাজী ৰচনা

নিচুকনি বঁটা— শ্ৰীঅনন্ত কুমাৰ ডেকা।
বছৰটোৰ শ্ৰেষ্ঠ সাহিত্য প্ৰতিযোগী—
শ্ৰীবিনন্দি ডেকা।

কুইজ প্ৰতিযোগিতা

১ম শ্ৰীঅনন্ত ডেকাৰ দল
২য় মোচাৰাফ হুচেইনৰ দল
৩য়— মন্দিৰা তালুকদাৰৰ দল

বিশেষ পুৰস্কাৰ (কুইজ)

১। মহচিন আহমেদ।
২। মুকুট শইকীয়া।






অনন্ত ডেকা
বছৰৰ শ্ৰেষ্ঠ অভিনেতা-৭৬


প্ৰতুল কুমাৰ শৰ্মা
একেৰাহে যোৱা দুবছৰৰ
শ্ৰেষ্ঠ নাট্য পৰিচালক


ধীৰেণ শৰ্মা
বছৰৰ শ্ৰেষ্ঠ গায়ক-'৭৬


বিনন্দী ডেকা
বছৰৰ শ্ৰেষ্ঠ সাহিত্য
প্ৰতিযোগী-৭৬



মঃ আক্কেল আলী
এওঁ একেৰাহে দুবছৰ ৰঙিয়া মহাবিদ্যালয়ত ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ চিনিয়ৰ আণ্ডাৰ অফিচাৰ হিচাবে প্ৰতিনিধিত্ব কৰে ॥



ৰমানন্দ ভট্টাচাৰ্য্য, বিবেকানন্দ অধিকাৰী
এওঁলোকে জাতীয় শিক্ষাৰ্থী বাহিনীৰ প্ৰশিক্ষণ সমাপ্ত কৰে অৰুণাচলৰ কায়েঙত ॥



জ্ঞানদা বড়ো
একেৰাহে যোৱা তিনিবছৰৰ শ্ৰেষ্ঠ মহিলা খেলুৱৈ।



বৈকুণ্ঠ শালৈ
একেৰাহে যোৱা দুবছৰৰ শ্ৰেষ্ঠ খেলুৱৈ

## ॥ সাংস্কৃতিক শাখাৰ সম্পাদকৰ প্ৰতিবেদন ॥

ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ অধ্যাপক-অধ্যাপিকা ছাত্ৰ-ছাত্ৰী আৰু বন্ধু-বান্ধবীলৈ মোৰ আন্তৰিক শ্ৰদ্ধা নিবেদন কৰি মই আপোনাসৱৰ ওচৰত সাংস্কৃতিক বিভাগৰ সম্পাদকৰ প্ৰতিবেদন দাঙি ধৰিলো।

বছৰে বছৰে পাতি অহাৰ দৰে এইবাৰো "ৰঙিয়া মহাবিদ্যালয় সপ্তাহ" সপ্তাহ জোৰা কাৰ্য্য-সূচীৰে প্ৰতিযোগিতাৰ ভিত্তিত পতা হৈছিল। এই প্ৰতিযোগিতাখন সচাঁকৈয়ে গাম্ভীৰ্য্যপূৰ্ণ হৈছিল। ইয়াৰ প্ৰথম তিনিদিন সঙ্গীত প্ৰতিযোগিতা আৰু এনিশা একাঙ্কিকা নাট প্ৰতিযোগিতা পতা হয়। নিঃসন্দেহে কব পাৰি যে সঙ্গীত প্ৰতিযোগিতাৰ মানদণ্ড উচ্চস্তৰৰ হৈছিল। সঙ্গীত প্ৰতিযোগী সকলে শিল্পীসুলভ মনৰ পৰিচয় ৰাকৈয়ে দিব পাৰিছিল।

সাংস্কৃতিক অনুষ্ঠানৰ আন এটি দিশ হিচাবে আমি মহাপুৰুষ শঙ্কৰদেৱৰ তিৰোভাব তিথি পালন কৰো লগতে উলহ-মালহেৰে সৰস্বতী পূজা, মহৰম আদিও পালন কৰা হয়। মহাবিদ্যালয় সপ্তাহ সামৰণি অনুষ্ঠানৰ লগতে স্থানীয়-অস্থানীয় শিল্পীৰ সুমধুৰ সুৰে অনুষ্ঠানটি মধুৰ কৰি তুলিছিল। বিশেষকৈ স্থানীয় অনাতাঁৰ শিল্পী নিলীমা খাতুন, আৰু অৰুণাচলৰ পৰা অহা শ্ৰদ্ধেয় চাৰ ৰবীন ডেকাই।

প্ৰতিযোগিতাখনৰ বিভিন্ন বিভাগৰ গুৰুভাৰ বহন কৰি শ্ৰেষ্ঠ গায়ক, শ্ৰেষ্ঠ দল, শ্ৰেষ্ঠ অভিনেতা আৰু বিভিন্ন বিষয়ত শ্ৰেষ্ঠত্ব কেইজন বাচি উলিয়াইছিল সেই সকল পূজনীয় বিচিত্ৰ মেধী, অহীন্দ্ৰ কলিতা, প্ৰভাত ডেকা, অৰূপ মজুমদাৰ, নিলীমা খাতুনলৈ মই সেৱা জনাইছো।

মোক সহায়-সহানুভূতি আগবঢ়োৱা ক্ষেত্ৰত পোনতে কৃতজ্ঞতা জনাব লাগিব একাঙ্কিকা নাট প্ৰতিযোগিতাখন শীতৰ নিশা বহুপৰলৈ অসীম ধৈৰ্য্যৰে বিচাৰ কাৰ্য্য কৰা মোৰ পূজনীয় নৰেন্দ্ৰ নাথ শৰ্ম্মা, গুৰুকৃষ্ণ গোস্বামী আৰু অমূল্য কলিতা দেৱলৈ।

এইবাৰ পোন প্ৰথমবাৰৰ বাবে গুৱাহাটী বিশ্ব বিদ্যালয় আন্তঃ কলেজ "যুৱ মহোৎসৱত" আমাৰ মহাবিদ্যালয়ৰ কেবাজনো গায়ক-গায়িকাই অংশ গ্ৰহণ কৰি বিচাৰক মণ্ডলী আৰু শ্ৰোতাৰ পৰা ভূয়সী প্ৰসংশা লাভ কৰে।

এই সুযোগতে কৰ্তৃপক্ষৰ ওচৰত আমাৰ অভাৱ-অভিযোগ সম্পৰ্কে মই এটা কথা উন্নুকিয়াইছো। এই বছৰ এটা পূৰ্ণাঙ্গ প্ৰেক্ষাগৃহৰ কিছু উন্নতি সাধন কৰা হয় যদিও মঞ্চৰ উহংচৰ বেৰ স্থায়ীভাবে প্লাইউদৰে তৈয়াৰ কৰিবলৈ আৰু আধকুৰা কাম শেষ কৰি প্ৰেক্ষাগৃহটি নতুন ৰূপত সজাই তুলিবলৈ অনুৰোধ কৰিলো।

সদৌ শেষত সাংস্কৃতিক শাখাৰ ভাৰপ্ৰাপ্ত অধ্যাপক শ্ৰীহৰেন্দ্ৰ দাস লগতে অধ্যাপক মহেন্দ্ৰ গোস্বামী, ভবেন্দ্ৰ শৰ্ম্মা, হৰি শৰ্ম্মালৈ মোৰ শ্ৰদ্ধা নিবেদন কৰিছো।

পৰিশেষত মোৰ সকলো ভুল-ভ্ৰান্তিৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত ক্ষমা বিচাৰি ৰঙিয়া মহাবিদ্যালয়ৰ সাংস্কৃতিক শাখাৰ উত্তৰোত্তৰ উন্নতি কামনা কৰি প্ৰতিবেদনৰ সামৰণি মাৰিলো।

ৰঙিয়া মহাবিদ্যালয় দীৰ্ঘায়ু হওঁক—

শ্ৰীসুকুমাৰ কলিতা
সম্পাদক কৃষ্টি বিভাগ

## -ঃ ১৯৭৫-৭৬ চনৰ সঙ্গীত প্ৰতিযোগিতাৰ ফলাফল ঃ-

বৰ গীত -
১ম শ্ৰীবিনন্দি ডেকা
২য় অৰুণ কলিতা
৩য় শ্ৰীইৰা শৰ্ম্মা

আধুনিক গীত—
১ম শ্ৰীধীৰেণ শৰ্ম্মা
২য় শ্ৰীইৰা শৰ্ম্মা
৩য় শ্ৰীনাজমা আৰা বেগম

দেশ প্ৰেমমুলক গীত –
১ম শ্ৰীধীৰণ শৰ্ম্মা
২য় শ্ৰীইৰা শৰ্ম্মা
শ্ৰীজগদীশ শৰ্ম্মা
৩য় শ্ৰীনাজমা আৰা বেগম
শ্ৰীচফিদা বেগম

ভজন—
১ম শ্ৰীবিনন্দি ডেকা
২য় শ্ৰীনাজমা আৰা বেগম
৩য় শ্ৰীসবিতা লহকৰ

জন -
১ম শ্ৰীইৰা শৰ্ম্মা
২য় শ্ৰীনাজমা আৰা বেগম
৩য় শ্ৰীধীৰেণ শৰ্ম্মা

হিন্দী গীত—
১ম শ্ৰীবিনন্দি ডেকা
২য় শ্ৰীতফচেৰ আহমেদ
৩য় শ্ৰীইৰা শৰ্ম্মা

ন গীত—
১ম শ্ৰীইৰা শৰ্ম্মা
২য় শ্ৰীধীৰেণ শৰ্ম্মা
৩য় শ্ৰীবিনন্দি ডেকা

জ্যোতি সঙ্গীত— ১ম শ্ৰীইৰা শৰ্ম্মা
২য় সবিতা লহকৰ
৩য় শ্ৰীধীৰেণ শৰ্ম্মা
শ্ৰীজগদীশ শৰ্ম্মা

লোকগীত—
১ম শ্ৰীধীৰেণ শৰ্ম্মা
২য় শ্ৰীবিনন্দি ডেকা
৩য় শ্ৰীইৰা শৰ্ম্মা

ৰবীন্দ্ৰ সঙ্গীত— ১ম সবিতা লহকৰ
২য় ধীৰেণ শৰ্ম্মা
৩য় বিনন্দি ডেকা

বিহু গীত—
১ম ধীৰেণ শৰ্ম্মা
২য় অৰুণ কলিতা
৩য় ইৰা শৰ্ম্মা

নজৰুল গীত— ১ম নাজমা আৰা বেগম
২য় ধীৰেণ শৰ্ম্মা

বঙালী আধুনিক গীত—
১ম নাজমা আৰা বেগম
২য় ইৰা শৰ্ম্মা
৩য় ধীৰেণ শৰ্ম্মা

শ্ৰেষ্ঠ গায়ক— ১ম শ্ৰীধীৰেণ শৰ্ম্মা
২য় শ্ৰীইৰা শৰ্ম্মা
৩য় শ্ৰীবিনন্দি ডেকা

নাট প্ৰতিযোগিতাৰ ফলাফল—
শ্ৰেষ্ঠ দল নাট "যুগ" লিখক— অনন্ত ডেকা
২য় ,, নাট "মেঘমুল্লাৰ" ,, —প্ৰতুল কুমাৰ শৰ্মা
শ্ৰেষ্ঠ নাট্য পৰিচালক— শ্ৰীপ্ৰতুল কুমাৰ শৰ্মা
শ্ৰেষ্ঠ অভিনেতা— শ্ৰীঅনন্ত ডেকা
২য় শ্ৰীবিনন্দি ডেকা
শ্ৰীবিবেকানন্দ অধিকাৰী
৩য় শ্ৰীপ্ৰতুল কুমাৰ শৰ্মা
শ্ৰীচক্ৰধৰ শইকীয়া
নিচুকনি বঁটা-

ভেকছন প্ৰতিযোগিতাৰ ফলাফল
১ম গুণেশ্বৰী পাঠক
২য় মুকুট শইকীয়া
৩য় যমুনা বৈশ্য

# ॥ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন ॥

ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থাৰ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন দাখিল কৰিবলৈ গৈ আজি মই অতি শ্ৰদ্ধা-সহকাৰে সোঁৱৰণ কৰিব লাগিব মাননীয় অধ্যক্ষ মহোদয়ক, যিজনে মোক ছাত্ৰ-ছাত্ৰীক এই সামান্য সেৱা কৰিবলৈ সুবিধা কণ দিলে। কাৰ্য্যভাৰ গ্ৰহণ কৰাৰে পৰা শেষকাল পৰ্য্যন্ত মই কোনো ধৰণৰ আসোৱাহ নোপোৱাৰ গুৰি হ'ল, মাননীয় অধ্যাপক শ্ৰীযুত ফইয়াজুল হক। সেয়ে পোনতে মই আটাইৰে ওচৰত মূৰ দোৱালো।

পৰম্পৰাগত ভাবে এই বেলিও "ৰঙিয়া মহাবিদ্যালয় সপ্তাহ"ত সপ্তাহ জোৰা কাৰ্য্যসূচীৰে ভিন্ন ধৰ্ম্মী খেলৰ আয়োজন কৰা হয়। অইন বাৰৰ তুলনাত এইবাৰ অৱশ্যে প্ৰতিযোগীৰ সংখ্যা বহু পৰিমাণে বৃদ্ধি পাইছে। ভবিষ্যতলৈ আৰু অধিক হওঁক, আমাৰ কাম্য। প্ৰতি বছৰে আমাৰ মহাবিদ্যালয়ে স্থানীয় লীগ আৰু নকআউট খেলত যোগদান কৰি আহিছে। এই বেলিও, ৰঙিয়া ক্ৰীড়া সন্থা লীগ প্ৰতিযোগিতা আৰু "সাগৰ মল" ট্ৰফি প্ৰতিযোগিতাত যোগদান কৰা হয়।

ইয়াৰ পিচত মহাবিদ্যালয়ত আন্তঃ শ্ৰেণী ফুটবʼল লীগ প্ৰতিযোগিতা আৰম্ভ হয়। ইয়াত প্ৰথম বাৰ্ষিক স্নাতক মহলাই সকলো দলকে পৰাভূত কৰি সম্পূৰ্ণ পইণ্ট অৰ্জন কৰে আৰু শ্ৰেষ্ঠ ফুটবʼল খেলুৱৈ দল বুলি পৰিগণিত হয়। ২য় বাৰ্ষিক প্ৰাক্ বিশ্ববিদ্যালয়ৰ 'ক' শাখাই ২য় শ্ৰেষ্ঠ দলৰূপে পৰিগণিত হয়।

আমাৰ মহাবিদ্যালয়ত প্ৰয়োজন অনুসৰি যথেষ্ট সুবিধা আছে। কিন্তু খেলুৱৈ সকলে কিয় সকলো ধৰণৰ খেলত মনোযোগ নিদিয়ে সেয়া আচৰিত। ফলস্বৰূপে মহাবিদ্যালয়ে পাব লগা সন্মানৰ পৰা বঞ্চিত হৈছে। এইখিনিতে মহাবিদ্যালয়ৰ সমূহ খেলুৱৈ তথা ছাত্ৰ-ছাত্ৰীক অনুৰোধ কৰো যাতে, তেখেত সকলে প্ৰত্যেক খেলত আগভাগ লবলৈ আগবাঢ়ি আহে আৰু লগতে আমাৰ মহাবিদ্যালয়ৰ খেলৰ মৰ্যাদা জীয়াই ৰাখিবলৈ আপ্ৰাণ চেষ্টা কৰে।

এইখিনিতে এটা কথা উল্লেখ কৰো যে, খেল বিভাগৰ সম্পাদকৰ কাল ছোৱাত প্ৰায় ৪ মাহ মানলৈকে মই সহকাৰী সাধাৰণ সম্পাদকৰ পদত থাকিও কিছু সেৱা আগবঢ়াব লগা হৈছিল। ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ শিক্ষাগুৰুৱে মোক সকলো সময়তে সৎ উপদেশ দি যি সফলতাত সহায় কৰিছিল, তাৰ বাবে মই তেখেতসকলৰ ওচৰত মূৰ দোৱাইছোঁ। আনহাতে ৰঙিয়া মহাবিদ্যালয়ৰ সমূহ N. C. C. cadets আৰু আন আন ছাত্ৰ-ছাত্ৰীৰ সহায় মই জীৱনত নাপাহৰিম, তেখেত সকললৈ মই মোৰ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰিছো। প্ৰতিবেদনৰ অন্তত মই, মোৰ অনিচ্ছাকৃত ভুল ভ্ৰান্তিৰ বাবে ক্ষমা বিচাৰিলোঁ।

ৰঙিয়া মহাবিদ্যালয় দীৰ্ঘজীৱি হওঁক, ৰঙিয়া মহাবিদ্যালয় ছাত্ৰ সন্থা দীৰ্ঘজীৱি হওঁক, এই শুভ কামনাৰে, মোৰ প্ৰতিবেদনৰ সামৰণি মাৰিলোঁ।

জয় হিন্দ্—

মঃ আক্কেল আলী
সম্পাদক, খেল বিভাগ।

## -ঃ ১৯৭৫-৭৬ চনৰ খেল প্ৰতিযোগিতাৰ ফলাফল ঃ-

### লৰা বিভাগ

১০০ মিটাৰ দৌৰ

১ম— বৈকুণ্ঠ শালৈ
২য়— মইনুদ্দিন আহমেদ
৩য়— মহতাব আলী

৪০০ মিটাৰ দৌৰ

১ম— বৈকুণ্ঠ শালৈ
২য়— মইনুদ্দিন আহমেদ
৩য়— নাৰায়ণ শালৈ

১৫০ মিটাৰ দৌৰ

১ম— লোহিত কলিতা
২য়— জাফাৰুদ্দিন আহমেদ
৩য়— মইনুদ্দিন আহমেদ
৪ৰ্থ— বৈকুণ্ঠ শালৈ

লাহে লাহে চাইকেল চলোৱা

১ম— চাইদোৰ ৰহমান

২য়— বিপিন লাহাড়ী

৩য়— পদ্মা ৰাম বড়ো

শ্বটপুট

১ম— ফণীধৰ দাস

২য়— অজিত কলিতা

৩য়— বিপিন লাহাড়ী

জেভলিন্ থ্ৰো

১ম— বৈকুণ্ঠ শালৈ

২য়— বিপিন লাহাড়ী

৩য় — মইনুদ্দিন আহমেদ

২০০ মিটাৰ দৌৰ

১ম — বৈকুণ্ঠ শালৈ

২য়— মহতাব আলী

৩য়— আনোৱাৰ হুচেইন

৮০০ মিটাৰ দৌৰ

১ম— বৈকুণ্ঠ শালৈ

২য়— মইনুদ্দিন আহমেদ

৩য়— নাৰায়ণ শালৈ
লোহিত কলিতা

৫০০০ মিটাৰ দৌৰ

১ম - লোহিত কলিতা

২য় — জাফাৰুদ্দিন আহমেদ

৩য় - নাৰায়ণ শালৈ

৪ৰ্থ— মহতাব আলী

৫ম — চৰিফুদ্দিন আহমেদ

ডিচকাচ থ্ৰো

১ম— অজিত কলিতা

২য়— বিপিন লাহাড়ী

৩য়— পদ্মৰাম বড়ো

হাম্বাৰ থ্ৰো

১ম— অজিত কলিতা

২য়— বিপিন লাহাড়ী

৩য়— চৰিফুদ্দিন আহমেদ

বোৰ্ড জাম্প

১ম-- নাৰায়ণ শালৈ

২য়— বৈকুণ্ঠ শালৈ

৩য়— মইনুদ্দিন আহমেদ

হাই জাম্প

১ম— তাৰিণী কুমাৰ

২য়— তমিজুদ্দিন আহমেদ

৩য়— চাইদোৰ ৰহমান

পোল্ ভোল্ট

১ম— কুমুদ লহকৰ

২য়— মতলিব মজুমদাৰ

৩য়— দ্বীজেন শৰ্ম্মা

ৰচি টনা-টনি

১ম বিজয়ী- স্নাতক ২য় বৰ্ষ (দলপতি)
সুভাষ চৌধুৰী



প্ৰাঃ বিঃ বিঃ ২য় বৰ্ষ (দলপতি)
কুমুদ লহকৰ

কাবাডি

১ম বিজয়ী- প্ৰাঃ বিঃ বিঃ ১ম বৰ্ষ (দলপতি)
আনোৱাৰ হুচেইন

২য় বিজয়ী- প্ৰাঃ বিঃ বিঃ ২য় বৰ্ষ (দলপতি)
তাৰিণী কুমাৰ

ভলীবল

১ম বিজয়ী- স্নাতক ২য় বৰ্ষ (দলপতি)
ধৰণীধৰ ডেকা

২য় বিজয়ী- প্ৰাঃ বিঃ বিঃ ২য় বৰ্ষ (দলপতি)
আচ্ৰাফুদ্দিন আহমেদ

## ছোৱালী বিভাগ

৮০ মিটাৰ দৌৰ

১ম— ফুনু দাস

২য়— প্ৰমিলা ডেকা

৩য়— বীণাৰাণী কলিতা

২০০ মিটাৰ দৌৰ

১ম— ফুনু দাস

২য়— লাৱণ্য ডেকা

৩য়— প্ৰমিলা ডেকা

১ মাইল দৌৰ

১ম— মিনতি দাস

২য়— চফিদা বেগম

৩য়— লাৱণ্য ডেকা

৪ৰ্থ— গুণেশ্বৰী পাঠক

ডিচ্কাচ থ্ৰো

১ম— জ্ঞানদা বড়ো

২য়— প্ৰমিলা ডেকা

৩য়— ফুনু দাস

শ্বটপুট

১ম— ফৰিজান বেগম

২য়— জ্ঞানদা বড়ো

৩য়— মিনতি দাস

জেভ্লিন থ্ৰো

১ম— জ্ঞানদা বড়ো

২য়— মিনতি দাস

৩য়— ৰাজ্য বণিয়া

বোৰ্ড জাম্প

১ম— প্ৰমিলা ডেকা

২য়— লাৱণ্য ডেকা
জ্ঞানদা বড়ো

৩য়— বাসন্তী কলিতা

ভাৰসাম্য দৌৰ

১ম— সবিতা লহকৰ

২য়— মিনতি দাস

৩য় বাসন্তী কলিতা

ক্রিকেট বল দলিওৱা

১ম— জ্ঞানদা বড়ো

২য় - মিনতি দাস

৩য়— ফুনু দাস

বেজীত সূতা ভৰোৱা

১ম— সৰিতা লহকৰ

২য়— মিনতি দাস

৩য়— বাসন্তী কলিতা

ব্লাইন হিট্

১ম— বাসন্তী কলিতা

২য়— চফিদা বেগম

৩য়— যমুনা বৈশ্য

ৰচি টনা-টনি

১ম~ বিজয়ী (দলপতি) বাসন্তী কলিতাৰ দল

২য়— বিজয়ী (দলপতি) প্রীতি কলিতাৰ দল







## সম্পাদনা সমিতি



বহি বাওঁফালৰ পৰা :— অধ্যাপক অমৰেন্দ্র শর্মা ( তত্বাৱধায়ক ) অধ্যক্ষ শ্রীবীৰেন্দ্র নাথ বৰদলৈ ( সভাপতি ) অধ্যাপক শ্রীগোলোক চন্দ্র ভূঞা।

প্রতুল কুমাৰ শর্মা ( সম্পাদক )

বাওঁফালৰ পৰা :— মঃ আক্কেল আলী ( সদস্য ) ভবেন চন্দ্র কলিতা ( সদস্য )

( থিয় হৈ )

# RANGIA COLLEGE MAGAZINE

# English Section

Yearly Publication
7th Issue
1975-76

*Editor,*

*Pratul Kumar Sarmah.*

# Content


| | |
|---|---|
| )1.( New Pattern of Education. | Shri Hari Sarma |
| )2.( Student unrest some points of view. | |
| )3.( Man to carry on the Torch. | Nirmal Ch. Dey |
| )4.( Wit and Humour in Parliament. | Shri R. C. Deka |
| )5.( Delinquency : its causes and remedies. | — |
| )6.( The Dark light. | Mrs. N. Deka |
| )7.( Profile of a living legend. | Sd. Saifuddin Ahmed |
| )8.( General Knowledge Round up. | A. Sarma |
| )9.( Dr. Radhakrishnan's First Meeting with Gandhiji. | — |
| | — |


# NEW PATTERN OF EDUCATION

*Shri Hari Sarma,*
Lecturer.

We have been lagging far far behind in the field of education in comparison with the developed countries of the world. The present system of education prevailing in the country has been criticised by different thinkers and educationists. Indigenous education in Assam was in a pitiable condition at the time of British occupation. Educationists of the country have stressed the need for shifting emphasis from teaching to learning, reducing dependence on formal system of instruction as a channel for education of the people and above all making education a life-long and life-wide process so as to create a learning society.

The percentage of literacy in Assam was only 4·7% in 1911, 6·2% in 1921 and 11·1% in 1941. Thus nearly ninety percent of people remained illiterate when the country became independent. The first English school, viz: Cotton Collegiate School was established at Gauhati in 1834 and the first college in Assam is the Cotton college which was established at Gauhati in 1901. Till Independence Assam did not have a single University.

As per recommendations of the Kothari Commission (1964-66) and National Policy on education (1968), the 10+2+3, the new pattern of

education was introduced in Assam from the academic session of 1973. The structure of the present system is as follows—

Lower primary stage—
Class I to IV 4 years

Middle stage—
Class V to VII 3 „

Secondary stage—
Class VIII to X 3 „

Total— 10 years

Higher Secondary—
Class XI to XII } — 2 „
Pre-University—
Ist and 2nd yr.

Degree Course — 3 „

The new curriculum under this pattern was enforced in classes I, V & VIII in 1973. The new Higher Secondary course is expected to come into force during the academic session 1976-77. The three years degree course will commence from the academic session 1978-79.

The students find greater interest in the new course as these provide Scope for creative thinking and innovation through their activity unlike the old course which was dull and mechanical. In place of memory, understanding has been insisted now. Thus the new system of education will prepare the generation of students required by the modern society with science and technology. Difficulties are no doubt experienced where many teachers are not conversant with new contents of the courses but given determination and will the difficulties can be overcome.

Nineteen States and Union Territories have already adopted the new scheme of education. These are: Andhra, Assam, Bihar, Gujrat, Jammu and Kashmir, Karnataka, Kerala, Maharastra, Sikkim, Tripura, Uttar Pradesh, West Bengal, The Andaman and Nichobar islands, Arunachal Pradesh, Chandigarh, Dadar and Nagar Haveli, Delhi, Goa, Daman and Diu and Lakshadweep. Seven States would be introducing the system in 1977-78 and 1978-79. They are Himachal Pradesh, Haryana, Manipur, Nagaland, Tamil Nadu, Rajasthan Orissa. Five States and Union Territories were still considering





the matter -Madhya Pradesh, Meghalaya, Punjab, Mizoram and Pondicherry.

The introduction of the new pattern and adoption of the new curriculum, syllabus and programmes involve in service and pre-service training of teachers and teachers educators and provision of physical facilities requiring development of additional funds A number of State Governments have earmarked massive programmes of training of teachers to meet the situation, through seminars and work shops. Steps are also afoot to check drop-outs, wastage and stagnation in schools through improved methods of teaching. Efforts have been intensified to increase enrolment in schools and it is expected that by the end of the fifth plan period ( 1978-79 ., there would be an enrolment of about 92 percent in the age group 6-11 and 43 percent in the age group 11-14. The Central Advisory Board of Education on new pattern of education recommended that the States should be asked to take urgent steps towards vocationalisation of higher secondary education and that the central pragramme of assistance should be finalised as early as possible and made available to the State Government preferably before the close of the current academic year.

The University Grants Commission has taken steps in the field of examination reform, for introduction of the system of grading instead of marking. The National service scheme programmes have been carried out to involve youth both student and non-student in constructive and nation building activities. The Universities participating in the new scheme as well as the Nehru Yuvak Kendras have in their activities underlined the importance of the new economic programme. The pivot around which the part of the economic programme as applied to social welfare revolves is the welfare of the physically handicapped.

The Subject "Work Experience" was introduced in the Secondary

schools in 1973-74 with a view to make the students self-reliant. A huge amount of money was sanctioned to implement this new scheme. Work-experience is vitally related to productivity. It means active participation in productive work in school, at home, in the work shop, in a farm, in a factory or in any other productive situation. This created a chasm between the world of reality and the world of study. The introduction of Work-experience is intended to bridge the gulf between the two worlds mentioned above. Work-experience is a method of integrating education with work. It can infuse into the minds of the students the habit of hard and responsible work. It may also help social and national integration by strengthening the links between the individual and the community and by creating bonds of understanding between the educated person and the masses. Work-experience may also result in some earning for the students— either in cash or in kind.

●●●





# Student Unrest—Some points of view.

*Nirmal Chandra Dey.*
Ex-student.

One of the major social problems facing the world to-day is the unprecedented upheaval, unrest and discontent prevalent among the youth and student population in all countries, whether rich or poor, developed, developing, under-developed or undeveloped. The student revolt does not necessarily reflect any adherence to political 'isms' or serious causes like fight against exploitation, tyranny, denial of freedom or imposition of alien rule. They are enjoying strikes, demonstrations, gheraos and confusions and succeed in creating trouble for fun. They are neither worrying about their interrupted education nor about their future.

Obedience and discipline are co-related terms. With the impact of the west, the word obedience has almost disappeared. To-day we obey to none but our caprices. Teachers' community has a great longing for respect. They cherish the age old ideal that students should bow down and prostrate before them. And lack of this in students makes mojority of

teachers prejudicial towards them. As regards discipline, the fault lies both sides. Teachers think that students should act in strict compliance with their wishes whereas the latter doubt the omniscience of the former. Moreover, the rule of discipline remains on paper only.

Not to speak of student community, in administration and in politics, indiscipline is becoming an infectious disease and the result is that we are falling prey to the monster of anarchism. When this is the state of affairs, it is very likely that the younger generation should not go uninfluenced. Besides, the old system of Gurukuls was based upon all round development. The word 'student' has a deep connotation from the word 'pupil'. Gurus were then perfect incarnations of benevolence and self sacrifice which if searched in teachers of to-day will hardly be noticed. The reason is plain. The position to-day has undergone vast change. The ideals and moral principles have taken a modern turn. When material warfare has set in, what to talk of sacrifice.

